Bikali College Library

BIKALI COLLEGE
ESTD - 1982

# বিকালী কলেজ আলোচনী

তত্ত্বাৱধায়িকা ঃ আল্‌পনা সৰকাৰ   সম্পাদক ঃ ৰবীন হাজোৱাৰী

Bikali College Library
Date
Dhupdhara

# অশ্ৰু অঞ্জলি

অজ্ঞাত আততায়ীৰ গুলিত
অকালতে প্ৰাণ হেৰুওৱা
মহাবিদ্যালয়ৰ সহকাৰী গ্ৰন্থাগাৰিক
৺লঙ্কেশ্বৰ ৰাভা আৰু
ফুলিবলৈ নৌপাওঁতেই কালৰ নিষ্ঠুৰ আঘাতত মৰহি যোৱা
আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পবিত্ৰ-স্মৃতিত
আমাৰ এটোপাল
অশ্ৰু অঞ্জলি

ডঃ নিৰ্মল কুমাৰ চৌধুৰী
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়
Vice-Chancellor
GAUHATI UNIVERSITY

গোপীনাথ বৰদলৈ নগৰ
Gopinath Bordoloi Nagar
Gauhati University
Guwahati. 781014
Date – ২৩/২/৯১ ইং

Bikali College Library
Date
Dhupdhara

প্ৰিয় সম্পাদক,

জিলিকি উঠক লুইতৰে পাৰ
-এয়ে মোৰ শুভেচ্ছা বাণী।

( নিৰ্মল কুমাৰ চৌধুৰী )

হিতেশ ডেকা

গাড়ীগাওঁ
জালুকবাৰী

তাং- ১০/২/৯৫

# শুভেচ্ছা বাণী

বিকালী কলেজৰ আলোচনীখন ওলাব বুলি জানি নথৈ আনন্দিত হলোঁ। কলেজৰ আলোচনীবোৰে ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলক সাহিত্য চৰ্চ্চাত আগ বঢ়াই দিয়ে। নবীন চামৰ লেখাবোৰ আলোচনীত প্ৰকাশ হ'লে সাহিত্য সাধনাত ব্ৰতী হবলৈ প্ৰেৰণা লাভ কৰে। এই আলোচনী খনেও প্ৰেৰণা যোগাব বুলি আশা কৰিলোঁ। আলোচনী খনলৈ শুভেচ্ছা জনালো। শ্ৰদ্ধাৰে-

শ্ৰীহিতেশ ডেকা
জালুকবাৰী



এটি কৰ্মব্যস্ত মুহূৰ্ত্তত
অধ্যক্ষ
শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া ।

Bikali College Library
Date
Dhupdhara

# সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা—

মনালিচা ৰায়চৌধুৰী [ সদস্যা ]

আল্পনা সৰকাৰ [ তত্ত্বাবধায়িকা ]

দেৱপ্ৰসাদ শইকীয়া [ সভাপতি ]

তনুজা হাজোৰাৰী [ সদস্যা ]

থিয়হৈ বাওঁফালৰ পৰা—

ৰবীন হাজোৰাৰী ( আলোচনী সম্পাদক )

ৰুমা পাটগিৰী ( সদস্যা )

আল্তাফ হুছেইন [ সদস্য ]

Library, Chhupdhara

# সূচীপত্ৰ


| | | |
|---|---|---|
| * তত্ত্বাৱধাৰিকাৰ দুআষাৰ — | | I |
| * বিকালী — | শ্ৰীধনেশ্বৰ ৰাভা — | V |
| প্ৰবন্ধ ঃ ধুপধৰাৰ অতীত আৰু বৰ্ত্তমান — | শ্ৰীবিভূতি কলিতা, বিভাগীয় মুৰব্বী বুৰঞ্জী বিভাগ — | ১ |
| বিকালী কলেজত অধ্যক্ষ হিচাপে এটি সোঁৱৰণ — | ড০ ব্ৰজেন্দ্ৰ নাথ ৰায়চৌধুৰী, প্ৰাক্তন অধ্যক্ষ, বিকালী কলেজ — | ৬ |
| কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু তেওঁৰ সপোনৰ অসম — | শ্ৰীৰবীন হাজোৰাৰী — | ১০ |
| ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি — | শ্ৰীমতী ৰত্না দাস — | ১৩ |
| বিশ্ববিখ্যাত কাৰ্টুন শিল্পী ঃ ওৱাল্ট ডিচ্‌নি — | শ্ৰীপঙ্কজবীৰ দাস — | ১৭ |
| অসমীয়া সাহিত্য আৰু শংকৰদেৱ — | " বিজু দাস — | ২০ |
| গোৱালপাৰা জিলাৰ ভৌগোলিক পৰিবেশ ঃ এটি চমু আলোচনা — | শ্ৰীমতী বন্তি বৰদলৈ, প্ৰবক্তা ভূগোল বিজ্ঞান বিভাগ — | ২৪ |
| অসমীয়া লোক সাহিত্যত এভুমুকি — | শ্ৰীমতী মলিনা দেবী ৰাভা, প্ৰবক্তা অসমীয়া বিভাগ — | ২৮ |
| কবিতা ঃ জন্মান্তৰ — | মিচ্‌ মনোৱাৰা খাতুন — | ৩৩ |
| এটি মাথো ভিক্ষা — | শ্ৰীজগবন্ধু কৈৱৰ্ত্ত — | ৩৪ |
| পিঞ্জৰাৰ প্ৰাণী — | " | |
| খেল পথাৰ — | শ্ৰীমতী নন্দিতা দাস — | ৩৫ |
| ভাৰত মাতা — | " চন্দ্ৰা বৈশ্য — | ৩৬ |
| প্ৰেম — | শ্ৰী প্ৰবীন ৰাভা — | ৩৮ |
| সন্ধান — | শ্ৰীমতী ধৰিত্ৰী খাখলাৰী — | ৩৯ |
| সভ্যতা — | শ্ৰীবিৰেশ চন্দ্ৰ ৰাভা — | ৪০ |


সিপিঠিত

| | | | |
|---|---|---|---|
| আশাৰ কলি | — | শ্ৰীমতী অৰ্পনা অধিকাৰী— | ৪২ |
| স্বপ্ন | — | শ্ৰীপদ্মেশ্বৰ দাস— | ৪৩ |
| দুটি অনুদিত কবিতা | — | শ্ৰীমতী আল্পনা সৰকাৰ, বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ। | ৪৪ |
| হাঁমা | | মিচ্ সুশীলা হাজোৱাৰী— | ৫০ |
| নিজৌম খানজৌফু সনাও | | মুশ্ৰী ৰাজিব বসুমতাৰী— | ৫১ |
| গল্প : শ্বহীদ | — | শ্ৰীভূপেন দাস— | ৫৩ |
| পাঁচটকীয়া বন্ধু | — | „ কৰেন নাথ— | ৫৭ |
| মদাৰ | — | শ্ৰীমতী ৰেখা দেৱী— | ৬০ |
| অব্যক্ত বিক্ততা | — | „ দীপ্তি ৰায়চৌধুৰী— | ৬৪ |
| প্ৰাত্যহিক | — | শ্ৰীজ্যোতিপ্ৰসাদ শৰ্ম্মা | ৬৮ |
| সম্পাদকীয় প্ৰতিবেদন সমূহ— | | | ৭২-৮৮ |
| ENGLISH SECTION : | | | |
| Juvenile Delinquency | — | Abdul Haque Ahmed, Head of the Deptt. Economics— | 1 |
| Mahatma Gandhi : A Unique personality | — | Sri Bhupati Das, Lecturer Deptt. of Education— | 4 |
| Love with you | — | Mostaque Gani— | 9 |
| The Moon | — | Sri Nipan Kachary— | 10 |
| Tourism industry in Assam: Problems and prospects | — | M. Gopal Singh Head of the Deptt. Geography— | 11 |

# ঃ তত্ত্বাৱধায়িকাৰ দু আষাৰ ঃ

আলপনা সৰকাৰ
তত্ত্বাৱধায়িক, বিকালী কলেজ আলোচনী
১ম বছৰ ১ম সংখ্যা।

সময় সমাগত—

বৰ্ত্তমান বিংশ শতাব্দী সমাপ্তিৰ পথত আৰু একবিংশ শতিকা সমাগত। একবিংশ শতিকাৰ দুৱাৰ দলিত থিয় হৈ আমি উন্নতি চাইছোঁ আমাৰ অতীতলৈ আৰু পৰ্য্যবেক্ষণ কৰিছোঁ আমাৰ ভৱিষ্যত প্ৰজন্মক।

অতীত আমাৰ আছে, এটি গৌৰবোজ্জল অতীত। ভাৰতবৰ্ষৰ অতীত ইতিহাস সনাতন ঐতিহ্যৰে সমৃদ্ধ। ইতিহাসে চুকি পোৱা যুগৰ আগৰে পৰা ভাৰতীয় ঐতিহ্য সংস্কৃতিয়ে মানুহৰ মনত দ সাঁচ বহুৱাইছে। নানা জাতি-উপজাতি, বিভিন্ন ধৰ্ম-সম্প্ৰদায়, ভিন ভিন সাজপোছাকৰ মাজতো অন্তঃস্ৰোতা ফল্গুৰ দৰে প্ৰতিনিয়ত প্ৰৱাহিত হৈ আছে ঐক্যসূত্ৰৰ এডাল এনাজৰী। বিভিন্ন সময়ত, প্ৰতিকূল বাতাৱৰণৰ মাজত, যুদ্ধৰ বিভিষিকাই, বিদেশীৰ আক্ৰমণে, পৰাধীনতাৰ গ্লানিয়ে আমাৰ ঐতিহ্যৰ ভেঁটি বহুবাৰ কঁপাই গৈছে কিন্তু কোনো পৰিস্থিতিয়েই আমাৰ সনাতন ঐতিহ্যক মষিমূৰ কৰিব পৰা নাই।

বৰ্ত্তমান যুগ অগ্ৰগতিৰ যুগ। পিছলৈ অথব কাষলৈ উভতি চোৱাৰ সময় আৰু প্ৰয়োজন যেন আমাৰ নোহোৱা হৈছে। আমাৰ এই অগ্ৰগতিত অৰিহনা যোগাইছে বিজ্ঞানৰ জয়যাত্ৰাই। কিন্তু গভীৰভাৱে মনোনিবেশ কৰিলে উপলব্ধি হয় যেন আধুনিক বিজ্ঞানে আমাক দিছে বেগ, কাঢ়ি নিছে আবেগ। আজি আমি ইমান বেছি যান্ত্ৰিক হৈ পৰিছোঁ যে ক্ৰমান্বয়ে মানবীয় আবেগ অনুভূতি সমূহ অন্তৰ্হিত হবলৈ আৰম্ভ কৰিছে। হত্যা, লুণ্ঠন, অপহৰণ আদি অন্যায়, অবিচাৰ, দুৰ্নীতি সমূহ চকুৰ সমুখত প্ৰত্যক্ষ কৰিও আমি হৈ ৰৈছোঁ কাঠৰ পুতলা সদৃশ।

ভাৰতীয় ঐতিহ্য সংস্কৃতিৰ মহত্বৰ স্বাক্ষৰ বহন কৰিছে ভাৰতৰ পূব প্ৰান্তত থকা অসমৰ সংস্কৃতিয়ে। কিন্তু বৰ্ত্তমান অপ সংস্কৃতি গা কৰি উঠি জাতীয় সত্বা কঁপাই তুলিছে। ছাত্ৰ সমাজ দেশৰ ধৰণী। সমস্ত অশুভ শক্তিৰ বিৰুদ্ধে যুজিবলৈ ছাত্ৰ সকলে প্ৰথমতে নিজক গঢ়ি তুলিব লাগিব একোজন মানুহ হিচাপে। 'ছাত্ৰাণাং অধ্যয়নং তপঃ— এই আপ্ত বাক্যষাৰ সাৰোগত কৰি চৰিত্ৰিক দৃঢ়তা মনসংযোগ, নিষ্ঠা আৰু একাগ্ৰতাৰ দ্বাৰা জ্ঞান আহৰণত ব্ৰতী হব লাগিব। কিয়নো শিক্ষা অসম্পুৰ্ণ হৈ থাকিলে সমাজ জীৱনত নানা

বিশৃংখলাৰ সৃষ্টি হোৱাৰ উপৰিও নিজে সেই বিশৃংখলতাৰ বলি হব লাগিব। 'বিদ্যা দদাতি বিনয়ম-কথাষাৰ মনত ৰাখি বয়োজেষ্ঠ জনক সন্মানজনক মনোভাৱ প্ৰদৰ্শনৰ জৰিয়তে নিজৰ কৰ্ত্তব্য সাধনৰ বাটত খোজ দিব লাগিব।

সুস্থ সবল জীৱনাদৰ্শৰ অভাৱে আমাৰ কুমলীয়া উত্তৰ পুৰুষক বিপৰ্য্যস্ত জীৱন যাত্ৰালৈ আগুৱাই লৈ গৈছে। বিভিন্ন জাতি-উপজাতি, ধৰ্ম সাম্প্ৰদায়িকতাৰ বিচ্ছিন্ন মনোভাৱে আমাৰ সাতাম পুৰুষীয়া সংস্কৃতিৰ বৰভেটি কঁপাই তুলিছে। এই সমস্ত আহুকালৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে আমাৰ আত্ম সমালোচনাৰ প্ৰয়োজন হৈ পৰিছে। আত্ম সমালোচনাই আত্মশুদ্ধিৰ প্ৰকৃষ্ট পথ। ঘৰখনেই মানুহৰ চৰিত্ৰ গঠনৰ প্ৰাথমিক পাঠশালা। গতিকে অভিভাৱক, শিক্ষক আৰু ৰাষ্ট্ৰীয় শিক্ষা আঁচনি সকলো মিলাই লৈ আমাৰ ছাত্ৰ ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে ধৈৰ্য্য সহকাৰে এক সুস্থ বাতাৱৰণ সৃষ্টি কৰি আমাৰ ভৱিষ্যত বংশধৰ সকলক গঢ় দিয়াৰ সময় সমাগত।

আলোচনী খনৰ আঁৰৰ বতৰা–

বিকালী কলেজ গোৱালপাৰা জিলাৰ পূব প্ৰান্তত অৱস্থিত ধূপধৰা অঞ্চলৰ অন্তৰ্গত ৫২ [বাৱন্ন] খন গাওঁৰ ৰাইজৰ সন্মিলিত প্ৰচেষ্টাৰ ফল। ১৯৮২ চনত স্থাপন হোৱা মহাবিদ্যালয় খনে বৰ্ত্তমান শৈশৱৰ দুৱাৰ দলি পাৰ হৈ কৈশোৰত পদাৰ্পন কৰিছে মাথোন। '৮২ চনৰ পৰা '৯৪ চনলৈ বাৰ বছৰৰ ভিতৰত দুবাৰ দুটা বছৰ বাদ দি বাকী ১০ বছৰে আমি আলোচনীখনৰ তত্ত্বাৱধায়িকা হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰি আহিছোঁ। প্ৰথম বছৰৰ পৰাই প্ৰতি বছৰে আলোচনী সম্পাদক সকলে আলোচনী এখন উলিয়াবলৈ আগ্ৰহ প্ৰকাশ কৰি আহিছে। ছাত্ৰ-ছাত্ৰী সকলৰ পৰা প্ৰবন্ধ পাতি সংগ্ৰহ কৰিছে যদিও সময়ত আলোচনী এখন প্ৰকাশ কৰিব পৰা হোৱাগৈ নাই। বিভিন্ন ধৰণৰ অভাৱে আমাক জুৰুলা কৰি ৰাখিছে। আলোচনী এখন প্ৰকাশ কৰাৰ কাৰণে যি পৰিমাণৰ অৰ্থ প্ৰয়োজন সেয়া আমাৰ হাতত নাছিল। মহাবিদ্যালয় খনৰ প্ৰথম কেইটামান বছৰ আলোচনীৰ নামত সংগ্ৰহ হোৱা অৰ্থ ছাত্ৰ একতা সভাৰ সমৰ্থন মৰ্মে বিভিন্ন শিতানত ব্যয় কৰা হৈছে। যাৰ ফলত আলোচনী বিভাগত অতি কম পৰিমাণৰ পুঁজিহে জমা হৈছে গৈ। নতুনকৈ স্থাপিত হোৱা মহাবিদ্যালয় এখনত অৰ্থৰ নাটনি থকাটো অতি স্বাভাৱিক। দ্বিতীয়তে উন্নত মান বিশিষ্ট লেখনী আমাৰ হাতত পৰা নাই। প্ৰতি বছৰে যথেষ্ট সংখ্যক প্ৰবন্ধ পাতি সংগৃহিত হৈছে যদিও আলোচনী এখন প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজনীয় লেখনীৰ অভাৱতেই আজি ১২ (বাৰ) বছৰেও মহাবিদ্যালয়ৰ আলোচনী খনে পোহৰৰ মুখ দেখা পোৱা নাই। এইবাৰ যোৱা ১২ বছৰে গোট খোৱা প্ৰবন্ধ পাতিৰ পৰাও কিছু নিৰ্ব্বাচন কৰি বৰ্ত্তমানৰ খিনিৰে

লগে লগাই মহাবিদ্যালয় খনৰ আলোচনী খনৰ প্ৰথম বছৰ প্ৰথম সংখ্যা প্ৰকাশ কৰা হ'ল। ইয়াৰ আগতে প্ৰতি বছৰে আমাৰ সাধ্যানুযায়ী প্ৰাচীৰ পত্ৰিকা এখোন প্ৰকাশ কৰা হৈ আছে।

আলোচনীখন প্ৰকাশ কৰিবলৈ লৈ আমি পুনৰ এটি গভীৰ সংকটত পৰিলোঁ। আলোচনী খনে পোহৰৰ মুখ চাবলৈ প্ৰস্তুতি চলাই থকা সময়তে অধ্যক্ষ শ্ৰীযুত দেৱ প্ৰসাদ শইকীয়া দেৱ পুনৰ আগৰ কলেজলৈ প্ৰত্যাৱৰ্ত্তন কৰে। লগে লগে প্ৰকাশ হ'বলগীয়া আলোচনী খন পুনৰ অন্ধকাৰতেই থমকি ৰয়। শেষত বৰ্ত্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হজৰত আলি আহমেদ, সহকৰ্মী শ্ৰীযুত বিভূতি কলিতা, এম, জি, সিংৰ সৈতে আলোচনা কৰি 'মহাবিদ্যালয় পৰিচালনা সমিতি'ক কিছু আৰ্থিক সাহায্য আগবঢ়াই আলোচনী খন প্ৰকাশ কৰাত সহায় কৰিবলৈ অনুৰোধ জনোৱা হয়। এই অনুৰোধ মৰ্ম্মে 'বিকালী মৌজা উন্নয়ন সমিতি'য়ে আমাৰ প্ৰয়োজনীয় অৰ্থ ঋণ হিচাপে আগবঢ়াই আলোচনী খন প্ৰকাশ কৰাত আমাক সহায় কৰে।

মহাবিদ্যালয়ৰ আলোচনী মহাবিদ্যালয় খনৰ মুখপত্ৰ। ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভা আলোচনীখনৰ মাজেৰেই প্ৰতিভাত হয়। সেয়েহে আলোচনী খন প্ৰতিবছৰে প্ৰকাশিত হোৱা প্ৰয়োজন যদিও আমাৰ অভাৱ অভিযোগবোৰ সেই প্ৰয়োজনৰ বাটত হেঙাৰৰূপে থিয় দি আছে। তথাপি পলমকৈ হলেও আলোচনী খনে পোহৰৰ মুখ চাবলৈ ওলোৱাত আমি সকলোৱে আনন্দিত।

কৃতজ্ঞতা স্বীকাৰ গভীৰ আৰ্থিক সংকটত জুৰুলা হোৱা অৱস্থাৰ পৰা যি সকলে আমাক উদ্ধাৰ কৰিলে "বিকালী মৌজা উন্নয়ন সমিতি'ৰ সেই সভাপতি, সম্পাদক তথা সকলো সদস্যকে আমি আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যদিও জানো অকল কৃতজ্ঞতা প্ৰকাশতেই তেওঁলোকৰ মহত্বৰ সম্পূৰ্ণ মূল্যায়ণ নহয়। মহাবিদ্যালয় পৰিচালনা সমিতিখনকো এইখিনিতে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয় খনৰ জন্মলগ্নৰে পৰা প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত প্ৰতিজন ব্যক্তিকেই আমি কৃতজ্ঞতাৰে সুঁৱৰিছো। লগতে শোভা প্ৰেছ [ গোৱালপাৰা ) ৰ স্বত্বাধিকাৰী তথা সমূহ কৰ্মচাৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। আমাৰ প্ৰাক্তন আলোচনী সম্পাদক মঃ মস্তাগ গনি, শ্ৰীমান জ্যোতি প্ৰসাদ শৰ্মাই মহাবিদ্যালয়ৰ স্বাৰ্থতেই নিজৰ স্বাৰ্থ তুচ্ছ কৰি সহায় কৰিবলৈ আগবাঢ়ি অহা বাবে আমি তেওঁলোকক মৰমেৰে সুঁৱৰিছোঁ। অধ্যক্ষ মহোদয় তথা সহকৰ্মী সকলৰ সহায় সহযোগে আমাক আগবাঢ়ি যোৱাত সাহস যোগাইছে। তেওঁলোকৰ

ওচৰত আমি কৃতজ্ঞ। বিভিন্ন সময়ত নানান ধৰণৰ আলৈ আহুকালৰ সন্মুখীন হৈছোঁ। যদিও সেইবোৰ 'অভিজ্ঞতাৰ পাচিত জমা ৰাখিলোঁ।

থ নুক থানাক মাতেৰে এখোজ দুখোজ কৈ আত্ম প্ৰকাশৰ বাটলৈ আগবাঢ়ি অহা আলোচনী খন ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়া হ'ল। ভুল ভ্ৰান্তিৰ বিচাৰ সুধী সমাজৰ হাতত। আমাৰ মাথো –

"কৰ্ম্মেন্যমধিকাৰমস্তি মা ফলেস্বু কদাচনম্।"

00000

---

⊕ এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একে কথা।

'মিল্টন'।

❀ আইনে তোমাৰ গালৈ দলিওৱা ইটা-শিলগুটিৰে তুমি এটা সুস্থিৰ ভেঁটি গঢ়িবলৈ যত্ন কৰা। সফল হ'বা।

—ডেভিদ ব্ৰিকলি ❀

◎ ৰাতি যিমানেই কঠিন হ'ব প্ৰভাত সিমানেই উজ্বল হ'ব। চাৰিওকালৰ পৰা আন্ধাৰে আৱৰি ৰাখিলেও ভয় নকৰিবা প্ৰভাত হবই।

—জ্যোতি প্ৰসাদ আগৰৱালা

# 'বিকালী'

শ্ৰীধনেশ্বৰ ৰাভা
সদস্য, মহাবিদ্যালয়
পৰিচালনা সমিতি।

বিকালী কলেজ বা মহাবিদ্যালয়ৰ বিষয়ে লেখাৰ আগতে 'বিকালী' নামৰ উৎপত্তিৰ বিষয়ে কিছু আভাস দিয়া প্ৰয়োজন। নামৰ লগত ৰজিতা খোৱা ঐতিহ্য সকলোৰে আছে – কিছুমান সঁচা, কিছুমান মিছা, কিছুমান কাল্পনিক আৰু কিছুমান পৰম্পৰাগতভাৱে চলি অহা কিম্বদন্তি। গৱেষক সকলেহে ইয়াৰ সম্যক সন্ধান দিব পাৰে। সেই কাৰণে কিছুমান ঘটনা বা দুৰ্ঘটনাৰ সত্যতা নিৰূপনৰ বাবে আয়োগ গঠন কৰে। তাকেই তদন্তৰ প্ৰতিবেদন বোলা হয়। তাতো শুনা মতে, জনামতে, কোৱামতে বা দেখামতে বুলি উদ্ধৃতি দি গৱেষক সকলে বা আয়োগে পাল মাৰে। তথাপি তাকেই আমি সত্য বুলি মানি লওঁ।

উদাহৰণ স্বৰূপে Public Works Department (P. W. D)ক আমি অসমীয়া সকলে 'গড়কাপ্তানী বিভাগ' বুলি কওঁ। এই অনুবাদটো কোনো পণ্ডিতেই মানি নলব। তথাপি কিয় কোৱা হয়? বৃটিছৰ দিনত 'গড়' নামে এজন নিপুন কৰ্মদক্ষ চিপাহী আছিল। ভৌগোলিক জ্ঞানো অপাৰ। এই চিপাহী জন শেষত কেপ্টেইন পদলৈ উন্নীত হ'ল। দুৰ্গম হাবিবন কাটি, বাটপথ উলিয়াই যাতায়াতৰ সুব্যৱস্থা কৰাৰ বাটকটীয়া ৰূপে গোটেই কোম্পানীতে তেওঁৰ নাম ৰৌজাল বৌজাল হ'ল। ইংৰাজ সকল এই বিষয়ত বৰ সত্য সন্ধানী জাতি। প্ৰকৃত মানুহৰ গুণৰ পৰিচয় পালে যোগ্যতাৰ পুৰস্কাৰ দিয়াত কোনো ধৰণৰ কৃপণালী তেওঁলোকে কৰা নাছিল। অৱশেষত Public Works Department' বিভাগটোৰে অসমীয়া নাম 'গড় কাপ্তানী বিভাগ' ৰাখি কেপ্টেইন গড় চাহাবৰ গুণ আৰু যোগ্যতাৰ যুগমীয়া স্বীকৃতি দিলে। যেনেকৈ 'কটন চাহাবৰ' নামেৰে অসমৰ প্ৰথমখন কলেজ 'কটন কলেজ' হ'ল। আজি কিন্তু 'গড়' নামৰ এই স্বনামধন্য অসমীয়া কৰ্মবীৰ জনাৰ কোনো স্থিতিগত পৰিচয় আমাৰ মাজত নাই। আনকি তেওঁৰ কৰ্ম্মজীৱনৰ কৃতিত্ব অথবা তেওঁৰ সাধাৰণ জীৱনী এখনো আমাৰ হাতত নাই ড০ সূৰ্য্য কুমাৰ ভুঞাই গৱেষণা পদ্ধতিৰে কঠোৰ শ্ৰম কৰি 'আনন্দৰাম বৰুৱাৰ' বৃহৎ

জীৱনী লেখি নিজেও মহানুভৱতাৰ পৰিচয় দিলে লগতে আনন্দৰাম বৰুৱাৰ জীৱন তথ্যও উদ্ঘাটন কৰি জীৱনী সাহিত্যৰ সম্পদ আৰু আদৰ্শৰ চানেকি চিৰ যুগমীয়া কৰি থৈ গ'ল। এই অৱদান আমি আজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰো। সেয়ে আমাক আজি এই লেখিয়া কালজয়ী জীৱনীকাৰ লাগে ; যিয়ে আমাক প্ৰকৃত 'হিৰা'ৰ চিনাকী দিব পাৰে।

'বিকালী' শব্দটো ৰো এই ধৰণৰ কাহিনী আছে। কোনো ব্যক্তিয়ে ইয়াৰ সম্যক সন্ধান দিব পৰা নাই। সকলোবোৰেই পাহৰণিৰ গৰ্ভত লীন হৈ গ'ল। কবিৰ সেই হা-হুমুনীয়াহ—

'কোৱা পাহৰণি তোমাৰ পেটত
কতনো ৰাখিছা বুৰঞ্জী সুমাই,
চিন্তিলে এবাৰ মৰোঁ পুৰি দেই,
কত জাতি-কীৰ্তি খালা গিলি হায়!'

অগ্নি কবি জনাৰ এই উক্তি আওঁৰাই জঠৰ হৈ বহি থকাৰ বাদে আমাৰ কি কাম আছে? বিকালীৰ বিষয়ত আমি মাথোন জানো—
১) বিকালি ডিহি ২) বিকালি কছাৰী ৩) বিকালি চাৰি পাটগিৰী কমিটি ৪) বিকালি বাৰো পাটগিৰী সমাজ ৫) তপ্লে বিকালী ৰাভা সমাজ ৬) বিকালি গাওঁপঞ্চায়ত ৭) বিকালী ৰাজ্যিক চিকিৎসালয় ৮) বিকালী মৌজা উন্নয়ন সমিতি ৯) বিকালী মহাবিদ্যালয় ১০) দক্ষিণ বিকালী হাইস্কুল ১১) উত্তৰ বিকালী হাইস্কুল ১২) পূৰ বিকালী ৰাভা সমাজ ১৩) উত্তৰ বিকালী ৰাভা সমাজ। ১৪) দক্ষিণ বিকালী ৰাভা সমাজ আদিহে। মহাফেজ খানাত উদ্ঘাটন কৰিলে এই নামৰ বহুতো তথ্য আমাৰ মাজলৈ আহিব। ইয়াৰ উপৰিও এই 'বিকালীৰ' নামতেই এটি 'বিধান সভাৰ সমষ্টি'—গঠন প্ৰক্ৰিয়াৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে।

"বিকাৰাম নামৰ" এজন মানুহৰ নামেৰে এই ঐতিহাসিক নামৰ উৎপত্তিৰ কি সত্যতা থাকিব পাৰে তাকো আমি নাজানো। এওঁ কি গুণৰ অধিকাৰী আছিল, এওঁৰ জীৱনৰ মহত্তম অৱদান, পিতা-মাতা জন্মস্থান, কৰ্ম্মৰ লীলাভূমি আদি একোৱেই পাবলৈ নাই। অথচ তেওঁ আমাৰ স্মৃতিত যুগমীয়া হৈ থাকিল। গঙ্গাচৰণ পাটগিৰীয়ে—'বিকাৰাম নামৰ মানুহ জনৰ পৰাই বিকালী নামৰ উৎপত্তি হ'ল বুলি কৈ যোৱাৰ বাহিৰে আন একো জানিবলগীয়া তথ্য আমাক দি যাব নোৱাৰিলে। অথচ কেপ্টেইন 'গড় চাহাবৰ দৰে 'বিকাৰাম' এজন মানুহেই আছিল।

এতিয়া আমাক এজন সূৰ্য্য কুমাৰ ভূঞা লাগে। এইহেন মানুহ বিকালী কলেজতে ওলাওঁক, উলিয়াওঁক। সঁচা মানুহৰ সঁচা কাহিনী আমাক লাগে। গুণগত অৱদানৰ স্বীকৃতি যি জাতিয়ে দিব নাজানে সেই জাতিৰ কোনো ভৱিষ্যত নাই। এই আশাকে বুকুত বান্ধি আমি ৰাইজে শৈক্ষিক অনুষ্ঠান সমূহ গঢ়িব ধৰিছোঁ। ভগবানে কৃপা কৰক। জয়তু বিকালী কলেজ।

---

(প্ৰবন্ধটোত বিকালী শব্দটো ঠায়ে ঠায়ে হ্ৰস্বই কাৰ আছে। তথ্যগত দিশৰ পৰা অসুবিধা হব পাৰে বুলিয়েই শব্দবোৰত হাত ফুৰোৱা নহ'ল। (তত্বাৱধায়িকা)

# প্ৰবন্ধমালা

পৰ্যবেক্ষণ, চিন্তা আৰু অভিজ্ঞতাৰ দ্বাৰা পুষ্ট নাতিদীৰ্ঘ ৰচনাকেই প্ৰবন্ধ বুলি কোৱা হয়।

***********

# ধুপধৰাৰ অতীত আৰু বৰ্ত্তমান

শ্ৰী বিভূতি কলিতা
মুৰব্বী, প্ৰবক্তা, বুৰঞ্জী বিভাগ

ধুপধৰাক কেন্দ্ৰ কৰি প্ৰায় ৫২ খন গাওঁ সামৰি ৩৫ হেজাৰমান জন সংখ্যাৰে গঠিত আমাৰ এই বিকালী মৌজা। এই গাওঁ সমূহে বিভিন্ন জনগোষ্ঠীৰ অধিবাসী আৰু ভিন ভিন ধৰ্মৰ লোকেৰে বিস্তৃত। সদায় সকলো ধৰ্ম তথা জনগোষ্ঠীৰ প্ৰতি পাৰস্পৰিক বুজাপৰা আৰু সহায় সহযোগিতা বিৰাজমান হৈ আছে।

ভৌগলিক দিশৰ পৰা গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ একেবাৰে পূৰ্ব প্ৰান্তত আৰু দক্ষিন কামৰূপ আৰু দক্ষিন গোৱালপাৰাৰ সংযোগ স্থলত ধুপধৰা অৱস্থিত। গতিকে মেঘালয়, কামৰূপ আৰু গোৱালপাৰাৰ কেন্দ্ৰস্থল বুলি কব পাৰি, আনহাতে যাতায়াত, ব্যৱস্থাৰো সংযোগ স্থলী বুলি উল্লেখ কৰিব পাৰি; আৰু সেয়েহে ব্যৱসায় বানিজ্যয়ো যথেষ্ট প্ৰসাৰতা লাভ কৰিছে।

ধুপধৰা আৰু এই অঞ্চলটোৰ নাম বিকালী মৌজা কিদৰে হয় তাৰ কিছুমান কিংবদন্তি তথা ঐতিহাসিক তথ্য পোৱা যায়। ধুপধৰা অঞ্চলৰ লোক সকলে এটা সময়ত ধুপ তৈয়াৰ কৰাত যথেষ্ট দক্ষতা আছিল বাবে তেনেকৈয়ে ধুপধৰা নামৰ উৎপত্তি হোৱা বুলি কব পাৰি। সৰহ ভাগ মানুহেই ধুপগছৰ আঠাৰ পৰা ধুপকাঠি তৈয়াৰ কৰি জীবিকাৰ সমল হিচাবে বজাৰত বিক্ৰীও কৰিছিল। অৱশ্যে এই ধুপকাঠি পূজা পাৰ্ব্বনৰ উদ্দেশ্যেই তৈয়াৰ কৰা হয়। আজিৰ পৰা প্ৰায় ২৫ বছৰ মান আগতে ধুপধৰাত তৈয়াৰ হোৱা ধুপকাঠি ওচৰৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰা হৈছিল। বৰ্ত্তমানো ইয়াৰ তৈয়াৰ ব্যৱস্থা কিছু পৰিমানে অব্যাহত আছে। আন এটি জনশ্ৰুতি মতে শ্ৰীকৃষ্ণই কুণ্ডিলৰ পৰা ৰুক্মীনিক হৰণ কৰি আনি ইয়াত জিৰণি লৈছিল। জিৰনীৰ সময়ত শ্ৰীকৃষ্ণ আৰু ৰুক্মীনিৰ মাজত ঢোপ খেল অনুষ্ঠিত হৈছিল। দুয়োজনৰ মাজত ঢোপ ধৰা ধৰি হৈছিল কাৰণে পিছলৈ ধুপধাৰা নামকৰণ কৰা বুলি বহুতে কব বিচাৰে। আকৌ কিছুমানৰ মতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে এই ঠাইৰ মাজেৰে যোৱাত গুৰুজনাক আদৰিবলৈ ধুপধুনাৰ পয়োভৰ হৈছিল আৰু সেই বাবেও সময়ৰ লগে

লগে ধুপধৰা নামেৰে জনাজাত হৈছে বুলি কব খোজে।

ইংৰাজ শাসন কালৰে পৰা গোৱালপাৰা জিলাৰ কিছু অংশত বিজনীৰাজৰ শাসন চলিছিল। তেতিয়াই গোৱালপাৰা জিলাৰ পূৰ্ব প্ৰান্তত সীমাত থকা কেইখনমান মৌজাক লৈ ৰাজহৰ সুবিধাৰ বাবে এখন 'ডিহী' গঠন কৰিছিল আৰু নাম দিয়া হৈছিল 'বিকালী ডিহী'। দেশ স্বাধীন হোৱাৰ পাছত বিজনী-ৰাজ শাসন চৰকাৰী কৰণ হয় যদিও বিকালী নামটো আজিলৈ প্ৰচলিত হৈ আছে। বিভিন্ন বাৰে বৰনীয়া জাতি গোষ্ঠীৰ সমাবেশেৰে মহিমা মণ্ডিত এই 'বিকালী মৌজা'। বিকালী বাসী ৰাইজৰ মাজত সদ্ভাব আৰু একতাৰ বান্ধোন শক্তিশালী কৰাৰ মূলতে হ'ল বিকালী মৌজা উন্নয়ন সমিতি। বিকালী ডিহীৰ সকলো ওচৰ চুবুৰীয়া (৫২ খন) গাওঁ লগ লাগি শিক্ষা, সংস্কৃতি, ৰাস্তাঘাট নিৰ্মান, অৰ্থনৈতিক, সামাজিক আদি সকলো দিশৰ উন্নতি কল্পে জাতি ধৰ্ম বৰ্ণ নিৰ্ব্বিশেষে গণতান্ত্ৰিক ভেঁটীত ১৯৬৭ চনতে বিকালী ডিহী উন্নয়ণ সমিতিৰ জন্ম হয় যদিও পিছলৈ ১৯৭১ চনত ই 'বিকালী মৌজা উন্নয়ণ সমিতি' নামেৰে নামাকৰণ কৰা হয়। আটাইতকৈ প্ৰশংসনীয় আৰু শলাগিব লগীয়া কথা এই যে বিকালী মৌজা উন্নয়ণ সমিতিয়ে ৫২ খন গাওঁৰ মাজত সদ্ভাব বজাই ৰাখি ধুপধৰা সাপ্তাহিক বজাৰৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি আৰ্থিক সাফল্য লাভ কৰাৰ লগে লগে ধুপধৰা তথা সংশ্লিস্ট গাওঁ সমূহৰ উন্নতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আৰ্থিক অনুদান আগবঢ়োৱা। এনেকুৱা বিভিন্ন জাতি উপজাতিৰ মাজত জাতি ধৰ্ম বৰ্ণ নিৰ্ব্বিশেষে ঐক্য-সংহতি অটুট ৰাখি মত বিনিময়ৰ মাজেৰে সামাজিক আৰু অৰ্থনৈতিক প্ৰগতিৰ পথ সৃষ্টি কৰিব পৰা অনুষ্ঠান অসমতে বিৰল বুলিব পাৰি।

ধুপধৰাৰ বিষয় কোৱাৰ আগতে বিকালীৰ জন গাথনি আৰু প্ৰধান গাওঁ সমূহৰ বিষয় কিছু অৱগত কৰা দৰকাৰ। বিভিন্ন জনগোষ্ঠী বাস কৰি থকা গাওঁ সমূহৰ বিশদ বিবৰণ সহজতে শেষ কৰিব নোৱাৰি। তথাপি সংক্ষিপ্ত ভাবে শালপাৰা, অম্বুক, কোঠাকুঠি, মাছলাম, পিপলিবাৰী, যোগীপাৰা, আমবাৰী, খেকাপাৰা, বাগডোবা, দিঘলী, শাছিবড়ী, চাপলাই, বৰদল, বেহিমাৰী, তেলিপাৰা ইত্যাদি। এই গাওঁ সমূহত সকলো সম্প্ৰদায়ৰ লোকে বাস কৰা দেখিবলৈ পোৱা যায়। সকলো সম্প্ৰদায়ৰ লোকৰ মাজত পাৰস্পৰিক বুজা পৰা আৰু সহযোগিতা সদা বিৰাজমান। প্ৰত্যেকে নিজা ধৰ্ম ব্যৱস্থা সমূহ পৰম্পৰাগত ভাবে সদায় পালন কৰি আহিছে। বহু সময়ত আঞ্চলিক ভিত্তীত সহযোগিতাৰ মাজেৰে কিছুমান সামাজিক বা ধৰ্মীয় উৎসৱ পালন কৰা হয়।

ধুপধৰাৰ অতীত অৱস্থালৈ যদি আমি চাওঁ তেতিয়া হলে দেখা যায় ধুপধৰাৰ বৰ্ত্তমান উন্নতি তথা প্ৰগতিৰ মূলতে আছিল কেইজনমান

সমাজকর্মী ব্যক্তিৰ একান্ত কঠোৰ পৰিশ্ৰম, ত্যাগ, একাগ্ৰতা আৰু নিস্বাৰ্থ সেৱা। এই ক্ষেত্ৰত আমি সদায় অগ্ৰজ আৰু অনুজ সকলৰ নাম স্মৰণ কৰি থাকিব লগিব।

১৯৫০ চনতে ধুপধৰাত নাট্য সম্মিলনৰ জন্ম হয়। যাৰ ফলত ধুপধৰা আৰু ইয়াৰ আশে পাশে নাট মঞ্চস্থ আৰু নাট্য কলা সংস্কৃতি বিকশিত হবলৈ ধৰে। সেই সময়তে ১৯৫৩ চনত ধুপধৰাৰ চুবুৰীয়া গাওঁ মাহলামত মঞ্চবিহুৰ প্ৰচলন আৰম্ভ হয়। ১৯৫৪ চনত ধুপধৰাতো হয় মঞ্চবিহুৰ শুভ আৰম্ভ। ৰাভা, বড়ো, গাৰো কৃষ্টি প্ৰদৰ্শনৰ উপৰিও বিহু গীত, হুচৰি আদি বিভিন্ন গীত মাতৰ মাজেৰে এই মঞ্চবিহুৰ প্ৰচলনে কঢ়িয়াই আনিছিল ধুপধৰা আৰু ইয়াৰ আশে পাশে থকা ৰাইজৰ মাজত জাতীয় সমন্বয়, সংহতি আৰু একতাৰ বান্ধোন। ১৯৫০ চনত এই অঞ্চলৰ জনসাধাৰণৰ কলাকৃষ্টি, সাহিত্য, খেলাধুলাৰ উন্নতি কল্পে ধুপধৰা মিলন সংঘৰ জন্ম হয়। জন্ম লগ্নৰে পৰা আজিলৈকে ধুপধৰা মিলন সংঘই এই অঞ্চলৰ এক উল্লেখযোগ্য অনুষ্ঠান হিচাবে স্বীকৃতি লাভ কৰাৰ লগতে কলা-কৃষ্টি, সাহিত্য, বিভিন্ন খেল ধেমালি আদি সকলো দিশতে এই অঞ্চলৰ যুৱ শক্তিক সৰ্ব্বতো প্ৰকাৰৰ ইন্ধন যোগাই প্ৰেৰণা দি আহিছে। ইয়াৰ জৰিয়তে পুথি-ভঁৰালৰো সু-ব্যৱস্থা ৰখা হৈছে।

ধুপধৰা ৰাইজৰ মাজত একতা আৰু পাৰম্পৰিক বুজাপৰা সুদৃঢ় কৰাৰ আন এটি উল্লেখযোগ্য ৰাজনৈতিক অনুষ্ঠান হ'ল 'ধুপধৰা তিনিদলীয়া ৰাইজ'। ধুপধৰাৰ তিনিখন সমাজৰ পৰা নিৰ্ব্বাচিত বা মনোনীত প্ৰাৰ্থীৰে নতুবা সদস্যৰে গঠিত ধুপধৰা তিনি দলীয়া ৰাইজ। এই অনুষ্ঠানটিৰ জন্ম হয় আনুমানিক ১৯২৫ চনত। এই অনুষ্ঠানটিৰ মাজেৰে বিশেষকৈ ধুপধৰাৰ অন্তৰ্গত ৰাইজৰ মাজত উদ্ভৱ হোৱা সমস্যা সমূহ ন্যায়, সততা আৰু বুজাপৰাৰ মাজেৰে সমাধান কৰাৰ লগতে এই অঞ্চলৰ ৰাস্তাঘাট নিৰ্মান, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানলৈ সময়ে সময়ে দি অহা আৰ্থিক বৰঙনিৰও এক লেখত লবলগীয়া সাফল্য। স্থানীয় তথা ইয়াৰ আশে পাশে থকা গাওঁ সমূহৰ বিভিন্ন সমাজকৰ্মী ব্যক্তি সকলৰ ঐকান্তিক প্ৰচেষ্টা আৰু ত্যাগৰ ফলত ধুপধৰাত ডাকঘৰৰ সম্প্ৰসাৰণ, ১৯৬৫ চনতে প্ৰতিষ্ঠিত ধুপধৰা আৰক্ষী চকী থানালৈ ৰূপান্তৰিত। ১৯৫৪ চনত স্থাপিত হোৱা ধুপধৰা ৰূপজ্যোতি সাহিত্য সভাই বৰ্ত্তমান সাহিত্য সংস্কৃতিৰ দিশত এক বলিষ্ঠ পদক্ষেপ লোৱা, বেঙ্ক প্ৰতিষ্ঠা, চৰকাৰী বাচ আস্থান, ধুপধৰা ৰাজ্যিক চিকিৎসালয়, ধুপধৰা ব্যৱসায়ী সন্থা আদি অনুষ্ঠানে ধুপধৰাৰ প্ৰগতিৰ ক্ষেত্ৰত পুৰণি ইতিহাসৰ কথা নিশ্চয় আমাৰ মনলৈ আনিব।

তদুপৰি শিক্ষাৰ দিশত ১৯৫৫ চনত জন্মলাভ কৰা ধুপধৰা হাইস্কুল, ১৯৭৫ চনত প্ৰতিষ্ঠা হোৱা ধুপধৰা ছোৱালী হাইস্কুল,

খঁয়ৰুদ্দিন আদর্শ প্ৰাথমিক বিদ্যালয় ধুপধৰা প্ৰাথমিক বিদ্যালয়, ইচলামপুৰ প্ৰাথমিক বিদ্যালয় আদি শিক্ষা অনুষ্ঠান সমূহে প্ৰতিষ্ঠা কালৰে পৰাই এই পিছ পৰা অনুন্নত অঞ্চলৰ ৰাইজৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটাবলৈ সকলো সময়তে যৎপৰোনাস্তি প্ৰচেষ্টা চলাই আহিছে। তদুপৰি বিকালী মৌজা উন্নয়ন সমিতি, ধুপধৰা তিনি দলীয়া ৰাইজ আৰু এই এলেকাৰ বহুজন ব্যক্তিৰ দান বৰঙনি ত্যাগ আৰু অশেষ চেষ্টাৰ ফলশ্ৰুতি হিচাবে গঢ় লৈ উঠা ১৯৮২ চনত জন্ম লাভ কৰা বিকালী মহাবিদ্যালয়খন এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল বা অনুষ্ঠান বুলিব পাৰি। ওচৰ চুবুৰীয়া বিভিন্ন হাইস্কুলৰ পৰা উত্তীৰ্ণ হৈ অহা ছাত্ৰ-ছাত্ৰীয়ে ইয়াত ভৰ্ত্তী হৈ আশানুৰূপ ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। অন্যহাতে আৰ্থিক দিশত পিচপৰা অভিভাৱক সকলৰ লৰা-ছোৱালী কলা বিষয়ত শিক্ষা লাভ কৰিবলৈ দূৰলৈ নপঠিয়াই ইয়াতে নামভৰ্ত্তি কৰি আৰ্থিক দিশত কিছু পৰিমানে সকাহ পাইছে।

ধুপধৰাৰ অতীত আৰু বৰ্ত্তমান আলোচনা কৰিলে যদিও দেখা যায় যে অতীতৰ বুকুতেই বৰ্ত্তমানৰ জন্ম তথাপি বৰ্ত্তমানৰ ধুপধৰাৰ আয়তন, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ, জনসংখ্যা বৃদ্ধি, যাতায়তৰ কেন্দ্ৰস্থল আদিয়ে সকলো পিনৰ পৰা ধুপধৰাক দক্ষিণ গোৱালপাৰাৰ ভিতৰতে এখন উল্লেখযোগ্য ঠাই হিচাবে চিহ্নিত কৰিছে। জানিব পৰা মতে ধুপধৰাক (semi town) সৰু চহৰ হিচাবে ঘোষণা কৰা হৈছে। যদিও বৰ্ত্তমান ধুপধৰা আৰু ইয়াৰ ওচৰৰ গাওঁ সমূহত কিছুমান নতুন নতুন অনুষ্ঠান প্ৰতিষ্ঠান প্ৰতিষ্ঠিত হব ধৰিছে, তথাপি সেয়াই বৰ্ত্তমান আয়তনলৈ চাই যথেষ্ট নহয়। এতিয়াও বহুতো অভাৱ ধুপধৰাৰ ৰাইজে বাৰুকৈয়ে অনুভৱ কৰি আহিছে। ইয়াৰ লগতে সৃষ্টি কৰিব লাগিব শান্তিকামী বাতাবৰন আৰু শিক্ষা, সাহিত্য, কলা-কৃষ্টিৰ উৎকৰ্ষ সাধনৰ মাজেৰে ভাতৃত্ব আৰু একতাৰ বান্ধোন।

ধুপধৰাৰ ভৱিষ্যত আৰু সুদৃঢ় মহিমাময়ী কৰি তুলিবলৈ হলে আমি বৰ্ত্তমানক নতুন নতুন পৰিকল্পনাৰে নতুনৰ সৃষ্টি কৰিব লাগিব। তেতিয়াহলেহে ধুপধৰাৰ অতীত ইতিহাস বিশ্বৰ বুকুত স্মৰণীয় হৈ ৰব। এই ক্ষেত্ৰত বিকালী মৌজা উন্নয়ন সমিতি, ধুপধৰা তিনি দলীয়া ৰাইজ আৰু এই অঞ্চলৰ বিভিন্ন সমাজ সচেতক সমাজকৰ্মী ব্যক্তি সকলৰ ত্যাগ আৰু নিস্বাৰ্থ কৰ্মইহে ধুপধৰাৰ অতীত স্মৰণীয় কৰিব পাৰিব। বিকালী অঞ্চলত জন্ম লাভ কৰা বিভিন্ন সৰু বৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ সৃষ্টিৰ দ্বাৰাই এই অঞ্চলৰ কেন্দ্ৰস্থল ধুপধৰা সকলো প্ৰকাৰৰ একতা, সদভাৱ আৰু সহযোগিতাৰ মাজেৰে প্ৰগতিৰ দুৱাৰ দলিত আগবাঢ়িব লাগিব।

আজি সমস্ত বিশ্বজুৰি এক আমুল

পৰিবৰ্ত্তন পৰিলক্ষিত হৈছে। নবীন যুৱ শক্তিয়ে বিশ্বৰ চাৰিওপিনে গা কৰি উঠিছে। ই জাতিৰ বাবে বা সমাজৰ বাবে এক শুভ লক্ষন বুলিব পাৰি। সেয়ে আমাৰ এই অঞ্চলত উঠি অহা যুবক সকলৰ মাজত ত্যাগ, ঐকান্তিকতা আৰু সদভাৱৰ উদয় হওক। তেওঁলোকে আমাৰ পূৰ্ব্বপুৰুষ আৰু বৰ্ত্তমানৰ অগ্ৰজ সকলে দেখুৱাই অহা ত্যাগৰ মহামন্ত্ৰৰে দীক্ষিত হৈ বিকালী অঞ্চলৰ ৰাইজৰ মাজত সমন্বয় আৰু একতাৰ এনাজৰি কটকটীয়া কৰাৰ লগতে এই অঞ্চলৰ আধৰুৱা হৈ থকা অনুষ্ঠান, প্ৰতিষ্ঠানৰ পূৰ্ণতা সাধন কৰা নতুন নতুন অনুষ্ঠানৰ জন্ম দিয়া, বৰ্ত্তমানে আউল লগা আমাৰ কলাকৃষ্টি, সাহিত্য সংস্কৃতি সুস্থ সবল কৰি তোলাত নিশ্চয় আগভাগ লব আৰু বিশ্বৰ দৰবাৰত বিকালী তথা ধুপধৰাৰ সুনাম অক্ষয় অমৰ হৈ চিৰদিন জীয়াই থাকিব।

জয়তু বিকালী, জয়তু ধুপধৰা।

---

বিঃ দ্ৰঃ--(লেখকৰ অজ্ঞতাৰ বাবে যদি কিবা প্ৰয়োজনীয় তথ্যৰ ভুলক্ৰুটি হৈছে তাৰ বাবে লেখকে মাৰ্জ্জনা বিচাৰিছে।)

যি শুদ্ধ, সত্য, পৱিত্ৰ সেয়ে চৰিত্ৰ। য'ত পাপ নাই তাতে চৰিত্ৰৰ থিতি। হিংসা, দ্বেষ, পৰশ্ৰীকাতৰতাই যাক চুব নোৱাৰে চৰিত্ৰই তাকে আশ্ৰয় লয়। দয়া, ক্ষমা, পৰোপকাৰ যাৰ ধৰ্ম্ম তাৰ গাতে চৰিত্ৰই জিৰনি লয়। বিনয়, নম্ৰতা, নিষ্ঠতা যাৰ স্বভাৱৰ গুণ তাৰ লগতে চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ। ভক্তি, শ্ৰদ্ধা, প্ৰীতি যাৰ আচৰণ তাৰ লগতে চৰিত্ৰৰ সৰ্ব্বসঙ্গতি।

—পদ্মনাথ গোহাঞি বৰুৱা—

# "বিকালী কলেজত অধ্যক্ষ হিচাবে এটি সোঁৱৰণ"

ড° ব্ৰজেন্দ্ৰ নাথ ৰায় চৌধুৰী
প্ৰাক্তন অধ্যক্ষ, বিকালী কলেজ ধুপধৰা

নগাওঁ ছোৱালী কলেজত (নগাওঁ) প্ৰায় একাদশক কাল শিক্ষা বিভাগত অধ্যাপনা কৰাৰ পিচত ইং ১৯৮৪ চনৰ আগভাগত বিশ্ব বিদ্যালয়ৰ মঞ্জুৰি আয়োগৰ (U G C) Teacher Fellowship লৈ সম্পূৰ্ণ তিনি বছৰৰ বাবে (Ph. D degree (গুৱাহাটী বিশ্ববিদ্যালয়ত গবেষণা কৰিবলৈ লওঁ।

গৱেষনা কৰি থকা সময়ত বিকালী কলেজৰ অধ্যক্ষ পদ এটিৰ বাবে Assam Tribune ত এটি সৰু জাননী পাওঁ। (Public Advertisement) দৰ্খাস্ত এখন কৰি থলো, এনেয়ে এটি অভিজ্ঞতা হওক বুলি। যথা সময়ত সাক্ষাতকাৰৰ বাবে মতা হল। গৱেষণাৰ কামত ব্যস্ত থকা বাবে আৰু অধ্যক্ষ হোৱাৰ বাবে কোনো প্ৰস্তুতি নথকাত সাক্ষাতকাৰলৈ যোৱা নহল।

কিছুদিন পিচত শ্ৰী ৰবীন ৰায় চৌধুৰী (খেকাপাৰা) আমাৰ গুৱাহাটীৰ ঘৰলৈ আহি মোক এবাৰ ধুপধৰাত গৈ কলেজখন চাই আহিবলৈ অনুৰোধ কৰিলে। মই তেখেতক কৈছিলো যে যদিও মই দৰ্খাস্ত কৰিছিলো কিন্তু বৰ্ত্তমান মই যাব নোৱাৰিম। তেখেতে তথাপি এটা অনুৰোধ কৰিলে যে অহাটো দেওবাৰে কলেজৰ সকলো কৰ্মকৰ্ত্তাই ৰৈ থাকিব, এনেয়ে এবাৰ দেখা দি আহিলে বেয়া নহয়, কাৰন ৰাইজে মোৰ ওচৰলৈ তেখেতক পঠিয়াইছে। তেখেত আমাৰ পুৰনি ঘৰৰ লোক, গতিকে তেখেতৰ কথা পেলাব নোৱাৰি মই এনেয়ে এবাৰ যাম বুলি কলো। কথাদিয়ামতে এদিন ধুপধৰাৰ বিকালী কলেজলৈ গলো। ৰাইজক হাতজোৰ কৰি মই অধ্যক্ষ হিচাপে আহিব যে নোৱাৰো সেই কথা কৈ গুচি আহিলো। মোৰ সেই সময়ত দুটা সমস্যা হৈছিল। এটা হল Confirmed চাকৰিটো [ অধ্যাপক, নগাওঁ ছোৱালী কলেজ ] আৰু Teacher Fellowship টো Surrender কৰাৰ।

বিকালী ৰাইজে কিন্তু মোৰ পিচ নেৰিলে। বিশেষকৈ মঃ ইচমাইল আলি [ সভাপতি বিকালী কলেজ ] আৰু শ্ৰীযুত যজ্ঞেশ্বৰ কলিতা [ তেতিয়াৰ সম্পাদক ]

মঃ ইচমাইল আলি মহাশয়ে কেইবাদিনো মোক গুৱাহাটীত লগ পায় আৰু অধ্যক্ষ হৈ যাবলৈ বাৰেপতি অনুৰোধ কৰে। তেখেত ,এনেকুৱা কিছুমান কথা কৈছিল, এদিন গুৱাহাটীৰ দীঘলী পুখুৰিৰ পাৰত মই তেখেতক প্ৰায় একৰকম কথা দিছিলো। এই ক্ষেত্ৰত সেই সময়ৰ সন্দিকৈ ছোৱালী কলেজৰ অধ্যক্ষ ড' ৰত্নকান্ত বৰুৱা দেৰেও মোক ধুপধৰালৈ গৈ অধ্যক্ষ হিচাপে যোগদান কৰিবলৈ কলে ।

এদিন আমাৰ গুৱাহাটীৰ ঘৰলৈ শ্ৰীযুত যজ্ঞেশ্বৰ কলিতা, শ্ৰীযুত নবীন ৰায় চৌধুৰী আৰু শ্ৰীযুত যোগনাৰায়ন পাঠক মহাশয়ে নিয়োগ পত্ৰ এখন লৈ আহি মোক বিকালী কলেজৰ অধ্যক্ষ হিচাপে join কৰিবলৈ অনুৰোধ কৰিলে ।

বহুদিনৰ পৰাই সমাজ সেৱা কৰাৰ ইচ্ছা এটা আছিল। মই নিজে শিক্ষা বিষয়ৰ অধ্যাপক আছিলো আৰু ভাবিছিলো যে সমাজ সেৱা অবিহনে শিক্ষা সম্পূৰ্ণ নহয়। শিক্ষাৰ যোগেদি সমাজ সেৱাৰ মন এটি আছিল। "Education is not complete with just getting a degree. It is much more than that complete Education means you are getting involved with community" এটা অন্তনিৰ্হিত শক্তি আৰু মনোবলে মোক বিকালী কলেজলৈ টানি লৈ আহিল। ১৯৮৪ চনত মই বিকালী কলেজৰ অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহন কৰো। ঘৰত মোৰ দেউতাৰ ঘোৰ আপত্তি স্বত্বেও মই গুছি আঁহো। ইতিমধ্যে নগাওঁ ছোৱালী কলেজৰ পৰা অব্যাহতি লওঁ। U. G C, Teacher Fellowship Surrender কৰি গৱেষণাৰ কাম আধৰুৱা কৰো।

বিকালী কলেজলৈ আহিলোৱেই যেতিয়া, আন্তৰিকতাৰে কলেজখনৰ সকলো ফালৰ উন্নতিৰ বাবে ৰাইজৰ লগত সহযোগ কৰি কলেজখনৰ কামবোৰ আগবঢ়াই লৈ যাওঁ। কলেজখনৰ Permission affiliation, মাটি, ঘৰ দুৱাৰ, শৈক্ষিকদিশ, আদি সকলো দিশৰে উন্নতিৰ বাবে কামত আত্মনিয়োগ কৰো। প্ৰয়োজনীয় সকলো কাম সম্পূৰ্ণ কৰি ১৯৯০ চনত কলেজখন Deficit grant in aid হব লাগে বুলি অসম চৰকাৰলৈ Proposal পঠিয়াইছিলো। সেই মৰ্মে ১৯৯২ চনত চৰকাৰে বিকালী কলেজ খন ঘাটি মঞ্জুৰি লৈ [ Deficit grant in aid ] আনে। মই ইতিমধ্যে ১৯৯১ চনত শেষৰ ফালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰিত যোগদান কৰোঁ।

কলেজখনত মই অধ্যক্ষ হৈ থকা সময়ত কি কাম কৰিলো, সেয়া ৰাইজেহে কব। কিন্তু কিছুমান উল্লেখযোগ্য কামৰ বিবৰন দিলো। সকলো কথা এই সৰু লিখনিত প্ৰকাশ কৰা

সম্ভৱ নহয়। ভৱিষ্যত বিকালী মহাবিদ্যালয়ৰ ওপৰত আধাৰিত এখন গ্ৰন্থ লিখাৰ পৰিকল্পনা আছে। বহু ধুমুহাৰ পিচত এদিন বিকালী কলেজখন ঠন ধৰি উঠিছিল।

বিকালী কলেজত অধ্যক্ষৰ দায়িত্ব গ্ৰহন কৰিয়েই, ৰাইজৰ আৰু পৰিচালনা সমিতিৰ সৌজন্যত অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী সকলৰ বাবে এটি কলেজৰ নিজা Pay scale প্ৰৱৰ্ত্তন কৰো লগতে মৰগীয়া বানচ, ঘৰ ভাড়া ইত্যাদিৰো ব্যৱস্থা কৰা হয়। কলেজখন ঘাটি মঞ্জুৰি পোৱা লৈকে উক্ত নিয়ম চলি আছিল

বিকালী মৌজা উন্নয়ন সমিতিখন আছিল একপ্ৰকাৰ চৰকাৰৰ দৰে। ৫২ খন গাওঁ মিলি উন্নয়নৰ বাবে ধুপধৰা বজাৰ ডাক দি সমিতিয়ে পৰিচালনা কৰিছিল। বিকালী মৌজা উন্নয়ন সমিতিয়ে বিকালী কলেজখন সম্পূৰ্ণ কৰাৰ বাবে সকলো ধৰনৰ সাহায্য আগবঢ়াইছিল। শ্ৰীযুত অন্নদা হাজৰিকা, মঃ ওচমান গনি, শ্ৰীধনেশ্বৰ ৰাভা, শ্ৰীযুত হৰনন বসুমতাৰী প্ৰমুখ্য বিকালী অঞ্চলৰ সকলো ৰাইজে অনুষ্ঠান খনৰ বাবে সহায় সহযোগ আগবঢ়াইছিল। অধ্যাপক অধ্যাপিকা আৰু কৰ্মচাৰী সকলৰ দৰমহা ইত্যাদিৰ বাবে কোনো দিনেই বিশেষ চিন্তা কৰিব লগীয়া হোৱা নাছিল। সেয়েহে কলেজৰ আন কাম সমূহ অতি সোনকালে আৰু তৎপৰতাৰে সম্পূৰ্ণ কৰিব পৰিছিলো।

বিকালী কলেজৰ ঘৰ-দুৱাৰ নিৰ্ম্মানৰ বাবে, ৰাস্তাঘাট, গছ ইত্যাদি ৰোৱাৰ বাবে ক্ৰমে বিকালী মৌজা উন্নয়ন সমিতি, ধুপধৰা তিনদলীয়া ৰাইজ, অসম চৰকাৰ আৰু বিকালী বাসী ৰাইজৰ সহায় সহযোগৰ বাবে বিকালী কলেজে পূৰ্ণ পৰ্য্যায় পায়।

কলেজখনৰ আভ্যন্তৰীন কাম কাজত অধ্যাপক, অধ্যাপিকা, কৰ্ম্মচাৰী সকলৰ সহায় সহযোগে মোক প্ৰেৰণা দিছিল। কলেজ খনৰ Permission, affiliation. recognition, Govt. Concurrence, Adhoc grants, Schoolarships, Examination Centres, ইত্যাদি বহু কামত দেহে কেহে খাটিছিলো আৰু সম্পূৰ্ণ কৰিছিলো।

বিকালী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মৰম স্নেহ, অধ্যাপক অধ্যাপিকা আৰু কৰ্ম্মচাৰী সকলৰ সহযোগে মোক কলেজখনৰ গুৰি ধৰি আগবঢ়াই নিবলৈ সুযোগ দিছিল। বিশেষকৈ প্ৰদীপ, জলিল, গজেন আদিয়ে মোৰ লগত ছাঁটোব দৰে থাকি কলেজৰ কামত সহায় কৰিছিল। আজি সেইবোৰ কথা মনত পৰিলে আনন্দাশ্ৰু নিগৰে।

বহু মিঠা-তিতা কেহা অভিজ্ঞতা আহৰন কৰিলো। ব্যক্তিগত বহুকথা, প্ৰাপ্যখিনি পৰিহাৰ কৰিও বিকালী কলেজৰ উন্নতিৰ

হকে চিন্তা কৰিছিলো আৰু কৰোঁ।

সদায় আগলে চোৰা সকলো মানুহৰে অভ্যাস। মানুহৰ মন সদায় একে নেথাকে। ইতিমধ্যে মই আধৰুৱা হৈ থকা Ph. D. Degree টো লও আৰু ১৯৯১ চনৰ জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়লৈ গুচি আহোঁ। জীৱনৰ এটি গুৰুত্বপূৰ্ণ সময় মই বিকালী কলেজৰ অধ্যক্ষ হিচাপে অতিবাহিত কৰোঁ। অভিজ্ঞতা, ধৈৰ্য্য, প্ৰশাসনীয় চিন্তাধাৰাৰে পৰিপুষ্ট নোহোৱা হলে হয়তো বহু কথাই আধৰুৱা হৈ থাকিলেহেতেন। সেয়েহে বিকালী বাসী ৰাইজ, অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সকললৈ এই লিখাটিৰ যোগেদি মোৰ আন্তৰিক শুভেচ্ছা সদায়েই যে বিকালী কলেজখনৰ সৈতে জৰিত আছে তাকেই ব্যক্ত কৰিলো।

মোৰ অধ্যক্ষ কালত আলোচনীখন উলিয়াব নোৱাৰিলো। কিন্তু পুজি এটা গঠন কৰি থৈছিলো। আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বাবে আনন্দিত হৈছো।

মই যিখিনি কাম কৰি সম্পূৰ্ণ কৰিব নোৱাৰিলো আশাকৰো বৰ্ত্তমানৰ অধ্যক্ষ শ্ৰীযুত শইকীয়াদেৱে সম্পূৰ্ণ কৰিব। তেখেত মোৰ অতি পুৰনি বন্ধু।

শেষত বিকালী কলেজৰ উন্নতি কামনা কৰি মোৰ এই লিখাটি সামৰিলো।

সাহিত্য হৈছে এটা জাতিৰ জাতীয় জীৱনৰ প্ৰতিকৃতি। .... .... এটা জাতিৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ বিষয়ে যি সাধনা সেয়ে সেই জাতিৰ সাহিত্য। যি জাতিৰ সাহিত্য নাই, সেই জাতি জীয়াই থাকোতেও মৰা।

....হেমচন্দ্ৰ গোস্বামী....

# ঃ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু তেওঁৰ সপোনৰ অসম :

শ্ৰী নবীন হাজোৰাৰী
স্নাতক ২য় বৰ্ষ

বিষ্ণুৰাভা এজন দূৰদৰ্শী তথা সৰ্ব্বগুনাকৰ পুৰুষ আছিল। তেওঁ শয়নে সপোনে অসম আৰু অসম বাসী ৰাইজৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰিছিল। অসমত বাস কৰা জনগোষ্ঠীৰ মাজত বিচৰণ কৰি কলা সংস্কৃতি বিলাই ফুৰাই আছিল তেওঁৰ এটা মূখ্য অভ্যাস, কাৰ্য্য। সেয়ে খেতিয়ক সকলৰ মাজত গাইছিল

"বল্ বল্ বল্ বল্
কৃষক-শক্তিদল।
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ বল্
জাগ্ জাগ্ জাগ্ জাগ্ .... ....
মজদুৰ-ন-জোৱান।
নিৰ্য্যাতিত নিপীড়িত
কৃষক শক্তিমান।....
তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল
ৰণৰ শিঙা বাজে শুন্ ঐ
আগবাঢ়ি যাওঁ বল্।"

এইদৰেই অসমৰ নিষ্পেষিত সকলৰ লগত স্বাভাবিকতে তেওঁৰ এক নিবিড় আত্মীয়তা গঢ়ি উঠিছিল ; আৰু তেওঁ কৈছিল যে "অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতা নিৰ্য্যাতিত নিষ্পেষিত, দুখীয়া গাওঁলীয়া কৃষক বনুৱা অসমীয়া ইহে আজিও অবহেলিত ভাবে জীয়াই ৰাখিব পৰিছে, যি বিলাকেৰে আজিও আমি গৌৰব অনুভৱ কৰিব পাৰো, অসমীয়া বুলি জগতক চিনাকিদিব পাৰোঁ।" কেবল অসমৰে নহয় বিশ্বৰ সকলো ঠাইৰে কৃষ্টি সংস্কৃতিৰ ধাৰক আৰু বাহক প্ৰকৃততে শোষিত, নিষ্পেষিত কৃষক বনুৱা সকলেহে বুলি বিষ্ণুৰাভাই বিশ্বাস কৰিছিল। তেওঁ এই প্ৰসঙ্গতে এজন সতীৰ্থক এই দৰে কৈছে— "সমাজ ব্যৱস্থাৰ আমুল পৰিবৰ্ত্তনত যিয়েই বিশ্বাসী হব পাৰিব, সেইজনহে প্ৰকৃততে বিপ্লৱী। অসমীৱা সমাজখনৰ ভিতৰতে আবদ্ধ নাথাকি সমগ্ৰ ভাৰতবৰ্ষ তথা বিশ্বৰ সৰ্ব্বহাৰা সমাজখনৰ পৰিবৰ্ত্তনৰ ওপৰত বিশ্বাসী হব লাগিব। সেই বুলি অসমীয়া সমাজখনৰ কথা বাদ দিলেও নচলিব, অসমত অসমীয়া

ভাষা সংস্কৃতি ৰক্ষা কৰিহে এখন শ্ৰেণীহীন ভ্ৰাতৃত্বমূলক সমাজ গঢ়িব লাগিব। সচাকৈয়ে তেওঁ চিন্তাশীল, নিষ্ঠাবাদী এজন অভিনৱ পুৰুষ আছিল; আৰু তেওঁৱেই আকৌ কৈছিল "অসমীয়া সমাজক একগোট কৰি গোটাব পাৰিলেহে আমাৰ আৰ্থিক, ভাষা আৰু সংস্কৃতিৰ উন্নয়ন হব আৰু জীয়াইও থাকিব। জাতি জনজাতিৰ ভিতৰত থানবান হলে জাতি গোষ্ঠী মৰিব।" এই প্ৰসঙ্গতে বড়ো সকলক 'অসমীয়া সভ্যতাৰ দাপোন' আখ্যাদি তেওঁ কৈছে "বড়ো-কছাৰী সকল শংকৰ দেৱৰ জোঁৱাই যিহেতু হাড়িয়া মণ্ডলৰ বংশৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ গুৰি গছ মেছ, বা বড়ো কছাৰীৰ পৰাই অহা। গতিকে শংকৰদেৱৰ সংস্কৃতি বড়ো-কছাৰীৰ অতিকে আপোন।" উল্লেখযোগ্য যে শংকৰদেৱৰ জ্ঞাতি জীয়েক ভুবনেশ্বৰীক চিলাৰায় দেৱানে বিয়া কৰাইছিল। সেইদৰেই শংকৰদেৱৰ কথা সকিয়াই তেওঁ অসমবাসীক এই দৰে কৈছিল "নিজস্ব বৈশিষ্টখিনি শক্তিশালী কৰি উমৈহতীয়া অসমীয়া সংস্কৃতি হিচাপে শ্ৰীমন্ত শংকৰদেৱৰ মহান সংস্কৃতি আদৰি লৈহে অসমীয়া জাতি একতাবদ্ধ আৰু শক্তিশালী হব। প্ৰতিজন অসমীয়াক গুৰু দায়িত্বৰ কথা সোঁৱৰাই এইদৰে সংকল্প হৃদয়ত লৈ তেওঁ আহ্বান জনাইছে।

মোৰ জীৱনৰ আকাশতে
ইন্দ্ৰ ধনু গঢ়িম।
সাত ৰঙৰে মীনা কৰাই
মৰমেৰে তৰিম।
কিন্‌কিনিয়া চকুৰলোৰে
ছমনিয়াহৰ ভাপ কাণেৰে
প্ৰণয় সুকুষ দেৱতাৰে
জিলিকনি সানিম।
মেহুৰ মেঘৰ মাদল কোবাই
গগন গগনা আল্‌ফুলে বাই ॥
বিজলী নটীৰ নাচোনটী চাই ॥
দেওদি দেউদি নাচিম ॥

আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত, অসমক মৰিবলৈ নিদিও। অসমৰ বুকুত বৈচিত্ৰৰ মাজত ঐক্যৰ দোলেৰে গাঁথি তুনাই শক্তিমান অসমীয়া জাতি গঢ়ো। তেওঁ আৰু কৈছে "তই যিয়েই নহয়, তই কিন্তু আমাৰ মাজত এটা অসমীয়া, আমি সকলো অসমীয়া।' অসমৰ বিভিন্ন জাতি গোষ্ঠিক অসমীয়া বুলিহে পৰিচয় দিবলৈ তেওঁ কৈছে "তোৰ পৰিচয় অসমীয়া বুলিহে, পৰিচয় লুইতৰ পাৰৰ মানুহে জানে। বড়ো, মৰান, কছাৰী, বামুন, আহোম কোচ, কলিতা, কায়স্থ, চুতিয়া বুলি নহয়। অসমীয়া হৈ তই বিশ্বৰ বহল পথাৰলৈ যাবি, লগত লৈ যাবি গামোচা আৰু শৰাই।" তেওঁ অসমৰ পৰ্ব্বত ভৈয়াম সকলোকে অসমীয়া বুলিহে বিশ্বত নিজৰ নাম উজলাই তুলিবলৈ আহ্বান জনাইছে। তেওঁ আৰু আশা কৰিছিল অসমীয়াই প্ৰাচীন কালৰ অসমীয়া ভগ-

দত্তৰ দৰে জগতৰ কুৰুক্ষেত্ৰৰ সন্মান আৰু মহা মানৱতাৰ ঠাই জুৰি ৰহিব। কৰতোৱা নৈৰ পৰা দিকৰ বাসিনী নৈলে অসমৰ বিস্তৃতি আকৌ বাঢ়িব বুলি আশা কৰা ৰাভা দেৱৰ সেই সপোন বাস্তৱত পৰিণত নোহোৱাটো দুখৰ বিষয় আৰু দুখতে শেষ কালছোঁতাত তেওঁ গাইছিল।

এয়ে মোৰ শেষ গান।
মোৰ জীৱন-নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান ॥
গাতনিতে বালোঁ ধেমালী নান্দী
ভঙ্গী সূত্ৰ ধাৰ
হাঁহি বিননিয়ে ভাও দিলোঁ নানা
বোৱালোঁ অশ্ৰুধাৰ
নৱ-নৱ ৰসে বালোঁ ভাৱ নাৱ
আশাৰ নিৰাশাৰ
আজি হ'ব মোৰ জীৱন নাটৰ
ভাওনাৰ অৱসান ॥
নীল আকাশত পুঁৱতি তৰা
চিমিকি চিমিকি জ্বলে
সিও যাব নুমি একে নিশাহতে
বেলিৰ পোহৰ পালে।
ঠগীৰ লগৰে বন্তিৰ শিখা
নুমো নুমোকই নাচে।
খৰমান তালৰ কল্যান ৰাগৰ
ছেৰে অপৰূপ ঠাচে।
দোষে গুনে হ'ল ভাৱনাৰ শেষ
পুৱঁতি তৰাওঁ নুমে
বাঁহৰ আগেদি উষাৰ বেলিয়ে
ৰঙামুখ তুলি জুমে
শিখাৰ লগৰী বিদায় ৰাগিনী
ৰাইজৰ পদচুমে
আজি হ'ল মোৰ জীৱন নাটৰ
ভাওনাৰ অৱসান ॥

সহায় লোৱা পুথি:— ১। "অসমীয়া কৃষ্টিৰ চমু আভাস।
২। 'আৱাহন' ( ২য় বছৰ একাদশ সংখ্যা )
( "বৃহত্তৰ অসমৰ কল্পনা" নামৰ প্ৰবন্ধৰ পৰা )

# ৰঘুনাথ চৌধাৰীৰ কবিতাত "প্ৰকৃতি"

॥ শ্ৰীৰত্না দাস ।
স্নাতক ২য় বাৰ্ষিক

ৰঘুনাথ চৌধাৰী ৰোমাণ্টিক যুগৰ কবি সকলৰ ভিতৰত নিসন্দেহে অন্যতম শ্ৰেষ্ঠ কবি। এতিয়াৰ পৰা প্ৰায় এশ বছৰ আগতে কামৰূপ জিলাৰ উত্তৰ পাৰে লাওপাৰা নামৰ গাওত ১৮৭৮ খৃঃৰ মাঘ মাহৰ ৫ তাৰিখে কবি চৌধাৰীয়ে জন্ম গ্ৰহন কৰে। নিচেই কেচুৱা কালত পিৰালীৰ পৰা পৰি কবিৰ ভৰি দুখন নিশকতীয়া হয়। যাৰ ফলত গোটেই জীৱন তেওঁ বিকলাঙ্গ ৰূপে থাকিব লগা হয়। ইয়াৰোপৰি লৰালি কালত পোৱা নানা পাৰিবাৰিক দুৰ্যোগে কবিৰ কোমল হিয়াত বাৰুকৈয়ে ছাপ পেলায়। যাৰ ফলত কবিৰ পিচৰ জীৱন ছোৱাত এখন নতুন সংসাৰ ৰচনা কৰা সম্ভৱ হৈ নুঠিল। কবিয়ে বৈৰাগী জীৱন যাপন কৰিব ললে। প্ৰকৃতিকে কবিয়ে প্ৰেমিকা হিচাপে লৈ জীৱনৰ বাকীছোৱা কাল অতিবাহিত কৰিব বিচাৰিলে, জীৱনৰ নোপোৱা খিনি কবিতাৰ মাজেৰে পূৰাব বিচাৰিলে। কবিয়ে প্ৰকৃতিৰ লগত আত্মীয়তা কৰিব বিচাৰিলে। প্ৰকৃতিৰ বাহ্যিক বৰ্ণালিতে কবি মুগ্ধ হৈ থকা নাই, হৃদয়েৰে উপলব্ধি কৰিব বিচাৰিলে।

আধুনিক শিক্ষাৰ ৰ'দ কাচলিত শিক্ষা লাভ কৰিব নোৱাৰিলেও কবিয়ে নিজ প্ৰতিভাৰ জৰিয়তে, বাস্তৱ জ্ঞানৰ অভিজ্ঞতাৰ জৰিয়তে যি সাহিত্যৰ সৃষ্টি কৰি থৈ গ'ল সেই খিনিয়ে অসমীয়া সাহিত্যক এক নতুন ৰূপ প্ৰদান কৰিলে। সৃষ্টিৰ পাতনিৰে পৰা কল্পনাপিপাসু কবিসকলক প্ৰকৃতিয়ে বিভিন্ন ৰূপত দেখা দি আহিছে। চৌধাৰীদেৱৰ কবিতাতো প্ৰকৃতিয়ে স্বকীয়া ৰূপ পাইছে। বিশ্ব-প্ৰকৃতিৰ স্তূপিকৃত ৰূপ একেলগে উপভোগ নকৰি উপভোগ কৰিছে বেলেগে বেলেগে চৰাই, চৰাই জীৱন আৰু প্ৰকৃতি সম্ভাৰৰ মাজেৰে। ইয়াৰে কবি চৌধাৰীয়ে চৰাই জীৱনক লৈ লিখা প্ৰধান কবিতা ৰাজিৰ বাবে তেখেত অসমীয়া সাহিত্যত 'বিহগী কবি' ৰূপে খ্যাতি অৰ্জন কৰিব পাৰিছে। কিন্তু এই চৰাই বিষয়ক কবিতা কেইটিৰ উপৰিও কবিয়ে অকল ফুল আৰু প্ৰকৃতি সম্ভাৰক লৈ ৰচনা কৰা কবিতা কেইটিয়েও এক স্বকীয়া মূল্য লাভ কৰিছে।

'ফুল'ৰ বৰ্ণনাত তেখেতৰ অপূৰ্ব কবিত্ব শক্তি প্ৰকাশ পাইছে। তেওঁৰ বৰ্ণনাত ফুলে অকল সৌন্দৰ্য্যৰ আলোড়নেই তোলা নাই, ই মানব হৃদয়ত কামনাৰ জুইও জ্বলায়। কবিৰ গিৰিমল্লিকা, ভেটকলি, গোলাপ যেন একো একোটি অশৰীৰী জীৱ। বিলৰ বুকুত শোভা কৰি থকা 'ভেটকলি' ফুল পাহে যিদৰে তেওঁৰ মানস পটত সৌন্দৰ্য্যৰ পোহাৰ মেলিছিল তেনেদৰে লুইতৰ সেউজীয়া বননিৰ মাজত সুশোভিত হৈ ফুলি থকা "গিৰিমল্লিকা" ইও প্ৰকৃতি দেৱীক অপৰূপ কৰি তুলিছে। গিৰি-মল্লিকাৰ সৌন্দৰ্য্যই কবিক আপ্লুত কৰি তুলিছে, গিৰিমল্লিকাৰ পৰশত প্ৰাণ পৰিতৃপ্ত কৰিবলৈ কবি যেন ব্যাকুল হৈ উঠিছে।

"প্ৰাণপ্ৰিয় আজি মোৰ বিজন কুঞ্জত
তুলিবানে লয়লাসে হাঁহিৰ তৰঙ্গ।"

মনিকৰ্ণেশ্বৰ পৰ্ব্বতৰ পদ প্ৰান্তত ফুলি থকা মল্লিকা ফুল যেন ফুল নহয়, কবিৰ মনত তাই এগৰাকী শাপগ্ৰস্তা স্বৰ্গৰ অপ্সৰী।

ফুল বিষয়ক কবিতাবোৰৰ ভিতৰত 'গোলাপ' কবি চৌধাৰীৰ এটি শ্ৰেষ্ঠ কবিতা। সৰ্বসাধাৰণৰ মনত আনন্দৰ পৰশ দিয়া ফুল-পাহেই কবিৰ কল্পনাত মনমোহা ৰূপ ধাৰণ কৰিছে। শ্যামলী পাতৰ ওৰণি গুচাই ভূবন ভুলোৱা হাঁহি মৰা গোলাপক তেখেতে এগৰাকী ৰূপহী গাভৰু হিচাপে প্ৰকাশ কৰিছে। তেওঁৰ কল্পনাই সুদূৰ অতীতলৈ উৰা মাৰিছে।

"তোৰেই ৰূপত জগত বিভোল
ঢালিলি প্ৰেমৰ বিমল ধাৰা,
দিল্লী বেগম নুৰজাহানৰ
আছিলিনে তয়ে দিল বাহাৰা ?"

সাহিত্য সমাজৰ দাপোন স্বৰূপ। কবি বা লিখকে তেওঁলোকৰ সমসাময়িক সমাজ খনক বাদ দি আগবাঢ়িব নোৱাৰে। যি সাহিত্যৰ মাজেৰে সামাজিক দিশ প্ৰতিফলিত নহয় সেই ৰচনাৰ সাহিত্যিক মূল্য যথেষ্ট কম দেখা যায়।

কবি চৌধাৰীৰ ৰচনাত আমি অসমীয়া সমাজৰ সম্পূৰ্ণ চিত্ৰ ফুটি উঠা দেখিবলৈ পাইছো। "বহাগীৰ বিয়া" কবিতাটিৰ মাজেৰে কবিয়ে বসন্ত কালৰ মনমোহা ৰূপ প্ৰকাশৰ লগে লগে অসমীয়া সমাজৰ বিয়া এখনৰ স্পষ্ট ৰূপ প্ৰকাশ কৰিছে। বহাগীক এগৰাকী অসমীয়া গাভৰুৰ ৰূপত অতি সুন্দৰ ভাবে অংকন কৰি সজাই তুলিছে। 'কন্দৰ্প কুমাৰ প্ৰেমিক বসন্তই' দৰা সাজি অসমীৰ চোতাললৈ বহাগীক বিবাহৰ নিমিত্তে সাজি কাজি আহিছে। বহাগীৰ বিয়াৰ বতৰা পাই প্ৰকৃতিৰ জড় জগত, জীৱ জগত সকলোৰে গাত তৎ নাইকীয়া হৈ পৰিছে। পলাশ, মদাৰ, চম্পা, মালতী, নাগেশ্বৰ সকলোৱে নতুন সাজ পৰিধান কৰিছে, কেতেকীয়ে বিয়াগীত জুৰিছে। প্ৰকৃতিয়ে অকৃপন ভাবে ৰূপ ৰস ঢালি দি সজাই তুলিলে বহাগী জনীক কইনাৰ ৰূপত।

"পিন্ধালে ময়ুৰে গোমচেং মেখেলা
ভমকা ফুলীয়া চাই,
দিলে বুটা তুলি ফুল বছা ৰিহা
ৰচকী পখিলা বাই।"
"পিন্ধিলে কাণত ডালিম ফুলৰ
বাখৰ পতোৰা কেৰু
হাত দুখনিত কুঞ্জলতিকাৰ
সোণ খটা মুঠি খাৰু।

উষাৰাণীয়ে কপালত তিলক আকি দিলে, বিবিধ ফুলে বহাগীৰ দীঘল বেণীৰ আকাৰে খোপা সজাই তুলিলে। দৰা অহাৰ পিছত কইনাঘৰৰ যি উৰুলি মঙ্গলধ্বনি, বাদ্য আদি বজোৱা হয় তাৰ বৰ্ণনা দিবলৈও কবিয়ে পাহৰি যোৱা নাই। মুঠতে কবলৈ গলে ওপৰৰ বিয়াখনৰ পৰা চৰাই, ফুল আদিৰ নামবোৰ পৰিহাৰ কৰিলে সেইখন এখন অসমীয়া সমাজৰ বিয়া অনুষ্ঠান।

তেখেতৰ "ছায়াচিত্ৰ" কবিতাটিত ভাবৰ ফালৰ পৰা ইংৰাজী কবিতা "The sands of the Dee" ৰ লগত বহু পৰিমানৰ মিল থাকিলেও কামত কলহ লৈ নৈৰ পানী তুলিবলৈ যোৱা ৰূপহী গাভৰু গৰাকী সম্পূৰ্ণ অসমীয়া চিত্ৰপটত আঁকা। তাইৰ ৰূপৰ তুলনাও ঘৰুৱা উপমা—

"আহা কি অপূৰ্ব্ব ৰূপৰ মাধুৰী
দশন মুকুতা পাতি
পকা বিম্বফল সদৃশ লাৱণ্য
হেঙুলীয়া ওঠ দুটি।" ( ছায়াচিত্ৰ )

সন্ধ্যা-ললিতা-কান্তাৰ সৈতে অৱস্থিত সন্ধ্যাচল পাহাৰ আৰু নানা প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ ইয়াৰ পাদদেশেই তাহানিৰ মহামুনি বশিষ্ঠাশ্ৰম যিয়ে সংসাৰ পথৰ পথিকৰ তাপিত জীৱন শীতল কৰাৰ একমাত্ৰ শান্তি নিকেতন।

হে পথিক ! জুৰোৱাহি তাপিত জীৱন,
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল,
ভাগৰুৱা পথিকৰ শান্তি নিকেতন
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল।
[ বশিষ্ঠাশ্ৰম ]

কবিৰ প্ৰকৃতি বিষয়ক কবিতাৰাজি অনুপম বৰ্ণনাৰে কবিয়ে অতি নিখুঁত ভাবে অংকন কৰিছে, আৰু ইয়াৰ মাজেৰে যেন প্ৰকৃতি দেৱীয়ে সাৰ্থকতা লাভ কৰিব পাৰিছে।

কবি চৌধাৰীৰ কবিতাত প্ৰাচ্য আৰু পাশ্চাত্যৰ কবিতাৰ প্ৰভাৱ আছে যদিও নিখুঁত চিত্ৰকল্প, পৰিবেশ, কল্পনা, বৰ্ণনা আদিত কবিৰ নিপুনতা অধিক ভাবে প্ৰকাশ পাইছে। তদুপৰি কবিৰ ৰচনাৰীতিত তৎসম শব্দৰ লগত ঘৰুৱা শব্দৰ সংমিশ্ৰন ঘটি নতুন মাধুৰ্য্য প্ৰকাশ কৰিছিল। নিভাঁজ অসমীয়া, জাতীয় জীৱন

ছুই যোৱা কল্পচিত্ৰ আৰু উপমাৰে তেওঁৰ কবিতা সমৃদ্ধ। চিত্ৰৰ বিচিত্ৰতা চৌধাৰী কাব্যৰ অন্যতম আকৰ্ষন। এনে ধৰণৰ ভালে মান চিত্ৰ সংস্কৃত কাব্য আৰু ভাবৰ আলমত গঢ়ি লৈ উঠিছে। বিষয় বস্তুৰ ওপৰত কল্পনাৰ হেঙুল হাইতাল সানি কম বেচি পৰিমানে নতুন ৰূপত ছবিবোৰ গঢ় দি লৈ তাৰ অৱলম্বনত নিজ ৰচনাৰ প্ৰাসঙ্গিক আৰু অৰ্থব্যঞ্জক চিত্ৰবোৰ নিখুঁত ভাবে আঁকিব পাৰিছে। কল্পনা আৰু বাস্তৱক এক সাঁচত ঢালি অনুভূতিৰ উষ্মাৰে থিৰ লগোৱা এই চিত্ৰবোৰে অতীত বৰ্ত্তমানৰ সীমাৰেখা যেন নাইকীয়া কৰি দিছে আৰু কবিৰ অভিপ্ৰেত ভাব অধিক স্পষ্ট কৰি তুলিছে।

কবিয়ে প্ৰকৃতিকে বিভিন্ন ৰূপত কল্পনা কৰি, প্ৰকৃতিৰ সতে অতি আত্মীয়তা লাভ কৰিব পাৰিছিল। জগতৰ সমস্ত সাংসাৰিক দুখ-সুখৰ আঁতৰত থাকি কবিয়ে প্ৰকৃতিকে আৰাধনা কৰি গ'ল, প্ৰকৃতিয়ে কবিৰ হতাশ গ্ৰস্ত মনক শান্তিৰ বা দি গ'ল। কবিৰ প্ৰকৃতিৰ প্ৰতি থকা এই মহানুভৱতাই আমাক তেখেতৰ এই অমূল্য 'প্ৰকৃতি' বিষয়ৰ কবিতা ৰাজি প্ৰদান কৰি থৈ গ'ল। অসমীয়া কাব্য সাহিত্যত কবি চৌধাৰী এটি উজ্জ্বল নক্ষত্ৰ সদৃশ।

এখন বেয়া কিতাপতকৈ ভয়াবহ ডকাইত আন একো হ'ব নোৱাৰে।

····ছেক্সপীয়েৰ

ভুল বা দোষ স্বীকাৰ কৰাটো বাঢ়নীৰে জাবৰ সাৰি নিয়াৰ নিচিনা আৰু আটাইতকৈ বেছি পৰিস্কাৰ কৈ সৰা ঠাই ডোখৰৰ দৰে হয়।

মহাত্মা গান্ধী

# বিশ্ব বিখ্যাত কাৰ্টুন শিল্পী ঃ ৱাল্ট ডিচ্‌নী

।। শ্ৰীপঙ্কজবীৰ দাস ।।
স্নাতক ২য় বাৰ্ষিক



সম্প্ৰতি দূৰদৰ্শন যোগে আমি প্ৰায়ে ( বিশেষকৈ দেওবাৰে ) 'মিকি-মাউচ', 'ডনাল্ড-ডাক্', আদি কাৰ্টুন ছবি দেখিবলৈ পাওঁ আৰু এই ছবিবোৰ দেখি শুনি সকলোৱে কম-বেচি পৰিমানে আমি সুখ দুখ আনন্দ আদি লাভ কৰোঁ সেয়ে চিনাকী বা পৰিচয় হবলৈ মন যায় সেইজন মানুহৰ সতে যিজন মানুহে এই সুন্দৰ ছবিবোৰ সৃষ্টি কৰিছে । কিয়নো যি গৰাকী ব্যক্তিয়ে কাৰ্টুন ছবিক প্ৰথম শাৰীৰ কলাত পৰিণত কৰিছে ; যি গৰাকী ব্যক্তিয়ে বিখ্যাত আমোদ উদ্যান 'ডিচনী লেণ্ড' নিৰ্মান কৰিছে ; সেই গৰাকী বাৰু সাধাৰণ ব্যক্তিনে ?

এই বিখ্যাত মানুহজন হ'ল ৱাল্ট এলিয়াচ ডিচ্‌নী ; যাৰ জন্ম হৈছিল চিকাগো মহানগৰীত ১৯০১ চনৰ ৫ ডিচেম্বৰত । কিন্তু চিকাগো মহানগৰীত জন্ম লাভ কৰিছিল যদিও ৱাল্টৰ শৈশৱ পাৰ হয় 'গাহৰি ৰখীয়া' হিচাপে মিচৌৰী ৰাজ্যৰ মাৰ্চেলিনৰ এটি কৃষি পামত । ৱাল্ট ডিচ্‌নীৰ সৰুৰে পৰাই

( ৮ )

'চিত্ৰাঙ্কন'ৰ প্ৰতি বিশেষ ধাউতি আছিল আৰু সেইবাবে তেওঁ আজৰি পৰত্ৰ 'চিত্ৰাঙ্কন' অভ্যাস কৰি সময় অতিবাহিত কৰিছিল। এই চিত্ৰাঙ্কনৰ প্ৰতি বিশেষভাৱে ককায়েক ৰয়, পেহীয়েক মাগেৰেট আৰু গাৱৰে চিকিৎসক ডা° চে'ৰউদে অধিক প্ৰেৰণা যোগায় আৰু যাৰ ফল স্বৰূপে ওৱাল্ট আজি এগৰাকী 'বিখ্যাত কাৰ্টুন চিত্ৰকৰ' হিচাপে সমগ্ৰ বিশ্বত খিয়াতি লভিবলৈ সক্ষম হৈছে।

ডিচনীয়ে সৰুৰে পৰাই প্ৰায় গোটেই জীৱন জুৰি অনেক বাধাৰ সন্মুখীন হৈছে আৰু চৰম কৃতকাৰ্য্যতাৰ মুহূৰ্ত্তত শিল্প সৃষ্টিত বাধা পাইছে। তেওঁ কান্‌চাচ্ মহানগৰীত পঢ়ি থকা অৱস্থাত কানচাচ চিটি আৰ্ট ইনষ্টিটিউটত কলা অনুধাবন, পিতাকৰ এজেন্সিৰ চুখন বাতৰি কাকত বিলি কৰা আৰু দোকানত খুচুৰা কাম কৰি পৰিয়ালৰ বাবে জীৱিকা উপাৰ্জ্জন কৰে। ইয়াৰোপৰি যুৱক অৱস্থালৈ তেওঁ ৰেলগাড়ীত ফেৰিৱালাৰ কাম কৰে আৰু এই যুৱক অৱস্থাৰ পৰাই শিল্পীৰ সংগ্ৰামী জীৱনো আৰম্ভ হয়।

"মই জেলী ফেক্টৰীত কাম কৰিব নোখোজো দেউতা। মই কান্‌চাচ্‌লৈ যাবলৈ ঠিক কৰিলোঁ। মই কোনো বাতৰি কাকতৰ ৰাজ নৈতিক কাৰ্টুন শিল্পীৰ কাম লবলৈ চেষ্টা কৰিম মই কিছুমান কাৰ্টুনৰ নমুনা তৈয়াৰ কৰিছোঁ। সেইবোৰ ভালেই হৈছে; সেইবোৰ দেখি ভাল লাগিলে হয়তো মোক কোনোবাই কাম দিব পাৰে।' ....এইদৰেই ডিচ্‌নীয়ে এক দৃঢ় আশাবাদী মনেৰে এগৰাকী ভাল কাৰ্টুন শিল্পী হোৱাৰ পথলৈ আগবাঢ়ি গৈছে আৰু যাৰ ফল স্বৰূপে তেওঁৰেই পোণ প্ৰথমে কাৰ্টুন কথাছবিত গতি প্ৰদানৰ উত্তম পদ্ধতি প্ৰয়োগ কৰি সৰুৰে পৰা দেখি অহা সপোনক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি ওৱাল্ট ডিচ্‌নীয়ে হ'ল প্ৰথম শব্দ সংযোজিত কাৰ্টুন ছবি, প্ৰথম ৰঙীন কাৰ্টুন ছবি, প্ৰথম পূৰ্ণ দৈৰ্ঘ্য কাৰ্টুন চিত্ৰ নিৰ্মান কৰোঁতা। তেওঁ নিৰ্মান কৰা প্ৰথম কাৰ্টুন ছবিখন হ'ল, 'মিকি' অভিনীত 'প্লে'ন ক্ৰেজী', আনহাতে প্ৰথম ৰঙীত কাৰ্টুন চিত্ৰখন হ'ল 'গছ আৰু ফুল'। এইখন ছবিৰ বাবে ওৱাল্টে ১৯৩১ চনত এটা একাডেমী পুৰস্কাৰ লাভ কৰে। সেইদৰে তেখেতৰ প্ৰথম পূৰ্ণ দৈৰ্ঘ্য কাৰ্টুন চিত্ৰ হ'ল 'স্ন' হোৱাইট আৰু সাতোটা বাওনা' যি খন ছবিৰ বাবে ডিচনী এগৰাকী প্ৰথম শ্ৰেণীৰ প্ৰযোজক হিচাপে স্বীকৃত হয়। ওৱাল্টৰ আন আন ছবি কেইখন মান হ'ল 'ষ্টীম বট উইলি, 'কা'টুনৰ দেশত' এলাইচ,' 'অচৱাল্ড দি ৰেবিট, 'চিলি চিম্‌ক নীজ [ চিবিৰ্জ ]', 'পিন' কিঅ, 'বাম্বি' 'ফেনটাচীয়া, 'শিশু-দ্বীপ' ইত্যাদি।

ডিচ্‌নীৰে জীৱনৰ মুঠ প্ৰায় পাঁচশ চুটিচিত্ৰ আৰু পূৰ্ণ দৈৰ্ঘ্য চিত্ৰৰ বাবে মুঠ ত্ৰিশটা ম'চন পিকৃচাৰ একাডেমী পুৰস্কাৰ, চাৰিটা এমি পুৰস্কাৰ, আৰু দেশ-বিদেশৰ আঠশতকৈও

অধিক পুৰস্কাৰ অৰ্জন কৰে। তেখেতে শিশু আৰু বৃদ্ধৰ অন্তৰত জীৱ জন্তু, বন্য-সম্পদৰ প্ৰতি মৰম জন্মাবলৈ সক্ষম হোৱাৰ বাবে 'বিশিষ্ট সেৱাৰ পুৰস্কাৰো লাভ কৰে। ওৱাল্টৰ ছৱিত বিশেষ ভাবে অভিনয় কৰা 'মিকি-মাউচ' চৰিত্ৰৰ বাবে ১৯৪৪ চনত অন্য এটি 'অস্কাৰ' পুৰস্কাৰো লাভ কৰে। তেওঁৰ ইমানবোৰ কৃতকাৰ্য্যতাৰ মূলতেনো কি আছিল ইয়াৰ উত্তৰত ওৱাল্টে কৈছে, "ইয়াত কোনো মেজিক ফৰ্মুলা নাই। হয়তো মোৰ কৃতকাৰ্য্যতাৰ কাৰণ এয়ে যে মই ভাল পোৱা উপাদানেৰে কামত আগবাঢ়ো— য'ত উত্তম মানবীয় কাহিনী থাকে আৰু যি প্ৰমান কৰে জীৱনৰ উত্তম উপাদানবোৰৰ দৰেই আকৰ্ষণীয় হব পাৰে"। অৱশ্যে কাৰ্টুন কথাছবিৰ স্ৰষ্টা হিচাপে বা কাৰ্টুন চিত্ৰী হিচাপে যুক্তৰাষ্ট্ৰত ওৱাল্ট প্ৰথম জন নহয়। কিন্তু এই কথা স্বীকাৰ্য্য যে কাৰ্টুন কলাক তেওঁৱেই এক নতুন ধাৰা দিলে যাক ডিচনী ধৰ্ম্মী বুলিব পাৰি।

ওৱাল্টে যে কেৱল কাৰ্টুন চিত্ৰৰ বাবেই বিশ্ববিখ্যাত হৈছে তেনে নহয়। তেওঁ আৰু এক বিশেষ সৃষ্টিৰ বাবেও বিখ্যাত হৈছে। সেয়া হ'ল বিখ্যাত আমোদ উদ্যান 'ডিচনী লেণ্ড', য'ত মানুহে সামুহিকভাবে সকলো ধৰণৰ মানসিক উৎকৰ্ষ লাভ কৰিব পাৰে। এই 'ডিচনী লেণ্ড'ৰ সৃষ্টিৰ মূলতে হ'ল.... তেওঁ আছিল এগৰাকী ব্যস্ত কৰ্মী, যিয়ে কামৰ কোবত জিৰণি খুব কমেহে পাইছিল। ইয়াৰোপৰি তেওঁৰ স্বভাব আছিল শিশু সুলভ। সেয়ে তেওঁ শিশুৰ দৰে মনে বিচৰা সকলো কাম লোকে বলিয়ালি বুলি কলেও বাস্তৱ ৰূপ নিদিয়াকৈ নেৰিছিল। এই বাবেই তেওঁ নিজ ঘৰৰ চাৰিওফালে আনন্দ বিনোদনৰ ব্যৱস্থা কৰি লৈছিল যাতে অলপমান কামৰ পৰা ৰেহাই পালেই থিতাতে আনন্দ লভিব পাৰে। আন হাতে এই 'ডিচনীলেণ্ড'ৰ আহিতে ভাৰতবৰ্ষতো 'নেহৰুলেণ্ড'ৰ নামৰ এখন আমোদ উদ্যানৰ জন্ম হৈছে।

এই মহান শিল্পী গৰাকীৰ জীৱন নাটৰ যৱনিকা পৰে ১৯৬৬ চনৰ নৱেম্বৰ মাহত। তেওঁৰ মৃত্যুত পৃথিৱীৰ যি ক্ষতি হ'ল সেয়া কোনো দিনে পূৰণ নহব। কিয়নো যি গৰাকী ব্যক্তিয়ে হলিউদৰ্ত থাকোঁতে টকাৰ অভাবত 'পোচা' ৰুটি কেইখন মানিকে সাঁচি সাঁচি খাই জীৱন নিৰ্বাহ কৰিছিল অথচ নিজ লক্ষ্য পথত সদায় অবিচলিত হৈ আছিল তেওঁৰ দৰে বিখ্যাত ব্যক্তি কমেই আছে।

'ওৱাল্ট এলিয়াচ ডিচনী সকলোৰে মনত এক মহান সাফল্যৰ আদৰ্শ-আহি হৈ জীয়াই থাকক।

বিঃ দ্ৰঃ— ... সহায় লৈ লিখা হৈছে।

# অসমীয়া সাহিত্য আৰু শংকৰদেৱ

॥ বিজু দাস ॥
স্নাতক ২য় বৰ্ষ

"পৰম অমৃত ৰত্ন হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিলো।
লোকক কৃপায়ে হৰি শংকৰ স্বৰূপে আসি
মুদ ভাংগী সমস্তকে দিলো।"
(নামঘোষা : মাধবদেৱ)

মহাপুৰুষজনাৰ প্ৰিয় শিষ্য মাধৱদেৱৰ কবিতা ফাঁকি সৰোগত কৰি প্ৰতিমাৰ খনিকৰ চন্দ্ৰ কুমাৰ আগৰৱালাদেৱে কৈছিল—

"সাহিত্যৰ গুৰু শংকৰ, সাহিত্য
ৰাজ্যৰ ৰজা শংকৰ,
সমাজ গঢ়োতা শংকৰ
সমাজৰ নেতা শংকৰ।"

আগৰৱালা দেৱৰ এই কথাষাৰি বৰ তাৎপৰ্য্যপুৰ্ণ। কিয়নো অসমৰ কলা-সংস্কৃতিৰ জনক মহাপুৰুষ শংকৰদেৱে ধৰ্ম, সমাজ সংগীত আৰু সাহিত্যজগতত বহুমূলীয়া অৱদান আগবঢ়াই অসমৰ জাতীয় জীৱন উন্নত আৰু মহিয়ান কৰিছে। বিশেষকৈ অসমীয়া সাহিত্য জগতত মহাপুৰুষজনাৰ ইমানেই প্ৰভাৱ আছিল যে যাৰ বাবে তেওঁৰ নামেৰেই পৰৱৰ্ত্তী সাহিত্য সমালোচক সকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটা যুগক সামৰি লৈছে আৰু সেয়া হৈছে শংকৰী যুগ।

ধৰ্ম আৰু সাহিত্যক ওত:প্ৰোত ভাৱে জড়িত কৰি কোনোবাই যদি অসমীয়া সমাজক ইতিহাসত স্থান দিছে, অন্যায়ৰ পৰা ন্যায়ৰ পথলৈ আনিছে, অজ্ঞান-অন্ধকাৰৰ মাজত থকা অসমীয়া জাতিটোক, জ্ঞান শলিতা জ্বলাই পোহৰাই তুলিছে, সজীৱ কৰিছে তেনেহলে প্ৰতিজন অসমীয়াই আজিও ন দি কব লাগিব সেইজন নিতান্তই সাহিত্য ৰাজ্যৰ ৰজা জগৎ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ বাহিৰে অইন কোনো নহয় বা হব নোৱাৰে।

শ্ৰীমন্ত শংকৰদেৱ বহুমুখী প্ৰতিভাৰ আকৰ আৰু অসাধাৰণ ব্যক্তিত্ব সম্পন্ন পুৰুষ, যাৰ কথা কৈ শেষ কৰিব নোৱাৰি। ধৰ্মক অৱলম্বন কৰি তেওঁ ভাষা-সাহিত্য, সংগীত, সংস্কৃতি আৰু জাতীয়তাৰ যি স্বৰ্ণ সৌধ নিৰ্মান

কৰি গ'ল তাৰ বন্তি গছিত তেল দি আমি পৃথিৱীৰ বুকুত অসমীয়া হিচাপে প্ৰতিষ্ঠিত হব পাৰিছো।

মহাপুৰুষজনাৰ ৰচনা ৰাজিৰ বিষয়ে ডঃ মহেশ্বৰ নেওঁগদেৱে কৈছিল—"সেই ৰচনা-ৱলী নতুন এক আধ্যাত্মিক আৰু সামাজিক আলোড়নৰ স্পন্দনেৰে সঞ্জীবিত।" মহাপুৰুষ জনাৰ লেখা সমূহ একক। ইয়াৰ আহি হিচাপে ছাত্ৰাৱস্থাতে লিখা আকাৰ-ইকাৰ নোহোৱা আৰু যুক্তাক্ষৰ বিহীন কবিতাটোৰ কথাকে কব পাৰি।

"কৰতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন॥

মহাপুৰুষজনাই গীত আৰু নাট, এই দুটি অতি প্ৰয়োজনীয় হৃদয়গ্ৰাহী আৰু মনো-ৰঞ্জনৰ আটাইতকৈ শক্তিশালী সমলক ধৰ্ম্ম প্ৰচাৰৰ মাধ্যম হিচাপে লৈছিল। মহাপুৰুষ জনাৰ প্ৰায়বোৰ ৰচনাই অনুবাদমূলক যদিও স্বকীয় বৈশিষ্টৰে আৰু কাব্যিক প্ৰকাশ ভংগীৰ ৰহন বোলাই, তেওঁ ৰচনাসমূহ আকৰ্ষণীয় আৰু আবেদনশীল কৰি থৈ গৈছে; আৰু ৰচনা সমূহৰ মাজেৰে প্ৰকৃতিক সুন্দৰভাৱে বন্দী কৰি ৰাখিছে। কীৰ্ত্তনৰ ধ্যান বৰ্ণনৰ বৈকুণ্ঠ বৰ্ণনাত তেওঁ ৰচিছে—

"চাৰু সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধ পদ্ম শোভে উতপল॥
আছে ৰাজহংস সমূহে বহি।
লীলায়ে মৃনাল ভঞ্জে উহি॥
পাৰে পাৰিজাত মলয়া বাৱ।
চটকে ত্যাজে সুললিত ৰাৱ॥"

কথা গুৰুচৰিত মতে তেওঁৰ প্ৰথম ৰচনা "হৰিচন্দ্ৰ উপাখ্যান" যদিও আন কিছুমানে "গোপী উদ্ধৱ সংবাদ" প্ৰথম ৰচনা বুলি কব খোজে। তাৰ পিছত ক্ৰমান্বয়ে তেওঁ নিজস্ব প্ৰতিভাৰে মোহিনী শক্তিদান কৰি লিখি উলিয়াইছিল "কীৰ্ত্তন"। তেওঁৰ আন এক অৱদান হ'ল বৰগীত আৰু অংকীয়া নাট। ডঃ বানীকান্ত কাকতিৰ ভাষাত-"বৰগীত হল বৈষ্ণৱ আন্দোলনৰ আধ্যাত্মিক ভাৱধাৰাৰ খলক আৰু উচ্ছাসৰ প্ৰতিধ্বনি মাথোন।" এই বৰগীতবোৰৰ মাজেৰেই শান্ত আৰু দাস্য ভক্তিৰ প্ৰাধান্য দেখা যায়।

অসমীয়া গদ্যৰ প্ৰকৃত প্ৰবৰ্ত্তনকাৰী হ'ল মহাপুৰুষ শংকৰদেৱ। কিন্তু সেই কথা স্বীকাৰ নকৰি অসমৰ এচাম পণ্ডিতে ভট্টদেৱকহে অসমীয়া গদ্যৰ জন্মদাতা বুলি কয়। ডঃ নেওগ আদি পণ্ডিতৰ মতে অসমীয়া গদ্যৰ বুৰঞ্জী শংকৰদেৱৰ লগতে আৰম্ভ হয়। শংকৰদেৱ, মাধৱদেৱ আদিৰ নাটৰ নাটকীয় গদ্যই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন। ইয়াৰ প্ৰায় এশ বছৰ পিছত ভট্টদেৱে 'কথা ভাগৱত' আৰু 'কথা-গীতা' আৰু গোপাল চৰণ দ্বিজৰ 'ভক্তি ৰত্নাকৰ'ৰ কথানুবাদৰ অসমীয়া গদ্যই পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰে।

Bikali College Library

শংকৰদেৱৰ গদ্যক প্ৰকৃততে গদ্য বুলি কব নোৱাৰি। সি ছন্দোময় কাব্য ভাষাৰে এটি ৰূপান্তৰ মাথোন। সুত্ৰধাৰ আৰু আন ভাৱৰীয়া সকলে তেওঁলোকৰ কথা-বচনো সদায় সুৰীয়াকৈ মতাহে দেখা যায়। তেওঁৰ গদ্যত এটি কাব্যিক সুৰ বা ছন্দ আৰু মাজে মাজে অন্ত্যানুপ্ৰাস আছে।

চিত্ৰকৰ হিচাপে খ্যাত গুৰুজনে গন চিত্ত আকৰ্ষন কৰিবলৈ চিত্ৰ অংকন কৰি নাটকৰ দৃশ্য প্ৰদৰ্শন কৰিছিল। পট-সপ্ত বৈকুণ্ঠৰ চিত্ৰ আকি 'চিহ্ন যাত্ৰা' নাটৰ অভিনয়ৰ মাজেৰে জনগনক ঈশ্বৰ প্ৰেমত মুগ্ধ কৰাইছিল।

অসমীয়া নাটকৰ জন্মদাতা হিচাপে তেওঁৰ অংকীয়া নাটসমূহ অসমীয়া সাহিত্যৰ অনুপম সৃষ্টি। পণ্ডিত তীৰ্থনাথ শৰ্মাৰ মতে "শংকৰদেৱে সংস্কৃত নাটক, থলুৱা ৰংগানুষ্ঠান আৰু দক্ষিন ভাৰতৰ ৰংগানুষ্ঠান এই তিনিটাৰ ত্ৰিবেণী সংগম ঘটাই অংকীয়া নাট সৃষ্টি কৰিছে শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তিভাৱ জগাই তুলিবলৈ অংকীয়া নাটবোৰ ৰচনা কৰিছিল। তেওঁৰ নাটকৰ আৰম্ভনিও আছিল সংস্কৃত নাটৰ দৰে-

"নমোঃ কৃষ্ণ বিষ্ণো পৰানন্ত শক্তে।
নমোঃ ব্ৰহ্মমূৰ্ত্তে মুৰাৰে পৰেশ
নমোঃ বিশ্বৰাস প্ৰসাদ প্ৰসাদ।"
(পাৰিজাত হৰণ)

অংকীয়া নাটবোৰ হ'ল— পত্নীপ্ৰসাদ, কালীয় দমন, কোলি গোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়। ভাগৱত পূৰাণ, হৰিবংশ আৰু ৰামায়ণৰ পৰা শংকৰদেৱে বিষয়বস্তু বাচি লৈ এই অংকীয়া নাটবোৰ ৰচনা কৰে। তেওঁৰ আন এক নাম প্ৰসংগ মুলক গ্ৰন্থ হ'ল 'গুনমালা'। গুনমালা পুথি খনতো এক স্বকীয়া বিশেষত্ব আছে। সমালোচক সকলৰ মতে ব্যক্তিগত ভাৱে বা অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা বা গুন স্মৰণ কৰাৰ বাবেই এই পুথিখন কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ অভিপ্ৰায় মতে ৰচনা কৰিছিল।

মহাপুৰুষ শংকৰদেৱৰ সাহিত লৈ মন কৰিলে আমি কব পাৰো যে মহাপুৰুষ জনাই তেওঁৰ বিভিন্ন সাহিত্য সমুহৰ জৰিয়তে জনসাধাৰণৰ মাজতবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যকেই সদায় আগত ৰাখিছিল। তাৰ মাজতেই আকৌ সেই সাহিত্যৰ জৰিয়তে জনসাধাৰণৰ মনত আনন্দ প্ৰদানটোও তেওঁৰ আন এক উদ্দেশ্য আছিল বুলি আমি কব পাৰি।

মুঠৰ ওপৰত শ্ৰীমন্ত শংকৰদেৱে বহুমুখী প্ৰতিভাৰে সকলোকে মোহিত কৰি অসমীয়া জাতি গঠন কৰিছিল। বিভিন্ন জন সমাজৰ সংস্পৰ্শলৈ আহি তেখেতে অসমত কি বস্তুৰ অভাৱ হৈছিল, সেই কথা ভালদৰে বুজি পাইছিল। অসমত ধৰ্ম সমাজ, সংগীত সমাজ সাহিত্য

আদি এই সকলো দিশতে সেই সময়ত আউল লাগিছিল। সেই আউল ভাঙি এক সুশৃংখল পৰিবেশ সৃষ্টি কৰাটো অতি প্ৰয়োজনীয় হৈ উঠিছিল। সংগীত, কলা আৰু ধৰ্মই মানুহক ব্যভিচাৰ ৰূপী কৰি তুলিছিল। মহাপুৰুষ জনাই এইবোৰ ব্যভিচাৰ সংস্কাৰ কৰিবলৈ উঠি পৰি লাগিল। এই সম্বন্ধে মহাত্মা গান্ধীয়ে কৈছিল "শংকৰে অকলে যিটো কৰিবলৈ গৈছিল তাক হেজাৰ হেজাৰ ইংৰাজী শিক্ষিত সৈন্যইও কৰিব নোৱাৰে।"

অসমীয়াৰ গীত, বাদ্য, নৃত্য, সুৰ সঞ্চাৰ, সাহিত্য-ভাওনা, খোল-মৃদংগ, তাল, ভঁাজঘৰ, অংকীয়া নাট, নাম-ঘৰ, নাম কীৰ্ত্তন, ঘোষা, বৰগীত, দৌলযাত্ৰা, হাটীধন পুঁজি, সমাজ. ধৰ্ম, বিচাৰ নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য. সমাধি সকলো শংকৰদেৱেহে অসমীয়াক দি গৈছে। কেৱল অসমীয়াই সেইবোৰ ভালকৈ আয়ত্ব কৰি লব পৰা নাই।

সদৌ শেষত পাহৰণি কবি দুৰ্গাৰ কবিতাৰ পংক্তিৰে গুৰুজনাক এৰিছোঁ—

"কিহেৰে পুঁজিম দেব আজি. এই শুভদিনে
ভাৰতে বিভোৰ হৈ এই নিৰাশ আকুলমনে
আনিলো বনৰ ফুল বনে বনে ফুৰি ফুৰি
কঁপাহী সূঁতাৰে দেৱ গঁাথিলো ই মালাধাৰি
চকুলো সমল মোৰ ক্ষুদ্ৰ এই অভাগাৰ
লোৱা দেৱ লোৱা আজি হৃদয়ৰ উপহাৰ।"

...........

ব্যাকৰণ, অভিধান নাথাকিলে ভাষা আৰু সাহিত্য হেঁদাভি মেলা গৰুৰ দৰে হব আৰু সেই ভাষা, সেই সাহিত্যৰ উপদ্ৰবত টাট চপোৱা এখনো নাথাকিব।

লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্য হৈছে এটা জাতিৰ জাতীয় জীৱনৰ প্ৰতিকৃতি, এটা জাতিৰ ধৰ্ম, অৰ্থ. কাম, মোক্ষ বিষৰে যি সাধনা সেয়ে সেই জাতিৰ সাহিত্য। যি জাতিৰ সাহিত্য নাই সেই জাতি জীয়াই থাকোতেও মৰা।

হেমচন্দ্ৰ গোস্বামী

# গোৱালপাৰা জিলাৰ ভৌগোলিক পৰিবেশ ঃ এটি চমু আলোচনা

॥ মন্তি বৰদলৈ ॥
প্ৰবক্তা, ভূগোল বিভাগ

গোৱালপাৰা জিলা অসমৰ দক্ষিণ-পশ্চিম প্ৰান্তত ২৫°৩৩´ উত্তৰ অক্ষাংশৰ পৰা ২৬°১২´ উত্তৰ অক্ষাংশ আৰু ৯০°৭´ পূব দ্ৰাঘিমাংশৰ পৰা ৯১°৫´ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। জিলাখনৰ মাটিকালিৰ পৰিমান ২৫৩০ বৰ্গ কি: মিঃ। ১৯৯১ চনৰ লোক পিয়লমতে জিলাখনৰ মুঠ জনসংখ্যা (আনুমানিক) ৬৬১৮০১ জন ইয়াৰে ৩৩৮৩২৩ পুৰুষ আৰু ৩২৩৪৭৮ মহিলা। শিক্ষিতৰ হাৰ ৩৬·০২ শতাংশ। জিলাখনত প্ৰতি বৰ্গ কিলমিটাৰত ২৬১ জন লোকে বাস কৰে।

গোৱালপাৰা জিলাৰ উত্তৰ সীমাইদি মহাবাহু ব্ৰহ্মপুত্ৰ নদ প্ৰবাহিত হৈছে। জিলাখনৰ দক্ষিণে মেঘালয় ৰাজ্য, পূবে কামৰূপ জিলা আৰু পশ্চিম সীমাত অসমৰ পশ্চিমৰ প্ৰহৰী ধুবুৰী জিলা। বৰ্ত্তমানৰ গোৱালপাৰা জিলাখন অবিভক্ত গোৱালপাৰা জিলাৰ এটি অংশ মাথোন। অবিভক্ত গোৱালপাৰা জিলা বৰ্ত্তমান ধুবুৰী, কোকৰাঝাৰ, গোৱালপাৰা আৰু বঙ্গাইগাওঁ জিলাত বিভক্ত হৈছে। বৰ্ত্তমান গোৱালপাৰা জিলাৰ সদৰ ঠাই গোৱালপাৰা। জিলাখনত পাঁচটা ৰাজহচক্ৰ আছে।

ভূপ্ৰাকৃতিক দিশৰ পৰা গোৱালপাৰা জিলাক তিনি ভাগত ভাগ কৰিব পাৰি। জিলাখনৰ দক্ষিণৰ এক সু-বিশাল অংশ (পূবা-পশ্চিমাকৈ) মেঘালয়ৰ উত্তৰৰ পাদদেশ (Foot Hill) অঞ্চল। এই অঞ্চল বিশেষকৈ 'গণ্ডোৱানা' (Gondwana) যুগৰ শিলাৰে গঠিত। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰ আৰু নদীৰ মাজৰ চৰ (Char) সমূহক লৈ বানপানী পিড়ীত আৰু চৰ অঞ্চল (Flood prone and char land areas)। পলসুৱা মাটিৰে গঠিত এই অঞ্চলটোৰ শস্য উৰ্ব্বৰতা শক্তি যথেষ্ট যদিও এই অঞ্চল একে বছৰতে কেইবাৰো বানাক্ৰান্ত হয় বাবে শস্য উৎপাদন সন্তোষজনক নহয়। এই দুয়ো অঞ্চলৰ মাজত এক সু-বৃহৎ নদী গঠিত সমভূমি (Built up plain) অঞ্চল। এই অঞ্চলৰ মাজে মাজে মেঘালয়ৰ অংশ বিশেষ টিলা, পাহাৰ সমূহৰ

উপস্থিতিয়ে সমভূমিটোৰ বিস্তৃতিত বাধা জন্মাইছে। এই টিলা, পাহাৰ সমূহ হৈছে জিলাখনৰ টুক্ৰেশ্বৰী, শ্ৰীসূৰ্য্য, অজগৰ, হুলুকান্দা, পঞ্চৰত্ন ইত্যাদি। নদী গঠিত সমভূমি অঞ্চল টো বিশেষভাৱে কৃষি উপযোগী আৰু জিলা খনৰ সৰহ সংখ্যক লোকেই এই অঞ্চলতেই বসবাস কৰে। এই অঞ্চলৰ মাজেদিয়েই ৰাস্তা পথ সমূহ নিৰ্মান কৰা হৈছে আৰু জিলাখনৰ প্ৰায়বোৰ নগৰ চহৰো এই অঞ্চলতেই সীমাবদ্ধ।

জিলাখনত ডাঙৰ নদ-নদী নাই যদিও সৰু-বৰ ব্ৰহ্মপুত্ৰৰ উপনদী সমূহৰ সংখ্যা নগন্য নহয়। পূবে দেওশিলাৰ পৰা পশ্চিমে জিঞ্জিৰাম লৈকে ব্ৰহ্মপুত্ৰৰ কেইবাখনো উপনদী আছে। জিঞ্জিৰামক ব্যতিক্ৰম হিচাবে ধৰিলে প্ৰায়বোৰ নদীয়েই গাৰোপাহাৰৰ বিভিন্ন স্থানত উৎপত্তি হৈছে আৰু জিলাখনৰ মাজেদি প্ৰবাহিত হৈ ব্ৰহ্মপুত্ৰত পৰিছে। জিঞ্জিৰাম নৈখন গোৱালপাৰা জিলাৰ 'উৰপদ' বিলৰ পৰা ব্ৰহ্মপুত্ৰৰ সমান্তৰালকৈ পশ্চিমলৈ বৈ গৈ বাংলাদেশত ব্ৰহ্মপুত্ৰৰ লগত মিলিছে। অৱবাহিকাৰ কালি হিচাবে জিঞ্জিৰাম (১৫৮৮ বৰ্গ কিঃ মিঃ) জিলাখনৰ ডাঙৰ নদী। আন সৰু বৰ নদী সমূহ হ'ল দেওশিলা, দুখীয়া, জুৰিয়া, গেৰুৱা, ফুলনি, হাত্ৰি, কৃষ্ণাই, দুধনৈ, জিনাৰী ইত্যাদি।

ভৌগোলিক দিশৰ পৰা জিলাখনত থকা বিল সমূহৰ অৱস্থিতি তাৎপৰ্য্যপূৰ্ণ। গোৱালপাৰা জিলাৰ সবাতকৈ ডাঙৰ 'উৰপদ' বিল গোৱালপাৰা চহৰৰ পৰা প্ৰায় ১০ (দহ) কিল'মিটাৰ দক্ষিণে অৱস্থিত। চহৰৰ পৰা প্ৰায় দহ কিল'মিটাৰ পশ্চিমত 'কুমৰী' বিল আছে। এই দুয়োখন বিলেই বিভিন্ন প্ৰজাতিৰ চৰাইৰ ক্ৰীড়াভূমি। পঞ্চৰত্ন পাহাৰে পৰিবেষ্টিত 'কুমৰী' বিলৰ দৃশ্য মনোমোহা। তদুপৰি জিলাখনত জালিগ'ৰ, বাকুডুল, দীঘনডুবি, কিচিয়া, কদমতোলা, হাচিলা, ঠাকুৰ, মানস ইত্যাদি বিল আছে।

গোৱালপাৰা জিলাখন শাল, উদাল, চিদা, আজাৰ, গমাৰি ইত্যাদি মুল্যবান গছ গছনিৰে ভৰা। তদুপৰি দ অঞ্চলবোৰত নল, খাগৰি, বিৰিনা, বাহ ইত্যাদি পোৱা যায়। ১৯৯০ চনৰ তথ্য অনুযায়ী জিলাখনৰ অৰণ্য ভূমিৰ বিতৰণ তলত দিয়া ধৰণৰ:

| অৰণ্য ভূমি | মাটিকালি ( বৰ্গ কিঃ মিঃ হিচাবত) |
|---|---|
| পৰ্ণপাতী অৰণ্য | ৪৯.৪ |
| গুল্মজাতীয় | ৯৭.৩ |
| বনানীকৰণ | ৮১.৮ |
| মুঠ | ২২৮.৫ |

জিলাখনত দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ প্ৰভাবত জুন মাহৰ পৰা অক্টোবৰ মাহলৈকে বৰষুণ হয়। বছৰি বৰষুণৰ পৰিমান ২৮০১.৩ মিলিমিটাৰ। দৈনিক সৰ্বোচ্চ গড় উত্তাপ ৩০.৩ ডিগ্ৰী ছেন্টিগ্ৰেড সৰ্ব্বনিম্ন ১৯.৩ ডিগ্ৰী ছেন্টিগ্ৰেড। সাময়িক জলবায়ুৰ তাৰতম্য অনুসৰি জিলাখনত চাৰিটা ঋতু অনুভূত হয়।

(-) গোৱালপাৰা জিলাৰ প্ৰায় ৯০ শতাংশ লোকেই গাওঁত বসবাস কৰে আৰু প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। জিলাখনৰ ভূমি/মাটিৰ ব্যৱহাৰ বিশেষভাবে মন কৰিব লগীয়া। যিহেতু ভূমিয়েই এই অঞ্চলত থকা জনসংখ্যাৰ অন্ন, বস্ত্ৰ, বাসস্থান, ইন্ধন ইত্যাদিৰ যোগান ধৰে। গতিকে ভূমিৰ পুংখানুপুংখভাবে অধ্যয়ণ কৰাটো বাঞ্চনীয়। ১৯৯০ চনৰ তথ্য অনুযায়ী জিলাখনৰ ভূমি ব্যৱহাৰ তলত দিয়া ধৰণৰ :

| ভূমিৰ ব্যৱহাৰৰ প্ৰকাৰ | মাটি কালি [ বৰ্গ কিঃ মিঃ হিচাপত ) | মুঠ মাটি কালি ( শতাংশ হিচাপত ) |
|---|---|---|
| কৃষি ভূমি | ১৫২৯.৪৯ | ৬০.৪৪ |
| অৰণ্য | ২২৮.৫০ | ৯.০৩ |
| অপচয় ভূমি | ২৬৪.৮৭ | ১০.৪৬ |
| জলাশয় | ৪৪৮.৩৭ | ১৭.৭২ |
| অন্যান্য | ৫৯.৫৫ | ২.৩৫ |
| মুঠ ভূমি | ২৫৩০.৭৮ | ১০০.০০ |

জিলাখনৰ মুঠকালিৰ প্ৰায় ৬০ শতাংশ মাটিত কৃষি কাৰ্য্য কৰা হয়। ইয়াৰে ১৩০৩৬৩ হেক্টৰ মাটিত খাৰিফ শস্য, ৪৩৮৫০ হেক্টৰ মাটিত ৰবি শস্য আৰু ২৫৫৭৩ হেক্টৰ মাটিত দ্বৈত কৃষিৰ বাবে ব্যৱহাৰ কৰা হয়। মুঠ কৃষি ভূমিৰ ৩৩৪০ হেক্টৰ অপচয় ভূমি।

১৯৯১ চনৰ লোক পিয়লমতে জিলাখনৰ জনসংখ্যাৰ ৬৬১৮০১ জন ( আনুমানিক ) ইয়াৰে ৫১.১২ শতাংশ পুৰুষ আৰু ৪৮.৮৮ শতাংশ মহিলা। প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে ৯৫৬ মহিলা আছে। ১৯৭১-৯১ চনত জিলাখনৰ জন সংখ্যা বৃদ্ধিৰ হাৰ +৫২.৬৬।

জিলাখনৰ মুঠ জনসংখ্যাৰ শতকৰা ৯২.৭২ ভাগ লোক গাওঁত আৰু বাকী নগৰত বাস কৰে। ১৯৯১ চনৰ তথ্য অনুযায়ী জিলাৰ শিক্ষিতৰ হাৰ ৩৬.২ শতাংশ। ইয়াৰে ৪২.৬৫ শতাংশ

পুৰুষ আৰু ২৯.০৯ শতাংশ মহিলা। ইয়াৰ পৰা দেখা যায় যে জিলাখন শিক্ষাৰ ক্ষেত্ৰত অতিকৈ পিচপৰা।

সু-পৰিবহন ব্যৱস্থাৰ অবিহনে কোনো এটা অঞ্চল/দেশৰ অৰ্থনৈতিক বিকাশ সম্ভৱ নহয়। জিলাখনৰ যাতায়ত আৰু পৰিবহন ব্যৱস্থা সন্তোষজনক নহয়। ১৯৫০ চনতে ধুপধৰাৰ পৰা ফকিৰগঞ্জলৈকে একমাত্ৰ ৰাষ্ট্ৰীয় ঘাইপথ (N H 37) নিৰ্মান কৰা হৈছিল যদিও মেৰামতি নোহোৱাৰ বাবে ৰাস্তাৰ অৱস্থা দুখ লগা। দেশ স্বাধীন হোৱাৰ অৰ্ধ শতিকাৰ পিছতো ৰেল সেৱা প্ৰৱৰ্ত্তন হোৱা নাই, অৱশ্যে ব্ৰহ্মপুত্ৰৰ তৃতীয় দলং "নৰনাৰায়ন সেতু" সম্পূৰ্ণ হলে ৰেলসেৱাৰ অভাৱ পুৰণ হব। ১৯৮৯-৯০ চনৰ তথ্য অনুযায়ী জিলাখনৰ ৰাস্তাৰ দৈৰ্ঘ্য ১০৭৮ কিঃ মিঃ ইয়াৰে পকীৰাস্তা ২৭৪ কিল'মিটাৰ আৰু শিলগুটি দিয়া ৰাস্তা ৮০৪ কিল'মিটাৰ।

[এই প্ৰবন্ধটি প্ৰস্তুত কৰোতে কেইবাখনো পুথি আৰু গবেষণা পত্ৰৰ সহায় লোৱা হৈছে]

—অমৃত বাণী—

আমাৰ মধুৰতম গান সেই বোৰেই য'ত ব্যক্ত হয় বিষাদতম ভাৱ। —শেলী

সজ প্ৰবৃত্তি আৰু সজ আচৰণত সুখ উদ্ভৱ হয়।

আত্মাভিমান ত্যাগ কৰিলে মানুহ সকলোৰে প্ৰিয় হয়।

সাজ-পোচাকে শাৰীৰিক সৌন্দৰ্য্য বৃদ্ধি কৰে. মানসিক বিকাশ সাধন কৰিব নোৱাৰে।

দানশীলতাই নিজক ধনী কৰে, লোভে নিজক দুখীয়া কৰে।

# —অসমীয়া লোকসাহিত্যত এভূমুকি—

॥ মলিনা দেবী ৰাভা ॥
প্ৰবক্তা, অসমীয়া বিভাগ

সাহিত্যক মানৱজাতিৰ প্ৰতিবিম্বৰ লগত ৰিজোৱা হয়। এটা জাতিৰ সকলো মানুহৰ সুখ দুখ, হা-হুমুনিয়াহ অভাব-অভিযোগ, প্ৰেম-বিৰহ আদিৰ প্ৰকৃত পৰিচয় সেই জাতিৰ জাতীয় সাহিত্যৰ পৰা পাব পাৰি। আকৌ এটা জাতিৰ পূৰ্ব পুৰুষসকলৰ প্ৰকৃত পৰিচয় পোৱাৰ স্থান হৈছে সেই জাতিৰ জন সাহিত্য বা লোক সাহিত্য। গতিকে লোক সাহিত্যকেই পৃথিবীৰ সকলো জাতিৰ সাহিত্যৰ আদি বুলিব পাৰি।

সাধাৰণতে লোকসাহিত্য গীত প্ৰধান। লোকসাহিত্য নিৰক্ষৰ জনসাধাৰণৰ অন্তৰৰ আবেগ অনুভূতিৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশ। আদিম মানবৰ অন্তৰৰ চিৰন্তন অনুভূতি, প্ৰেম-ভাল পোৱা, সুখ-দুখ হৰ্ষ-বিষাদ, হাঁহি-কৌতুক আদি আবেগপ্ৰবন গীতৰ মাজেৰেই প্ৰথম প্ৰকাশ পাইছিল। ইয়াত মানব জীৱনৰ নানান দিশ, ক্ৰিয়া-প্ৰতিক্ৰিয়া, জাতি-উপজাতিৰ শাসন-শোষন, ৰজা-মহাৰজাৰ সালসলনি ইত্যাদি আটাইবোৰ দিশ প্ৰতিফলিত হৈছে।

প্ৰতিজাতি অথবা সমাজৰ মাজতেই লোকসাহিত্য, লোক-কলাই স্থানীয় ৰূপলৈ প্ৰকাশ পায় আৰু মৌখিক সাহিত্যৰূপে জীয়াই থাকে। যদিও এই সাহিত্য পিছৰ যুগত বা সভ্যতাৰ অগ্ৰগতিৰ লগে লগে লিপিবদ্ধ কৰাৰ প্ৰচেষ্টা চলিছে তথাপি সৰহখিনিয়েই অলিখিত হৈ আজিও ৰৈ আছে। লোক-সাহিত্যত ব্যৱহৃত ভাষা সৰহভাগতেই কথিত ভাষা হে বলিষ্টৰূপত বিৰাজমান। লিখিত বা সু-সস্কৃত ভাষা হল পৰিশীলিত ভাষা আৰু দৈনন্দিন জীৱনত ব্যৱহৃত মৌখিক ভাষা হ'ল অকৃত্ৰিম মাধ্যম। সৰ্ব্বসাধাৰণ ৰাইজৰ আবেগ অনুভূতি প্ৰকাশৰ বাহন এই অকৃত্ৰিম ভাষাই এই মনোৰম লোকসাহিত্যৰ সৃষ্টি কৰিছে।

লোক সাহিত্য সৰ্ব্বসাধাৰণ ৰাইজৰ প্ৰধানকৈ তিনিটা শাখাৰে বিস্তাৰিত হৈছে। ১) লোকগীত ২) প্ৰবাদ পটন্তৰ ৩) সাধুকথা।

সাহিত্যৰ দৃষ্টিৰে চালে লোকগীত সমূহৰ মূল্য অত্যধিক। লোকগীতবোৰ সহজ কথাত কবলৈ গলে প্ৰকৃতি কাননৰ কিছুমান বনফুল আৰু আধুনিক শিক্ষিত কবিৰ ৰচিত গীত সমূহ 'টাবত' সজাই থোৱা বনফুলৰ কৃত্রিম সৌন্দর্য্য। সাহিত্যৰ পৰম্পৰাৰে লক্ষ্য কৰিলে আমি কব পাৰো যে ই আদিম সাহিত্য। এই গীতবোৰক তিনিটা শ্ৰেনীত ভাগ কৰিব পাৰি— ১) অনুষ্ঠানমূলক ২) আখ্যানমূলক আৰু ৩) কৰ্ম্ম বিষয়ক।

অসমীয়ালোকৰ সামাজিক জীৱন আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন অনুষ্ঠানক কেন্দ্ৰ কৰি যিবিলাক গীত প্ৰচলিত হৈ আহিছে সেই বিলাক গীতকে অনুষ্ঠানমূলক লোকগীত বোলা হয়। এই গীতবোৰ হ'ল বিহুগীত, বনগীত, হুচৰিগীত, ধেমালীনাম, আইনাম, বিয়ানাম, গোসাইনাম, সুবচনীৰগীত, অপেশ্বৰী সবাহৰ গীত, লখিমী সবাহৰ গীত, মহহো বা মহ খেদা গীত ইত্যাদি।

অসমীয়া চহা জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হৈ অহা এই লোকগীতবোৰৰ মাজত গাওঁলীয়া সামাজিক, আৰ্থিক, ধাৰ্মিক জীৱনৰ প্ৰতিচ্ছৱি নিখুতভাৱে প্ৰকাশ পোৱা দেখা যায়। তদুপৰি সৰল সহজ চহা গাওঁলীয়া জীৱনৰ ৰীতি-নীতি, আচাৰ প্ৰনালী নানান বিশ্বাস-অবিশ্বাস খাদ্য-অখাদ্য বস্তুৰ বিৱৰণ, অলংকাৰ, সাজপাৰ, নিত্য ব্যৱহাৰ্য বিবিধ বস্তুৰ বিৱৰণ আদিও লোকগীতৰ মাজত প্ৰতিফলিত হোৱা দেখা যায়।

মা বীয় প্ৰেমপ্ৰীতি, পুতৌ ঘৃনা আদি জীৱনৰ সৰল সহজ ভাব অনুভূতি, দুঃসাহসিক কাৰ্য্য, যুদ্ধ বিগ্ৰহ, বীৰত্ব, সতীত্ব আদিৰ সুন্দৰ বৰ্ণনা আখ্যানমূলক লোকগীতৰ মূখ্য উপজীব্য। গীতসমূহ তিনি ধৰনে প্ৰকাশিত ১) বুৰঞ্জী মূলক ২) কিম্বদন্তি বা জনশ্ৰুতিমূলক আৰু ৩) কাল্পনিক। ১) এতিয়ালৈকে প্ৰকাশিত বুৰঞ্জী মূলক গীতবোৰৰ ভিতৰত বৰফুকনৰ গীত, জয়মতী কুৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, মনিৰাম দেৱানৰ গীত, হৰদত্ত বীৰ দত্তৰ গীত, চিকনসৰিয়হৰ গীত, নাহৰৰ গীত আদিয়েই প্ৰধান। এই গীতসমূহ করুন ৰসাত্মক। ইতিহাস প্ৰসিদ্ধ বিভিন্ন চৰিত্ৰৰ করুণ পৰিনতি দেখুওৱাটোৱে এইবোৰ গীতৰ প্ৰধান উদ্দেশ্য। ২) ফুলকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, ৰাধিকা শান্তিৰ গীত, কন্যা বাৰনাৰীৰ গীত, মধুমতীৰ গীত, কমলাকুৱৰীৰ গীত আদি জনশ্ৰুতি বা কিম্বদন্তীমূলক গীতৰ অন্তৰ্ভুক্ত। এই গীতৰ ৰচনা কাল নিৰ্ণয় কৰা কঠিন যদিও জনাগাভৰুৰ গীতেই সম্ভৱত আটাইতকৈ প্ৰাচীন। ফুলকোঁৱৰ, মনিকোঁৱৰৰ আৰু জনাগাভৰুৰ গীতৰ আখ্যানৰ মূল সম্ভৱত প্ৰাক্ আহোম যুগৰ। ৩) কাল্পনিক গীতবোৰ অসমীয়া গ্ৰাম্য জীৱনৰ বিবিধ কৰ্মৰ লগত

জৰিত। গীতৰ মাজেৰে কৰ্ম্মত লিপ্ত হোৱাৰ ফলত কৰ্মপ্ৰেৰনা বৃদ্ধি পায়। এই গীতবোৰ হ'ল ধাইনাম, নাওখেলৰ গীত, গৰখীয়া গীত, ঘঁতৰৰ গীত, হালবোৱা গীত, দেহবিচাৰৰ গীত, ভেকুলি বিয়াৰ গীত, নাঙলৰ গীত ইত্যাদি। এই গীতবোৰত জীৱনী শক্তিৰ আভাস পোৱা যায়। ইয়াৰ মাজেৰে কৃষিৰ উন্নতি আৰু অসমীয়া সমাজৰ অন্যতম তাতঁশাল, সূতা আৰু যতৰৰ যোগেদি জীৱনৰ বিশ্বাস ফুটি ওলাইছে।

অসমীয়া লোকসাহিত্যৰ এটি বৃহৎ শাখা হ'ল প্ৰবাদ পটন্তৰ। কম কথাতে একোটা জ্ঞানগৰ্ভ কথা প্ৰকাশ কৰিব পৰাটোৱে ইয়াৰ প্ৰধান বৈশিষ্ট্য। বহুতো প্ৰবাদ বাক্যৰ মাজত প্ৰত্যক্ষভাবে বা পৰোক্ষভাবে এ কো টি কাহিনী বৰ্ত্তমান। কিছুমান প্ৰবাদ বাক্যত ৰসিকতাও বৰ্ত্তমান আৰু কেতিয়াবা এই ৰসিকতাই গ্ৰাম্য দোষ তথা অশ্লীলতাও প্ৰকাশ কৰে। বেছি ভাগ প্ৰবচনত বিদ্ৰুপৰ ভাব দেখা যায় যদিও মানুহৰ গুণাগুন নিৰ্দ্দিষ্ট কৰি দিয়াটো ইয়াৰ অইন এটি বৈশিষ্ট্য। জীৱনৰ অপ্ৰিয় সত্য-বোৰৰ বিষয়ে চিন্তাৰ অৱকাশ নথকা চহা গাওঁলীয়া জীৱনৰ মানুহৰ এটা জীৱনৰ বা এটা দিনৰ ক্ষিপ্ৰ অভিজ্ঞতা, কেতিয়াবা এটা জাতিৰ কেইবাপুৰুষৰো অভিজ্ঞতাৰ পুঞ্জীভুত কাহিনীয়ে প্ৰবাদ পটন্তৰৰ মূখ্য উপজীব্য। প্ৰাচীন অসমীয়া সাহিত্য চৰ্য্যাপদ, শ্ৰীকৃষ্ণ কীৰ্ত্তনত যথেষ্ট সংখ্যক প্ৰবাদ বাক্য পোৱা যায়। ইয়াৰ উপৰিও প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি সকলৰ ৰচনাতো অধিকৰূপে পোৱা যায়। সেইকালৰ পৰা ইয়াৰ উৎভৱকাল যে অতি প্ৰাচীন সেয়া অনুধাবন কৰিব পাৰি। তদুপৰি সাহিত্যিক মূল্যও অনস্বীকাৰ্য্য।

চহা জীৱনৰ সৰল বিশ্বাস আৰু অনু-ভূতিৰ সুন্দৰ প্ৰকাশেই হ'ল সাধুকথা। উপ যুক্ত বা ভাল একোটা কাহিনীৰ সদায় এটি সৎ নীতি শিক্ষা থাকে; আৰু সেই সৎ কথাৰ পৰাই সম্ভৱত সাধুকথাৰ উৎপত্তি হয়। মানুহৰ লগত মানুহৰ সম্পৰ্ক লৈ কিছুমান সাধুত এটা কৰুণ সুৰ বাজি উঠে। কেতিয়াবা কিছুমান সাধুত প্ৰাকৃতিক নানা দৃশ্যৰ আদি কাৰণ সুন্দৰ ৰূপত বৰ্ণনা কৰা হয়; আৰু কেতিয়াবা কিছুমান সাধুত পৌৰানিক কাহিনীৰ অনুৰূপ কথা বস্তুৰ সৃষ্টি কৰা দেখা যায়। কিছুমান সাধুৰ মূল বিষয়বস্তু সংস্কৃত কথা আৰু কোনোটো সাধু অসমৰ জনজাতীয় সমাজৰ প্ৰতিচ্ছবিৰ পৰা লোৱা। এনেবোৰ সাধু হ'ল তেজীমলা, তুলা আৰু তেজা, পানেশৈ, চম্পাৱতী, বুঢ়া আৰু বুঢ়ী, বামুণ আৰু লিতিকাই, কুকুৰীকণা জোঁৱাই ইত্যাদি। কিছুমান সাধুত ভূত, পিশাচ আদি চৰিত্ৰৰ লীলা খেলা, অভিনয়ত চৰাই পশু আদিয়েই প্ৰধান ভাৱৰীয়া যদিও এইবোৰৰ সাহিত্যিক মূল্য যথেষ্ট। চহা গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি তথা চহা জীৱনৰ মানসিক, আধ্যাত্মিক আৰু কাল্পনিক মননশীলতাৰ

পৰিচয় সাধুবোৰত পোৱা যায়।

প্ৰকৃতিৰ মনোৰম ৰাজ্যত বিচৰণ কৰা নিৰক্ষৰ গ্ৰাম্য জনসাধাৰণৰ অন্তৰৰ বিভিন্ন ভাৱ অনুভূতি, প্ৰেমপ্ৰীতি হৰ্ষ বিষাদ, হাহি কৌতুক, পিতৃ স্নেহ, মাতৃ স্নেহ আদি আবেগ অনুভূতিৰ মুক্ত প্ৰকাশ লোক সাহিত্যত দেখা যায় ইয়াৰ আটাইবোৰ বিভাগৰ মাজতে গ্ৰাম্য জনসাধাৰণৰ চিৰন্তন অনুভূতি প্ৰকাশ হোৱা দেখা যায়। ইয়াৰ মাজত আছে গাওঁলীয়া সমাজৰ প্ৰতিচ্ছবি। কৃষিজীবি সমাজখনৰ ৰীতি-নীতি, আচাৰ প্ৰণালী, উৎসৱ পৰ্ব্ব, খেতি পথাৰ, চৰাই চিৰিকতি, গছ লতিকা পশু-পক্ষী, কীট পতঙ্গ আদি গ্ৰাম্য নিত্য ব্যৱহাৰ্য বস্তুৰ উল্লেখ লোক সাহিত্যৰ প্ৰধান উপাদান। সৃষ্টিকৰ্ত্তাই এই পৃথিবীত সৃষ্টি কৰা উৰণ, বুৰণ, গজণ, ভ্ৰমণ এই প্ৰতি শ্ৰেণী জীৱৰ নিখুত বৰ্ণনা লোক সাহিত্যৰ মাজত পোৱা যায়। সেয়ে প্ৰতিজন সাহিত্য প্ৰমীয়ে ইয়াৰ উচিত ব্যৱহাৰ কৰিলে অসমীয়া সাহিত্যৰ ভৰাল আৰু অধিক টনকীয়াল হব।

---


সহায়ক গ্ৰন্থ —

অসমীয়া সাহিত্যৰ ৰূপৰেখা — ড° মহেশ্বৰ নেওগ।
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — ড° সত্যেন্দ্ৰ নাৰায়ণ শৰ্ম্মা।
অসমীয়া ভাষা আৰু সাহিত্য — ড° উপেন্দ্ৰ নাথ গোস্বামী।
অসমীয়া লোক সাহিত্য — হেমন্ত কুমাৰ শৰ্ম্মা।
অসমীয়া জন সাহিত্য — ড° প্ৰফুল্ল দত্ত গোস্বামী।


যি শুদ্ধ, সত্য, পৱিত্ৰ সেয়ে চৰিত্ৰ। য'ত পাপ নাই তাতে চৰিত্ৰৰ থিতি। হিংস, দ্বেষ, পৰশ্ৰীকাতৰতাই যাক চুব নোৱাৰে চৰিত্ৰই তাকে অশ্ৰয় লয়। দয়া, ক্ষমা, পৰোপকাৰ যাৰ ধৰ্ম্ম তাৰ গাতে চৰিত্ৰই জিৰণি লয়। বিনয়, নম্ৰতা, নিষ্ঠতা যাৰ স্বভাৱৰ গুন তাৰ লগতে চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ। ভক্তি, শ্ৰদ্ধা, প্ৰীতি যাৰ আচৰণ তাৰ লগতে চৰিত্ৰৰ সৰ্ব্ব সঙ্গতি।

— পদ্মনাথ গোহাঞিঃ বৰুৱা।

প্ৰত্যেক দিন জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা।

– জিম কৰ্বেট

ঈশ্বৰত আৰু নিজৰ আত্মাত বিশ্বাস ৰখাই ধৰ্ম। সন্দেহ কৰা পাপ। অভেদ দৰ্শনেই ধৰ্ম, ভেদ দৰ্শনেই পাপ।

– স্বামী বিবেকানন্দ

মনক লাঠিৰে স্পৰ্শ কৰা নাযায়, দয়া, প্ৰেম আদি মনৰ কোমল প্ৰবৃত্তিৰেহে মনক স্পৰ্শ কৰা যায়।

– ৰাম কৃষ্ণ পৰমহংস

এহেজাৰ জন পুৰোহিততকৈ এজন ভাল স্কুল শিক্ষকৰ মূল্য বেছি।

– ৰবাৰ্ট ইংগাৰ ছল

সত্য সবাতোকৈ মহান কিন্তু তাতকৈ মহান হ'ল সত্যানুসাৰী জীৱন।

– গুৰু নানক

অন্ধই যদিহে অন্ধক চলাই নিয়ে তেন্তে দুয়ো খালত পৰিব।

– বাইবেল



# কবিতা

"কবিতা জীৱনৰ অন্য বিষয়-কুশল, অন্য প্ৰত্যাশা,
শব্দ সংঘ ভাঙি তিৰবিৰ
বন তুলসীৰ উজাৰি-লুকুৱা সুগন্ধি দীঘল উপত্যকা"......

# ঃ জন্মান্তৰ ঃ

মিচ্ মনোৱাৰা খাতুন
উঃ মাঃ ১ম বাৰ্ষিক

যন্ত্ৰণাৰ মাজেৰে মোৰ বিভৎস দিনবোৰ পাৰ হয়
আৰু—
সিহঁতে মোক বিদ্ৰুপ কৰি হাঁহে
সিহঁতে মোক প্ৰশ্ন কৰে
তোৰ কি আছে ?
তই কি হলি ?
তই কি হবি ?
আকাশ ফালি ফালি ধুমুহা, শিলাবৃষ্টি, বজ্ৰপাত
যদি মোৰ এইখন পৃথিৱীতে পৰে
বন্ধু—
মই কোনখন পৃথিৱীত পলাম ।
ঠেলা চলাব জানা — নাজানো ।
ৰিক্সা চলাব জানা — নাজানো ।
বস্তা কঢ়িয়াব জানা — নাজানো ।
কিয় — ?
বন্ধু — ?
মই জন্মৰ পৰাই দুৰাৰোগ্য ৰোগত আক্ৰান্ত
এটা হল বংশ মৰ্য্যদা আৰু আনটো হল আভিজাত্য ।

# ॥ এটি মাথো ভিক্ষা ॥

শ্ৰীজগবন্ধু কৈৱৰ্ত্ত
স্নাতক ১ম বৰ্ষ

নেলাগে প্ৰভু
ধন দৌলত,
নহওঁ মই ধনী।

জ্ঞানৰ পোহৰ
পালেই প্ৰভু,
হম মই সুখী।

# ॥ পিঞ্জৰাৰ প্ৰাণী ॥



এখন চিৰিয়াখানাৰ
দুটি মাথোঁ পিঞ্জৰাৰ
মাজত এখন প্ৰাচীৰ।
ভিতৰত দুটি প্ৰাণী
মিলনৰ তীব্ৰ বাসনা
চকুত অবুজ চাৰনী।

গভীৰ হতাশাৰে সিহঁতে অপেক্ষা কৰে
প্ৰাচীৰৰ ফাট মেলালৈ,
দুখৰ ৰাতিতো
এদিন পুৱাবই।



# খেল পথাৰ

মিচ, নন্দিতা দাস
উঃ মাঃ ১ম বাৰ্ষিক

এটি ফৰিঙৰ মৰন দেখি
মই আতঙ্কিত হলোঁ।
কিন্তু সেয়া কণমানিৰ খেলৰ সজুঁলি,
এই বিশ্বত সকলো,
তুমি
মই
আটাইয়ে।
আমোদৰ বাবে
চিঙা হয়
ঠেং, পাখী ইত্যাদি
অসীম নিকাৰ
পৰিণাম
অৱশেষত মৃত্যু;
আঙুলিৰ হেঁচাত
কোনো শালিকাৰ গ্ৰাসত
আকস্মিক আৰম্ভভাৰী।
ধ্বংস হয়
সৃষ্টিৰ বাবে।
আমাৰ মৃত্যু,
কণমানিৰ আনন্দৰ বাবে।
আমাৰ আনন্দ
এটি জোনাক
এটি শিখা
জলন্ত প্ৰদীপৰ
ৰূপৰ আহ্বান
মৃত্যু।

০ ০ ০ ০ ০ ০ ০

[ ৩১ ]



## ।। ভাৰত মাতা ।।

মিচ্ চন্দ্ৰা বৈশ্য
স্নাতক ২য় বাৰ্ষিক

ভাৰত মাতা
জননী আমাৰ
স্বৰ্গতকৈও অধিক
আপোন দেশ,

এই জননীৰ
বুকুতে জনম লভিলো
লাভ কৰিলো
মহাপুন্য মহাভাগ্য।

এই যে মোৰ
চিৰ চেনেহী আই
তোমাৰ বুকুতে যে
মোৰ এই জীৱন.

মোক তুমি আই
লোৱা আকোৱালী.
হে ভাৰত মাতা
তোমাৰেই কৰো জয়গান ।

তোমাৰ সন্নিধ্যত
বৈ যাওঁক,
শান্তিৰ সোঁত
বিলাই যোৱা
সিচৰিত কৰা
প্ৰতিটো ক্ষিণতে
সিচি যোৱা,
শান্তি আৰু শান্তি
প্ৰেম আৰু প্ৰেম
আনন্দ আৰু আনন্দ
আৰু সমৃদ্ধিৰ
নৱ কল্লোল।

হে ভাৰত মাতা

জয়ী হোৱা তুমি,
প্ৰতিটো পদক্ষেপতে
আঁকি যোৱা প্ৰতিচ্ছবি
জয়গান তোমাৰেই।

জয়ী হোৱা
ভাৰত মাতা,
তোমাক জনাওঁ
কৌটি কৌটি
স্বাগতম্! স্বাগতম্।







# —ঃ প্ৰেম ঃ—

শ্ৰীপ্ৰবীন ৰাভা
স্নাতক, ১ম বাৰ্ষিক

প্ৰেম !
তুমিতো নোহোৱা
শিল্পীৰ কাৰুকাৰ্য্য গাভৰুৰ নিমজ গালৰ
নোহোৱা ওঠৰ হাঁহি তল-সৰা ফুলৰ

তুমিতো নোহোৱা
তাজ হৃদয়হীন মাৰ্ব্বলৰ,
নোহোৱা ক্ষনিক লৰা-ধেমালীৰ বালিঘৰ

তুমি মোৰ
জনমভূমিৰ গোন্ধ, সৃষ্টিৰ স্বৰীয়া গুঞ্জন
প্ৰেমৰ মুক্তক ছন্দ, চেতনাৰ অমৃত স্পন্দন

তুমিতো যুগে যুগে
অজেয় চেতনাৰ শঙ্খ, বিপ্লৱৰ বজোৱা বীন ;
অজ্ঞান আন্ধাৰৰ আমঠু ফালি
স্বদেশলৈ আনা ৰাঙলী দিন ।







# সন্ধান

মিছ ধৰিত্ৰী খাখলাৰী
স্নাতক ২য় বাৰ্ষিক

ওলালো আজি নতুনৰ সন্ধানত
জীৱনৰ মায়া এৰি,
কত বাধা নেওচি আগবাঢ়িছো
এগছি উজ্বল বন্তি বিচাৰি ।

কেতিয়াবা কাঁইটনি, কেতিয়াবা মৰুভূমি
লভিছো খোজেঁপতি,
তথাপি অতিক্ৰমিছো
উজ্বল আশা সাৰটি ।

পামনে মোৰ কামনাৰ জ্যোতি ?
খাই কত হাবাথুৰি
পৰিবনে কাহানিবা সন্ধানৰ যৱনিকা ?
তথাপি নপৰো ভাগৰি ।
ৰাখিছো আশা বুকুত সাঁচি
মই যে এক নবীনৰ সন্ধানী ।





# সভ্যতা

শ্ৰী বিৰেশ চন্দ্ৰ ৰাভা
প্ৰাক্তন ছাত্ৰ

( এক )

সুতীক্ষ্ণ অস্ত্ৰেৰে অৰন্যৰ বুকুফালি
উজ্বল এগছি শিখা হৈ
তুমি আহি আছা।
বন্ধ কোঠাৰ সৰু জলঙাৰে
এন্ধাৰ আতৰাই
সিন্ধু, হৰপ্পা আৰু বেবিলনৰ পাৰত
পোনতে ললাহি জিৰাই ।।

( দুই )

তুমি প্ৰত্যক্ষ কৰিছা
চিকাৰৰ মাংস কেঁচাই খোৱা
মানৱৰ সমাজ
বৰ্বৰতাৰ শিকলি চিঙি
কৰিছাহি বিৰাজ
সমাজক সাৱটি কৰৈনো গৈছা ?
তুমি আহি আছা ।।

( তিনি )

বিশ্ৰামহীন পথিক তুমি
অনন্ত পথত....
কতজন লগ পাই আহিছা !
গ্ৰীক, চীনা কিম্বা মিছৰীয়
সুদূৰ অতীতত
মিলিজুলি সিহঁতেৰে খেলি আহিছা
তুমি আহি আছা ॥

[ চাৰি ]

কোনোৱে কলে তুমিয়ে হেনো সভ্যতা
তোমাৰ প্ৰতিটোপাল চকুৰ পানীৰ
কালিৰে লিপিবদ্ধ হয় —
নতুন পুৰুষৰ কলমত একোটিহত
আধুনিক মিঠা কবিতা
নেজহীন বান্দৰৰ জাকক কোন দিশে লৈ গৈছা ?
তুমি আহি আছা ।



If you plan for a yean plant grain,
If you plan for ten years plant trees
If you plan for hundred years plant

Chinese proverbs

# ঃ আশাৰ কলি ঃ

অৰ্পনা অধিকাৰী
স্নাতক ২য় বাৰ্ষিক



হে নতুনৰ কবি
লোৱা নমস্কাৰ।
শুনা মোৰ—
হৃদয়ৰ আকুলতা;
লিখিব খুজিছোঁ মইয়ো
এটি সৰু নতু নকবিতা
এই নতুন কবিতাটোত
মোৰ কলমেই আনিব শব্দ,
যি শব্দেৰেই গঢ়িব পাৰিম
নতুন কবিতাৰ ছন্দ।
তেতিয়াহে কবিতাটি হব
সুন্দৰ আৰু ৰসযুক্ত।
কিন্তু নোৱাৰিলোঁ। হায়!
আহিছিল ভাৱনা.
নাহিল কথা, নাহিল ভাষা,
অন্তৰতেই ৰ'ল মোৰ
কবিতা লিখাৰ অলেশ আশা।
আশাও নিৰাশাত পৰিণত হ'ল,
কবিতাও সম্পুৰ্ণ নহল,
আশাৰ কলিটি সপোন হৈ ৰ'ল।



# স্বপ্ন

শ্ৰীপদ্মেশ্বৰ দাস
উঃ মাঃ ১ম বৰ্ষ

বহুদিন হ'ল
তোমাক দেখা নাই
ৰিব্‌ ৰিব্‌ মলয়াই
খবৰ দি যায়।

আহা যদি কেতিয়াবা
বতাহ হৈ আহিবা
আবেলি সৰাফুল
কঢ়িয়াই আনিবা
যাতে মৰহি যায়।

আহা যদি সঁচাকৈয়ে
আজিয়েই আহিবা
পুৰনি সপোনবোৰ
লগতে আনিবা
কিমান দিন যে
সপোন দেখা নাই।

# ঃ দুটি অনূদিত কবিতা ঃ

মূল ঃ—সুকান্ত ভট্টাচাৰ্য্য
অনুবাদ ঃ আল্‌পনা সৰকাৰ
প্ৰবক্তা
বিভাগীয় মূৰব্বী, অসমীয়া বিভাগ

আধুনিক যুগ বিজ্ঞানৰ যুগ, প্ৰগতিৰ যুগ। সেয়ে আধুনিক কবিতাও ৰুগ্ন মানসিকতাৰ উৰ্দ্ধত মাথো বাস্তৱবাদী চিন্তাধাৰাৰ প্ৰতিফলন। বিজ্ঞানৰ সুদূৰ প্ৰসাৰী জয়যাত্ৰা দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ, মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰতিফলন, ফ্ৰয়েডীয় মনস্তত্ব, প্ৰাচীন মূল্যবোধৰ অপসাৰন আদি বিভিন্ন ধাৰনাই আজিৰ কবিতাক এক নতুন পথেৰে আগুৱাই লৈ যাব-লৈ সমৰ্থ হৈছে। আধুনিক কবিতাৰ ভাব উদ্ঘাটন কৰিব নোৱাৰা বহু ৰসগ্ৰাহী পাঠকৰ মতে আধুনিক কবিতাসমূহ দুৰ্বোধ্য। এই মন্তব্যলৈ কটাক্ষ কৰিয়েই প্ৰথিতযশা সাহিত্যিক চৈয়দ আব্দুল মালিকে আধুনিক কবিসকলক উদ্দেশ্য কৰি কৈছে—

“আমাৰ কবিতা কোনেও নুবুজে হে কবি নৱকান্ত,
বুদ্ধিৰ শিলত ঠেকা খাই খাই অনুভূতি হ'ল ক্লান্ত;
হৰি বৰকাকতি, হেমবৰুৱা, মহেন, বীৰেন ভট্টৰ
কবিতাত মাথো কাৰচাজি আছে, নাই চিন
কতো সত্যৰ।
.... .... .... .... ....
.... ... .... ... .... ।”

এই আধুনিক কবিতাসমূহৰ ৰস আস্বাদন কৰিব লাগিলে আমি অধ্যয়ন কৰিব লাগিব টি, এছ, এলিয়ট, বোদলেয়াৰ, লাফৰ্গ (ফ্ৰি ভাৰ্ছৰ স্ৰষ্টা), হিউম, এজৰাপাউণ্ড, ইয়েটচ, লৰেঞ্চ আদি কবিসকলৰ জীৱন আৰু কবিতা।

অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতা যেনেকৈ ইংৰাজী সাহিত্যৰ পৰা বাঙলা সাহিত্যৰ মাজেৰে আহিছে তেনেকৈ আধুনিকতাও বঙলা সাহিত্যৰ জ ৰি য় তে আহিছে বুলি কলেও অত্যুক্তি কৰা নহয়। জীবনানন্দ দাস, বুদ্ধদেৱ বসু, বিষ্ণু দে, সুকান্ত ভট্টাচাৰ্য্য আদি বঙলা সাহিত্যৰ শ্ৰেষ্ঠ আধুনিক কবি। ৰসগ্ৰাহী সকলৰ মতে—“কবিতা কবিতা হয় কেৱল মাথো আনন্দৰ চৰম মুহূৰ্ত্তত।” এই আনন্দ আস্বাদনৰ সুযোগ লৈ নিঃশঙ্ক চিত্তে কবিতা ৰচনা কৰা আজিৰ কবিসকলৰ বাবে ক ষ্ট ক ৰ। কিয়নো মানবীয় মূল্যবোধৰ অবক্ষয়, জীয়াই থকাৰ কষ্টকৰ সংগ্ৰাম আধুনিক কবিসকলৰ পাথেয়। সেয়ে হে কিশোৰ কবি সুকান্ত ভট্টাচাৰ্য্যৰ কবিতাৰ মাজেৰে প্ৰকাশিত হৈছে

তেওঁৰ বুভুক্ষু হৃদয়ৰ হাহাকাৰ—

"........কবিতা আজকে তোমায় দিলাম ছুটি
ক্ষুধার রাজ্যে পৃথিবী গদ্যময়

পূর্ণিমার চাঁদ যেন ঝলসানো রুটি ।"

আজীৱন দাৰিদ্ৰৰ সৈতে যুঁজ কৰা অনাহাৰ অৰ্দ্ধাহাৰত দিন অতিবাহিত কৰি দুৰাৰোগ্য যক্ষ্মাৰোগত আক্ৰান্ত হৈ চিকিৎসালয়ৰ এটি কোঠাত পলে পলে মৃত্যুৰ পিনে আগুৱাই গৈ মাত্ৰ ২১ বছৰ বয়সতে মৃত্যুক সাৱটি লোৱা এই কবিজন বঙলা সাহিত্যত 'কিশোৰ কবি' নামেৰেই স্বীকৃত ।

অনুবাদ অতি দুৰূহ কাম। তাতোকৈ দুৰূহ কবিতাৰ অনুবাদ কৰা। মূল কবিতাৰ ভাব, ছন্দ, ব্যঞ্জনা আদি সম্পূৰ্ণ প্ৰকাশ পোৱাকৈ কবিতা অনুবাদ কৰিবলৈ যোৱাটো যথেষ্ট কষ্ট সাধ্য। তথাপি আমি আমাৰ সীমিত জ্ঞানেৰে এই বিখ্যাত কবিজনাৰ দুটি কবিতা অনুবাদ কৰাৰ চেষ্টা কৰিছোঁ। অনুবাদৰ মাজেৰে মূলৰ সমগ্ৰ সৌন্দৰ্য্য প্ৰকাশিত হৈছে বুলি আমি কব নোৱাৰো, তথাপি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কিশোৰ কবিজনাৰ ভাৱ-চিন্তাৰ উমান পাওক বুলিয়েই আমাৰ এই প্ৰচেষ্টা। ছাত্ৰ-ছাত্ৰী সকলে কবি মানসৰ ধাৰণাৰ সম্ভেদ কিছুপৰিমানে পালেও আমাৰ চেষ্টা সাৰ্থক হ'ব।



মূল— 'আগামী'
কবি—: সুকান্ত ভট্টাচাৰ্য্য

## ॥ আগন্তুক ॥

জড় নহওঁ, মৃত নহওঁ, নহওঁ মই অন্ধকাৰৰ খনিজ,
মই এক জীৱন্ত প্ৰাণ, মই এটি অঙ্কুৰিত বীজ;
সীমাহীন নীলাকাশ, ভীত মই, ধূলিত বাগৰি
মেলিছোঁ সন্দিগ্ধ চকু, স্বপ্নই ৰাখিছে আৱৰি।
যদিও নগন্য মই, তুচ্ছ ভাবে বটৰ সমাজে
ক্ষুদ্ৰ হৃদয়তো মোৰ গোপনে মৰ্ম্মৰ ধ্বনি বাজে,
বিদীৰ্ণ কৰিছোঁ মাটি, আগমন ঘটে পোহৰৰ
শিপাই শিপাই সেয়ে বিশাল চেতনা অৰণ্যৰ।
অঙ্কুৰিত আজি মাথোঁ, কালিলৈ ক্ষুদ্ৰ পত্ৰ হ'ব
পবনৰ মৃদু পৰশত আলফুলে হালিব জালিব,
ক্ৰমান্বয়ে মেলি দিম দৃপ্ত শাখা প্ৰশাখাবিলাক
মোৰ পুষ্প সৌষ্ঠব দেখি নত হ'ব প্ৰতিবেশী বট।
সুদৃঢ় মোৰ শিপাগুচ্ছ, প্ৰবল উল্কা-বৃষ্টিপাত
ডালে-পাতে দিয়ে বাধা, ধুমুহাও হয় প্ৰতিহত;
অঙ্কুৰিত বন্ধুসৱ, উচ্চশিৰ মোৰ আহ্বান পাই
উচ্ছসিত হ'ব সৱে নৱ অৰণ্যৰ গান গাই
আগন্তুক বসন্তত আমি বট সমাজত মিলি যাম
পত্ৰ-পল্লৱে জয়ধ্বনি দিব, দ্বিধাহীন সম্বৰ্দ্ধনা পাম।
ক্ষুদ্ৰ হ'লেও তুচ্ছ নহওঁ— মই ভাবী বনস্পতি,
প্ৰকৃতিৰ উদাৰতাই মোক জনায় তাৰেই সম্মতি।
ঘাতক ৰূপেৰে আহি গোপনে আঘাত কৰা যদি,
আৱাহন জনাম তোমাক প্ৰতিবাৰে হাত বাউল দি;
ফুল দিম, ফল দিম, শুনাম পক্ষীৰ কলৰোল
একেই মাটিৰে পুষ্ট আমি, সকলো নিচেই আপোন।

০০০

মূল— 'প্ৰিয়তমাসু'
কবি— সুকান্ত ভট্টাচাৰ্য্য

# ❁ প্ৰিয়ত মাসু ❁

সীমান্তত আজি মই প্ৰহৰী।
বহু ৰক্তাক্ত পথ অতিক্ৰম কৰি
আজি ইয়াতে থমকি ৰৈছোহি—
স্বদেশৰ সীমনাত।

ধূসৰ টিউনিচিয়াৰ পৰা স্নিগ্ধ ইটালী,
ইটালীৰ পৰা ঢাপলি মেলিছোঁ বিপ্লৱমুখৰ ফ্ৰান্সলৈ
নক্ষত্ৰনিয়ন্ত্ৰিত নিয়তিৰ দৰে
দুৰ্নিবাৰ অপৰাজেয় বন্দুক হাতত লৈ;
—ফ্ৰান্সৰ পৰ, গৈছোঁ প্ৰতিবেশী বাৰ্মালৈকো।

দেহত মোৰ সৈনিকৰ সাজ,
হাতত উদ্যত দুৰ্জ্জয় ৰাইফল,
তেজে তেজে তৰঙ্গিত জয় আৰু শক্তিৰ দুৰ্ব্বহ দণ্ড,
আজি ইয়াত মই সীমান্তৰ প্ৰহৰি।
নীলিম আকাশে মোক জনায় আমন্ত্ৰণ
স্বদেশৰ বতাহে কঢ়িয়ায় ওভতাৰ বতৰা
সেউজ চিঠিৰ ভাষাই কৰিছে উন্মনা
বুজা নাই, কেনেকৈ নেওচো এই অনুৰোধ।

কেনেকৈ ত্যাজিম এই কঢ়া সৈনিকৰ সাজ?
যুদ্ধ অন্ত হ'ল। প্ৰান্তৰে প্ৰান্তৰে প্ৰসাৰিত শান্তি,
দুচকুত তাৰেই শীতল স্পৰ্শ,
অনুভৱ কৰিছোঁ ৰাইফল ধৰি থকা হাতৰ শিথিলতা,
খহিব ধৰিছে সৈনিকৰ সাজ.
জ্যোৎস্না বিধৌত নিশাৰ আকাশ; নিদ্ৰাহীন মই।

তোমাৰ কথা কতদিন ভাবিছোঁ।
কত শত্রুৰ পদক্ষেপ শুনাৰ প্ৰতীক্ষাৰ অৱসৰত.
কত গুলী ফুটাৰ মুহূৰ্ত্তত!
কতবাৰ অবাধ্য হৈ উঠিছে মন, যুদ্ধজয়ৰ ফাঁকে ফাঁকে
কতবাৰ হৃদয় জ্বলিছে অনুশোচনাৰ অগণিত
তোমাৰ আৰু তোমালোকৰ ভাৱনাত।

তোমাক এৰি আহিছোঁ দৰিদ্ৰৰ মাজত
এৰি থৈ আহিছোঁ দুৰ্ভিক্ষৰ অগণিত,
ধুমুহা আৰু বন্যা, মাৰি মৰকৰ দুঃসহ আঘাতত
বাৰে বাৰে বিপন্ন হৈছে তোমালোকৰ অস্তিত্ব।

আৰু
মই দৌৰি ফুৰিছোঁ
এখন যুদ্ধ ক্ষেত্ৰৰ পৰা আন এখন যুদ্ধ ক্ষেত্ৰলৈ।
আজিও নাজানোঁ, তুমি আছা নে নাই,
দুৰ্ভিক্ষৰ গৰাহত আৰু বানপানীত ভেঁটি
তল গৈছে নেকি—
নাজানোঁ তাকো

তথাপি তোমালৈ আজি লিখিছোঁ: লিখিছোঁ
আত্মন্তৰ আশাত
ঘৰলৈ উভতাৰ সময় সমাগত
জানোঁ, মোৰ বাবে কোনেও প্ৰতীক্ষা কৰা নাই
মালা আৰু পতাকাৰে, বন্তি আৰু মঙ্গল ঘটলৈ
জানোঁ, আৰু সম্বৰ্দ্ধনা মোক নজনায় মানুহে,
আনন্দেৰে নিদিব মোক বীৰত্ব পুৰস্কাৰ।

তথাপি মোৰ উপস্থিতিত
নাচি উঠিব এখন হৃদয়—
তোমাৰ হৃদয়।
যুদ্ধ আৰু নিবিচাৰোঁ, যুদ্ধ শেষ হ'ল;
মন আগনাবাঢ়ে ইন্দোনেছিয়ালৈ।
সমুখলৈ নহয় আৰু
এইবাৰ উভতি অহাৰ পাল;

আনৰ বাবে বহুত যুদ্ধ কৰিছোঁ।
এইবাৰ যুদ্ধ তোমাৰ আৰু মোৰ বাবে।
প্ৰশ্ন যদি কৰা, ইমান যুদ্ধ কৰি কি পালোঁ ?

তাৰ উত্তৰ হ'ল—
টিউনিছিয়াত পাইছো জয়মাল্য,
ইটালীত জনগণৰ বন্ধুত্ব,
ফ্ৰান্সত পাইছোঁ মুক্তিৰ মন্ত্ৰ;
আৰু নিস্কণ্টক বাৰ্মাত পালোঁ ঘৰলৈ ঘূৰাৰ তাগিদা।

মই যেন সেই বন্তি জ্বলাওঁতা,
সন্ধিয়া যিয়ে বন্তি জ্বলাই ফুৰে ৰাজ পথে-পথে,
অথচ নিজৰ ঘৰত নাই যাৰ বন্তি জ্বলোৱাৰ সামৰ্থ্য,
নিজৰ ঘৰত জমা হৈ থাকে যাৰ দুঃসহ অন্ধকাৰ।

# हांमा

Thoraina Sushila Hazowary
H. S. 2nd year

फ. पे जेव्ला हांमाया गोसोआव,
आय गोजोना थाङो
बनेथावबा सिरि दानसे ।
मिथि स्लाना मानो, माब्ला आरो बव्रेनिफाय
फयो हांमाया,
सहायबावनो बेसे ।
नुनो मिथिनो हाये,
गाव महर गोये
माबेलाय हांमा,
बेसे गोस्त्रों गोहो
अनथि सुखुखो जुबथिनो हानाय,
लामा आन्दाय होनो हानाय—
आय' बेसे गोराये सुजावनाय
ववे जोउआन ॥
गोबनो ना मिनिनो आं
बै जुवान बेसोआव,
हांमानि फाखनाव,
गोमाजाना हास्थायनाय लुबैनाय ॥
माबोला फांथोगोन हांमानि दरआ—
माबोला खेवगोन गोजोननि दरआ,
आय आं दिने
गोजोन निनो बिबापआरी ॥ ▱

§ § § § §

# निजीम सानजौफु समाउ

सुश्री राजिब बसुमतारी ॥
H. S. 2nd year

निजोम सानजौफु समाउ
जावबोदों नोंबे डिङाखौ,
आनि गाथोन थिङे
मा यांखि लानानै,
मिथिआ आं—
जावबोदों नों बे डिङाखौ,
देउलांनि बानाजों बुखार जये — जाये
निजोम सानजैफु समाउ
आनि गाथोन थिङे
मा यांखि लानानै,
लुबैयो आंहाबो नोंजो लोगोसे
जावफालांनो बे डिङखौ,
लुबैयो आंहाबो नोंजो, लोगोसे
गोदान गाथोन सोजिनो,
निजोम सानजेफु समाउ
लैथोनि बबेवा सेराउ
अराय साननि थाखाय । ▱

# গল্প বিতান



"জীৱনৰ একাঁজলি ৰাউয়াল হাহি, এটোপাল চকুৰ পানী, এমুঠী বিস্ময়ৰ জিলিঙনি, এচেৰেঙা সপোনৰ আভাস, অলপমান দোধোৰমোধোৰ—এইবোৰেই হ'ল··· চুটি গল্পৰ ঘাই অৱলম্বন।"



# ঃ শহীদ ঃ

ভূপেন দাস
প্ৰাক্তন ছাত্ৰ

ফটোশন দেখিয়েই মোৰ বুকুখন কঁপি উঠিল। মই চমকিত হলো। জীৱনত কাহা নিও নভবা কিবা এটি হৈ গ'ল। যি খন মুখ আজি জীৱনৰ দহোটা বছৰে বিচাৰি হাবাথুৰি খাইছিলো সেইখন মুখ আজি এনেদৰে দেখা পাই বুকুখন কঁপি উঠাই নহয়, শিলপৰা কপৌৰ দৰে মই নিথৰ হৈ চাই আছো। ছবিখনৰ তলতে কলা হৰফেৰে লিখা বাক্যটিয়ে মোৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰিলে "যোৰাকালি গুলী চালনাত মৃত্যুবৰণ কৰা পৰাগ চলিহা।" মূহুৰ্ত্তে বিজুলী চমকাদি চকুৰ আগত ভাহি উঠিল দহোটা বছৰৰ আগতে কলেজত লগ পোৱা পৰাগ চলিহাৰ আন এখন ছবি। মুখৰ মিঠা হাঁহি চকুৰ অশান্ত চাৱনি; প্ৰয়োজনতকৈ বেছি কথা নোকোৱা ল'ৰাজন ৰূপতে নহয়, গুণতো কলেজখনৰ এটা উজ্বল ৰত্ন আছিল।

"পাপৰি, পৰাগ চলিহাই আজি তোৰ বিষয়ে সুধিছিল। "প্ৰতিভাৰ কথাষাৰে সিদিনা মোৰ বুকুৰ এচুকত ভীষণ ভাবে "শ্বক" কৰিছিল। মনটো ৰাইজাই কৰিছিল। তাৰ পিছত প্ৰতিভাৰ আন এদিনৰ কথাষাৰত

মই পুলকিত হৈছিলোঁ। "পাপৰি পৰাগে তোক খুব ভাল পায়। ইমানদিনে মনৰ মাজত নিজাকৈ সাঁচি ৰখা আপোন আপোন লগা মানুহজনে সচাকৈ জানো মোক ভাল পায়? সীমাহীন স্ফুৰ্ত্তিত আত্মহাৰা হৈছিলো ৰোমাঞ্চিত হৈছিলোঁ। সৰগখন যেন হাতেৰে চুকি পাইছিলোঁ। পৰাগৰ প্ৰতি মোৰ মনটো সহানুভূতিত দ্ৰৱিত হৈছিল। ৰৱ নোৱাৰি প্ৰতিভাক কৈছিলোঁ— "পৰাগক মই মোতকৈ বেছি ভাল পাওঁ। "সিদিনা গোটেই নিশা মোৰ টোপনি অহা নাছিল। পৰাগক নিবিড় ভাবে পাবলৈ খুব ইচ্ছা গৈছিল। ওচৰত বহুৱাই লৈ যেন সাচি ৰখা ভাল পোৱাবোৰ ঢালি দিম।

ইতিমধ্যে স্নাতক মহলাৰ ছাত্ৰ পৰাগ চলিহা আৰু প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী পাপৰিৰ মাজত গঢ়ি উঠা মনৰ আদান প্ৰদানৰ কথা কাৰো বাবে গোপনীয় হৈ থকা নাছিল। লাহে লাহে কথাটো মা-দেউতাৰো কাণ চুলে। দেউতাই প্ৰথমতে খং কৰিছিল যদিও মোক টলাব নোৱাৰিয়েই হওক বা আন কিবা ভাবিয়েই হওক বহুতো বুজাইছিল। দেউতাই কৈছিল "এইবোৰ কি শুনিছো পাপু? ঘৰখনৰ কিবা এটা অঘটন নঘটোৱাৰ আগতে এইবোৰ এৰ। এইখন ঘৰৰ এটা আদৰ্শ আছে। অঞ্চলটোৰ কোনেও আমাৰ আগত আজিলৈকে মুৰ তুলি কথা নকয়; কিন্তু তোৰ বাবে হয়তো আৰু গোসাইৰ ঘৰ বুলি, এজন শাস্ত্ৰীয় ৰীতি নীতি মানি চলা সদাচাৰী ব্ৰাহ্মন বুলি কোনেও সন্মান নকৰিব। গোটেই সমাজখনৰ হাঁহিযাতৰ পাত্ৰ হম। আমাৰ পুৰ্ব পুৰুষৰ ৰীতিমতে গোসাই ঘৰৰ ছোৱালী বাহিৰলৈ ওলোৱাই নিষিদ্ধ, তথাপি তোৰ প্ৰবল ইচ্ছা আৰু প্ৰয়োজনতকৈ বেছি মৰম কৰোঁ বাবেই কলেজত পঢ়িবলৈ দিছিলোঁ। কিন্তু এয়া কি নকৰিবৰ চকৰি কৰিবলৈ লৈছ। মাজনী, পাপু তই এবাৰ আমাৰ মুখলৈ চা। আমাৰ এখন সমাজ আছে, ৰীতি নীতি আছে। মাৰো একেই কথা- "যি কৈবৰ্ত্ত সম্প্ৰদায়ৰ মানুহৰ গাৰ বা লাগিলেই গোঁসাই ঘৰৰ মানুহে গা-ধোৱা ৰীতি আজিও প্ৰচলিত, তেনেস্থলত এইবোৰ দেখি শুনিও তই কত খোজ দিছ?"

মা দেউতাই এনেদৰে বহুদিন বহুবাৰ বুজাইছিল, কিন্তু ইমানৰ মুৰতো মোৰ কোনো পৰিবৰ্ত্তন নেদেখি মোৰ অনিচ্ছা স্বত্বেও মা-দেউতাই গোবিন্দপুৰৰ মোমাইদেউৰ ঘৰত থাকি পঢ়িবলৈ পঠাই দিছিল। গোবিন্দপুৰৰ নতুন পৰিবেশটো মোৰ সমুলি ভাল লগা নাছিল, আমনি লাগিছিল, অসহ্য লাগিছিল তাতকৈ অসহ্য লাগিছিল গোবিন্দপুৰলৈ অহাৰ আগদিনা পৰাগক লগ পোৱা মুহুৰ্ত্তটোৰ কথাবোৰ ভাবি ভাবি! "পাপু, তুমি যাবলৈ ওলালা? সেই কঁপা কঁপা মাতেৰে পৰাগে মোক সুধিছিল। মই চকুৰ পানী টুকি টুকি কৈছিলোঁ— "ওঁ, মই যাবলৈ ওলালো পৰাগ

দেউতাহঁতৰ এলান্ধুকলীয়া ৰীতি-নীতিৰ লগত 'চেলেঞ্জ' দিয়াৰ সংসাহস গোটাব নোৱাৰিয়েই মই যাবলৈ ওলালো। দেউতাহঁতৰ আওঁ-কলীয়া ৰীতি নীতিয়ে আমাৰ ভাল পোৱাক, আমাৰ মিলনক কোনো দিনে স্বীকৃতি নিদিয়ে। মই আজি অনুভৱ কৰিছোঁ; মা দেউতাৰ অমতত আৰু কিছুদূৰ আগবাঢ়িলে হয়তো তেওঁলোকৰ একমাত্ৰ মৰমৰ কন্যাক চকুৰ আঁত ৰত ৰখাই নহয়, তাতোকৈ নিষ্ঠুৰ হব পাৰে। তেওঁলোকৰ মনোকষ্টতকৈ মোৰ আশা আকাংক্ষা, ভাল পোৱা যেন উৰ্দ্ধত হব নোৱাৰে।" মোৰ মাতত অধিক কোমলতা লক্ষ্য কৰিছিলো। তাৰ পিছত কি হল জানো মই পৰাগক এই বোৰ পাহৰি যাবলৈ অনুৰোধ কৰি একে চাবে ঘৰমুৱা হৈছিলোঁ। থোকাথুকি আৰু গদ গদ মাতেৰে চিঞৰা শুনিছিলো পৰাগে" —"তুমি উভতি আহিবা পাপু.... মই জানো তুমি উভতি আহিবা মই বাট চাই থাকিম। তুমি"....

বৰ্ত্তমান মই এইখন চহৰৰ এজনী মেজিষ্ট্ৰেট। চৰকাৰী দায়িত্বৰ ব্যস্ততাৰ মাজত নিজকে অকলশৰীয়া অনুভৱ নকৰিলেও তাহানিৰ কথাবোৰ, পৰাগৰ কথাবোৰ মনত পৰিলে মই নিসঙ্গ অনুভৱ কৰোঁ, বুকুৰ কোনোবা এডোখৰ হুমহুমাই যায়। মোমাই-দেউৰ ঘৰলৈ অহাৰ আগতে যি এবাৰ লগ পাইছিলো তাৰ পিছত আজি আৰু দহোটা বছৰে পৰাগক লগ পোৱা নাই। লগ পোৱাৰ ইচ্ছাও কৰা নাছিলোঁ। কেইদিনমান আগতে লগ পোৱা পৰাগৰ বন্ধু এজনৰ পৰা জানিব পাৰিছিলোঁ পৰাগে এম, এ পাছ কৰিছে। চাকৰি নকৰিলে। বিয়া বাৰুও কৰোৱা নাই। কিয় জানো, আজি কেইদিনমান ধৰি পৰাগলৈ বৰকৈ মনত পৰিছে। পৰাগে এম, এ পাছ কৰিও চাকৰি নকৰিলে। আজিও অবিবাহিত। হয়তো মোলৈ বাট চাই আছে। দেৰকুৰি বছৰীয়া এগৰাকী অবিবাহিতা মেজিষ্ট্ৰেট পাপৰিয়ে দেহটোৰ কথা ভাবিলে চকুৰে নেদেখিলেও কব পাৰোঁ যে পৰাগৰ কপালৰ ৰেখাবোৰ, চকুৰ তলৰ কলাখিনি স্পষ্ট হৈ পৰিছে। হয়তো পৰাগে নিজেও গম পাইছে, তথাপি .......।

ক্ৰিং ক্ৰিং... ক্ৰিং। ফোনৰ শব্দত মোৰ ভাবৰ আঁত ছিগিল। মই ঠিক এটা সপোন দেখি থকাৰ মাজ পৰতে কাৰোবাৰ মাতত সাৰ পোৱাৰ দৰে সচকিত হলো। এই বোৰ যে আৰু কি হৈছে। আজি কি পিকেটিং, কাইলৈ সত্যাগ্ৰহ। বৰ আমনি দিয়ে। অকনো জিৰণি নাই। কিবা এটা ভাবিবলৈও অৱকাশ নাই। বৰ মস্কিল। হেল্লো কোন? ... অ ... কি হ'ল? ... হয় নেকি? ইমান লোক! ... অচি হুৱৰা আহিছে নে নাই? .... মেইন গেটত চি, আৰ, পি, বোৰক ৰাখক আৰু ২ নং গেটত আমাৰ অসম বেটেলিয়ন

বোৰ হলেই হ'ল মই গৈছো।

গাড়ীৰ পৰা নামিয়েই দেখিলো এচ্, ডি, অৰ কাৰ্য্যালয়ৰ সন্মুখত লক্ষ লক্ষ জনতাৰে এক জন সমুদ্ৰত পৰিণত হৈছে। এটা অবিশ্ৰান্ত মিছিল। সহস্ৰ সহস্ৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালীৰ আকাশ বতাহ কঁপোৱা ধ্বনি "জয় আই অসম।" লক্ষ লক্ষ ভৰিৰ গচকত মাটি কপি উঠিল।

"আপোনালোক সোনকালে ইয়াৰ পৰা আঁতৰি যাওক, নহলে আমি ব্যৱস্থা লবলৈ বাধ্য হম।" চৰকাৰী মাইকৰ শব্দ সহস্ৰ কণ্ঠৰ মেদিনী কঁপোৱা ধ্বনিতকৈ প্ৰকট হব নোৱাৰিলে। জন সমুদ্ৰৰ অনিৰুদ্ধ ঢৌ আগুৱাই আছিল। আদেশ দিছিলো আন্দোলনকাৰীক ছত্ৰভঙ্গ কৰাবলৈ লাঠী চালনা, কন্দুৱা গেছ আৰু শেষত গুলীচালনাৰ। চকুৰ পচাৰতে জপিয়াই পৰিছিল উন্মাদ সহস্ৰ চি, আৰ, পি, বাহিনী। নিমিষতে সমদলটো ছেদেলি ভেদেলি হৈছিল। শুনিবলৈ পাইছিলোঁ কেৱল মা[illegible] আৰ্ত্তনাদ। ........

ঘোৰাকালিৰ নিৰ্মম গুলী চালনা[illegible] বাতৰি আজিৰ দৈনিক কাকতখনৰ প্ৰথম পৃষ্ঠ[illegible] উপচি আছিছে। তাৰ মাজত এখন ছবি[illegible] "শ্বহীদ পৰাগ চলিহা। হতবাক হৈছোঁ মই[illegible] অনুতাপত মন প্ৰাণ দগ্ধ হবলৈ ধৰিলে। মা[illegible] দেউতা তোমালোকৰ সংকীৰ্ণ জাত পাত[illegible] ৰীতি-নীতিৰ প্ৰখৰ উত্তাপত প্ৰকৃতিৰ উম[illegible] ফুলিবলৈ লোৱা দুটি নিষ্পাপ ফুল কলি শুকা[illegible] গ'ল। তোমালোকৰ আওঁকলীয়া সংকী[illegible] ৰীতি-নীতিয়ে দুটি পবিত্ৰ হিয়াৰ সপোন দিঠ[illegible] হবলৈ নিদিলে। মই যেন চিঞৰি চিঞৰি ··· 'আহ ঐ আহ ওলাই আহ' বাহিৰত আকৌ চি এণ্ড ৰ—সমদল, আহ্বান সাইলাখ ঘোৰা কালিৰ সমদলটোৱে যেন মোৰ পিনে খেদি আহিছে, আৰু এটা সময়ত সমদলটোৰ ভৰিৰ খোজত উৰা ধূলিৰ মাজত মই নিমিষতে মিলি গলো।



# ঃ পাঁচ টকীয়া বন্ধু ঃ


॥ শ্ৰীকৰেন নাথ ॥

স্নাতক ৩য় বৰ্ষ


আগষ্ট মাহৰ ১২ তাৰিখ ১৯৯০ চন। মই বিশেষ কাম এটাৰ বাবে গোৱালপাৰালৈ গৈছিলোঁ। মোৰ কৰণীয় কামফেৰী শেষ কৰি আবেলি ২-০০ (দুই) বজাত গুৱাহাটী অভিমুখী বাছ এখনত উঠি বহি ল'লো। মই বহা তিনিজনীয়া আসনখনৰ দুয়ো কাষে যাত্ৰী আছিল। মই আছিলো মাজত, মোৰ সোঁ-পিনে আছিল এজন সাজ-পোছাকত আধুনিক আধুনিক লগা মধ্যমীয়া স্বাস্থ্যৰ ডেকা ল'ৰা; আৰু বাওঁপিনে আছিল এজন আদহীয়া মানুহ। এওঁ অৱশ্যে দুৰণিবটীয়া যাত্ৰী নাছিল কিয়নো বাছখনে এটা ষ্টেচন পাৰ হোৱাৰ পিছত তেওঁ বাছৰ পৰা নামি গৈছিল। হেণ্ডিমেনে তেওঁৰ পৰা আগতীয়াকৈ গাড়ীভাড়া লৈছিল। আৰু সেই আসনখনৰ বাকী দুজন যাত্ৰী অৰ্থাৎ মই আৰু মোৰ কাষৰ সহযাত্ৰী জনৰ গাড়ীভাড়া লোৱা নাছিল। আমি আছিলো গুৱাহাটীৰ যাত্ৰী। মোৰ সহযাত্ৰী

জনৰ লগত সাধাৰণ চিনাকী হ'ল। গম পালো তেওঁৰো গুৱাহাটীলৈ যাব। মোৰ বাওঁপিনৰ আদহীয়া মানুহজন বাছৰ পৰা নামি যোৱাৰ পিছত মোৰ সহযাত্ৰী বন্ধুজনে বহি থকা গাড়ীৰ খিৰিকীৰ কাষৰ আসনখনৰ পৰা ভিতৰলৈ আহিল আৰু মোক খিৰিকীৰ কাষলৈ যাবলৈ অনুৰোধ কৰিলে। মইও সহযাত্ৰীৰ কথামতে বহি ল'লো।

আনি অহা বাছখনে কেবাটাও ষ্টেচন অতিক্ৰম কৰিছিল। ইপিনে আমাৰ মাজত বহুতো কথা-বতৰা হৈছিল, লগতে আমাৰ বন্ধুত্বও কিছু গাঢ় হৈ আহিছিল। আমাৰ কথোপকথোনৰ পৰা জানিব পাৰিলো তেওঁ এজন স্নাতক। আৰ্থিক অসুবিধাৰ হেতু স্নাতকোত্তৰ শ্ৰেনীত ভৰ্ত্তি হব নোৱাৰিলে। বৰ্ত্তমান তেওঁ চাকৰী এটাৰ সন্ধানত ঘুৰি থকা বুলি গম পালো। অৱশ্যে বৰ্ত্তমানে গুৱাহাটীৰ প্ৰাইভেট কোম্পানী এটাত অস্থায়ীভাৱে কাম কৰি থকা বুলি কলে। মই হঠাৎ হাতৰ ঘড়ীটোলৈ চালো ৩-০০ (তিনি) বাজি ৪০ (চল্লিচ) মিনিট আৰু ১০ (দহ) মিনিটমানৰ পিছত ধুপধৰা ষ্টেচন পাম। যদিও আমাৰ মাজত বহুত কথোপকথোন হৈছিল, আমাৰ বন্ধুত্ব গাঢ় হৈ আহিছিল, তথাপিও মই তাত কিছু সন্দেহৰ থল বিচাৰি পাইছিলো। কিয়নো তেওঁক কথোপকথোনৰ সময়ত সম্পূৰ্ণ অন্যমনস্ক যেন লাগিছিল। মাজতে এই সম্পৰ্কে তেওঁক এবাৰ সুধিছিলো। উত্তৰত তেও কৈছিল যে, যিটো কামৰ বাবে গোৱালপাৰাত গৈছিল, তাত কিছু খেলিমেলি হৈছে। তাৰ ফলত তেওঁৰ আজি দুপৰীয়া ভাত খাওঁতেও সুবিধা নহ'ল। সেয়েহে আগৰ ষ্টেচনত চাহ খোৱাৰ প্ৰস্তাৱ দিলে। মইও সম্মতি জনাই আগৰ ষ্টেচনলৈ অপেক্ষা কৰি থাকিলো।

কিছু পৰৰ পিছত ধুপধৰা ষ্টেচন পালো। ড্ৰাইভাৰে বাছখন যথাস্থানত ৰখাই ইঞ্জিন বন্ধ কৰিলে। বাছৰ প্ৰায়বোৰ যাত্ৰীয়ে নমাৰ প্ৰস্তুতি চলাইছে! বোধকৰো অধিকাংশই চাহ-জলপান খোৱাৰ বাবে। আমিও সেই চেগতে বাছৰ পৰা নামি ললো। ওচৰতে এখন ডাঙৰ চাহ দোকান। মই আৰু মোৰ সহযাত্ৰী আমি দুয়ো কেবিন খনলৈ গলো আৰু কেবিনৰ ভিতৰত সোমাই ওপৰত ফেন থকা এখন টেবুলৰ ওচৰত দুয়ো বহি ল'লো। কেবিনৰ ল'ৰা এটাই প্ৰথমে আমালৈ দুগিলাচ পানী আগবঢ়াই দি কি খাম সুধিলে। মোৰ সহযাত্ৰী বন্ধুজনে তাক ৰসগোল্লাকে আদি কৰি আৰু দুপদমান খোৱা বস্তুৰ অৰ্ডাৰ কৰিলে। পিছমুহুৰ্ত্ততে ল'ৰাটোৱে আমাক প্লেট দুখনত মুঠ ৬ (ছয়) বিধ খোৱা বস্তু আগত দিলে। দিয়া মাত্ৰে মোৰ সহযাত্ৰী বন্ধুজনে খোৱা আৰম্ভ কৰিছে আৰু মোকো খাবলৈ কৈছে। মই খোৱাৰ আগতে অলপ চিন্তা কৰিলো। পিছ মুহুৰ্ত্ততে ভাবিলো, ইয়াৰ "বিল" টো নিশ্চয়

মোৰ সহযাত্ৰী বন্ধুৰে দিব। কিয়নো এই ক্ষেত্ৰত তেওঁ মোতকৈ বেছি আগ ভাগ লৈছিল। সেয়েহে মোৰ মনৰ এটি সৰু আনন্দত হেঁপাহেৰে খোৱাত লাগি গ'লো। মোৰ সহযাত্ৰী বন্ধুজনৰ খোৱা পৰ্ব্ব প্ৰায় শেষ। মোৰ প্লেটত তেতিয়াও খোৱা বস্তু এটা আছে। সহযাত্ৰী বন্ধুজনে টেবুলত থকা জগটোৰ পৰা গিলাচত পানীলৈ দুগিলাচমান খালে আৰু কিছুপানীৰে মুখখন ধুই ললে। পকেটৰ পৰা ৰুমাল এখন উলিয়াই মুখখন মোছি ল'লে ঠিক সেই সময়ত দোকানী ল'ৰা এটাই ট্ৰে এখনত চাহ লৈ আমাৰ ওচৰত থিয় হ'ল। মোৰ সহযাত্ৰী বন্ধুজনে চাহ নেলাগে বুলি কলে দোকানী লৰাটো গ'ল। মোৰো প্ৰায় খোৱা শেষ হওঁ হওঁ। অকনমান আছে মনতে ভাবিছো সেইখিনি খাম নে প্লেটতে এৰিম। ওচৰত ভদ্ৰ লোক বা ভদ্ৰমহিলা আছে নেকি সুবিধা বুজি চাই ল'লো, নাই কোনো নাই। সেইখিনিও খাই শেষ কৰো বুলি চাহচামোচ খন খোৱা বস্তুত দিছো, ঠিক তেনেতে মোৰ সহযাত্ৰী বন্ধুজনে কলে— "আপুনি অলপ ৰব মই বাহিৰৰ পৰা আহো।" মইও খোৱা কাম শেষ কৰি হাত মুখ ধুই তেওঁ অহালৈ অপেক্ষা কৰি তাতেই কিছুপৰ বহি থাকিলো। আনুমানিক ৫ (পাঁচ) মিনিট মান পাৰ হ'ল, সহযাত্ৰী বন্ধুৰ কোনো চিন চাব নাই। তেওঁ যোৱাৰ পিনে ডিঙি মেলি চাব ধৰিলো, নাই কোনো নাই। ইপিনে আমি অহা বাছখন ড্ৰাইভাৰে ষ্টাৰ্ট কৰিছে। মোৰ বুকুৰ ধপ্‌ধপনী কিছু বৃদ্ধি হোৱা যেন অনুভৱ হ'ল। বহাৰ পৰা উঠি ললো পুনৰ তেওঁ যোৱাৰ পিনে চাব ধৰিলোঁ, নাই কোনো খা-খবৰ নাই। উপায় নেপাই গাড়ীৰ হেণ্ডিমেন জনক ৰৱ ৰৱ বুলি হাতেৰে সংকেত এটা দি বন্ধুজন যোৱাৰ পিনে আগবাঢ়িলোঁ। কিছুদূৰ গৈ লৰা এটা লগ পালো বোধহয় দোকানৰে লৰা। তাক লেট্ৰিনত কোনোবা গৈছে নেকি চাব দিলো আৰু মই প্ৰেসাবখানাৰ পিনে গলো। নাই কোনো মানুহ তাত নাই। লৰাটোৱে আহি কলে কোনো নাই বুলি মোৰ চুলিৰ আগেৰে জীৱ উৰি যোৱা যেন লাগিল। মনত এটা অবুজ বেজাৰ লৈ তাৰ পৰা ঘূৰি আহিলো। দোকানীজনক সুধিলো আমাৰ বিল কিমান হ'ল? খোৱা বস্তু দিয়া ল'ৰাটোৱে চাহ খালো নে নাই সুধিলে। মই চাহ নাই খোৱা বুলি কলো। তেতিয়া লৰাটোৱে ১০.০০ [দহ] টকা বুলি কলে। মানিবেগৰ পৰা দহটকীয়া নোট এখন উলিয়াই দোকানীলৈ আগবঢ়াই দি বাহলৈ দৌৰ দিলোঁ। বাছৰ ওচৰ পোৱাত হেণ্ডিমেনে মোৰ লগৰ জনৰ কথা সুধিলে। মই তেওঁক কথাটো কলো আৰু কৃত্ৰিম হাঁহি এটা মুখত লৈ বাহত উঠিলোঁ। হেণ্ডিমেন জনেও কথাটো বুজি বাহৰ পৰা চুইজ টিপি দিলে।

*



# — মদাৰ —

: মিছ ৰেখা দেৱী
স্নাতক ৩য় বাৰ্ষিক

চাৰিওফালে এক উখল-মাখল পৰিৱেশ তাৰ মাজতে পুতুলীয়ে নিজৰ কামখিনি কৰি গৈছে নিয়াৰিকৈ। তাথপিও তাই নিজেই ভাবিলে কৰবাত কিবা যেন আউল লাগি গৈছে, কৰিব লাগে কোনোবাটো কৰিছে তাৰ বাবে হাকিমনীৰ দুই এষাৰ টান কথাও শুনিছে। এৰা বিয়ালৈ আৰু মাত্ৰ তিনিটা দিনহে বাকী। ডাঙৰ মানুহৰ বিয়া বুলিলে বুলিবলৈ নাই। কেউদিশে হুলস্থুল। নানা বাদ্য বাজনাৰে গোটেই ঘৰখনেই ৰজনজনাই আছে। যিমানে দিন ওচৰ চাপিছে সিমানে পুতুলীৰ হৃদয় কিবা এক বুজাব নোৱাৰা বেদনাই খুন্দামাৰি ধৰিছে। আৰু মাত্ৰ তিনি দিন পিছত আইজনী গুচি যাবগৈ ন-কইনাৰ

সাজেৰে এখন নতুন ঘৰলৈ। চাওঁতে চাওঁতে সেই দিনটো পালেহিয়েই।

পুতুলী, এগৰাকী বাৰী দুখনীৰ এক-মাত্ৰ সন্তান। জীৱিকাৰ তাড়নাত মাকে তাইক ওচৰৰ গাওঁৰে নবেন মণ্ডলৰ ঘৰত দুই এখন কাম কৰাকৈ থৈছিল। তাতেই এদিন পুতুলী গাতৰু হ'ল। দেখাই শুনাই পুতুলীক নজনা মানুহে মণ্ডলৰ জীয়েক বুলিয়ে কব। সেয়ে হবলা মণ্ডলৰ একমাত্ৰ পুত্ৰ দীপকৰ বলি হ'ল পুতুলী যাৰ ফলস্বৰূপে তাইৰ গোটেই জীৱন-টোৱে হৈ পৰিল এপাহি মৰহি যোৱা ফুলৰ পাপৰিৰ দৰে। পুতুলী অন্তঃসত্বা হ'ল। কথা বুলিলেই বতাহ ইকান সিকানকৈ গোটেই গাওঁখনতে কথাটো সদৰি হৈ পৰিল; লগে লগে মণ্ডলৰ ঘৈনীয়েকৰো কথাষাৰে কান চুলেহি। শিক্ষিত ডেকা দীপক পলাই গ'ল কোনোবা মোমায়েকৰ ঘৰলৈ। পুতুলী হৈ পৰিল ডাল পাত নথকা এজোপা লঠঙা গছৰ দৰে। সৰু মানুহৰ ওপৰত প্ৰতিশোধ লবলৈ বেছি সময় নালাগে। কথাষাৰ শুনামাত্ৰেই মণ্ডলৰ ঘৈনীয়েকে চৰিত্ৰহীনা ছোৱালী বুলি পুতুলীক এক প্ৰকাৰ খেদিয়েই পঠিয়ালে। বেচেৰী পুতুলী ঘূৰি আহিল নিজৰ উকৰ্খা পঁজালৈ। তাতেই জন্ম হ'ল এজনী ছোৱালীৰ নাম থলে মুনু। পিতৃ পৰিচয়হীনা এজনী ছোৱালী জন্ম দিয়া বাবে পুতুলী হৈ পৰিল সমাজৰ চকুত কলংকিতা, কিন্তু সেই একেখন সমাজৰে লম্পট, প্ৰবঞ্চক, কাপুৰুষ দীপক চলিহাক বৰ মানুহৰ পুত্ৰ বাবেই বেয়া বুলি কোনেও এষাৰ কবলৈও সাহস নকৰিলে। হায়! হায়! সভ্যতাৰ পোহৰেৰে মুখৰিত হৈ পৰা এয়ে নেকি আজিৰ শিক্ষিত সমাজ ব্যৱস্থা? সেইদিনা পুতুলীয়ে হিঁয়াধুনি কান্দিছিল। কিন্তু পুতুলীৰ সেই কান্দোন উকৰ্খা পঁজাটোৰ ভিতৰতে আবদ্ধ হৈ থকাৰ বাহিৰে কাৰো হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম নহল। সংসাৰত আপোন বুলিবলৈ থকা মাকজনীও পুতুলীক অথাই সাগৰত এৰি থৈ গুচি গ'ল এদিন চিৰদিনলৈ। পেটৰ তাড়নাত কণমানি কেচুৱাটোকে বোক-চাত লৈ পুতুলী ওলাই গ'ল ঘৰে ঘৰে কাম বিচাৰি। এদিন গাওঁৰে মধুমাষ্টৰৰ ঘৈনীয়েকে পুতুলীক চহৰৰ কোনোবা সুবোধ হাকিমৰ ঘৰত থৈ আহিল।

সেইদিন ধৰি তাই হাকিমৰ ঘৰতে আছে। এটি সৰু আচুতীয়া কোঠা পুতুলীক দিয়া হল। পুতুলীয়ে কোনোদিনে কামত হীনদেড়ী কৰা নাই। হাকিমণীও অৱশ্যে কোনোদিনে পুতু-লীক কোনো কামৰ বাবে দ্বিতীয়বাৰ কব লগীয়া হোৱা নাই। পুতুলীৰ একান্ত ইচ্ছা তাই ছোৱালীজনীক ভালদৰে শিক্ষাদীক্ষা দি এটি ভাল ল'ৰাৰ লগত বিয়া দিব। তাই নিজে নেখাই হলেও মুনুক খুৱাব পিন্ধাব, তাই তাক লোকৰ ঘৰলৈ কাম কৰিবলৈ যাব নিদিয়ে। নিজৰ দৰে তাই মুনুৰ জীৱনটো উটি যাবলৈ

যাবলৈ দিব নোৱাৰে। পুতুলীয়ে ওলাই অহা চকুপানীখিনি কোনেও গম নোপোৱাকৈ ৰিহাৰ আচলেৰে মচি ললে। প্ৰথম যেতিয়া এইখন ঘৰলৈ আহিছিল হাকিমণীয়ে মাজে মাজে পুতুলীক শুনাকৈ তাইৰ চৰিত্ৰৰ বিষয়ে দুই এযাৰ টান কথা নুশুনুৱাও নহয় বেচেৰী পুতুলীয়ে এই সকলোবোৰ শুনিও নুশুনাৰ ভাও জুৰি থাকে। একমাত্ৰ ভগৱানৰ বাহিৰে তাই আৰু এতিয়া কাকো বিশ্বাস নকৰে। হাকিমনীৰ ভয় জানোছা পুতুলীৰ চৰিত্ৰৰ বিষয়ে আকৌ কিবা ওলায়। কিন্তু হাকিমৰ একমাত্ৰ ছোৱালী আইজনী আছিল তাৰ সম্পূৰ্ণ বিপৰীত ঘৰ সোমোৱাৰ পৰা আজিলৈকে আইজনীয়ে পুতুলীক কোনো বেয়া ব্যৱহাৰ কৰা নাই। পুতুলীৰ দুৰৱস্থাৰ বাবে আইজনীয়ে তাইক উপহাস কৰা নাই বৰং তাইৰ আৰু মুনুৰ এই অসহায় অৱস্থাৰ বাবে সেই কাপুৰুষ, ঠক, প্ৰৱঞ্চক গৰাকীলৈ ঘৃণাৰে নাক কোছাইছিল। আইজনীয়ে সদায় পুতুলীক ইখন সিখনকৈ কম আমনি খন নকৰে। ইফালে পুতুলী বাই সিফালে পুতুলী বাই কলেজলৈ গলে কাপোৰখিনি ভালকৈ দিবলৈয়ো পুতুলী বাইৰ প্ৰয়োজন হয়; যেন পুতুলীবাই নহলে নহয়েই। মুনুলৈও তাইৰ অগাধ মৰম। দেউতাকক কৈ তাই মুনুৰ নামটো স্কুলত লগাই দিবগৈ। সেই কাৰণে হবলা আইজনীৰ সন্নিধ্যত থকা বাবেই পুতুলীয়েও পাহৰি গৈছিল যৌৱনত খোজ দিয়ে উগুটি খোৱা সেই দিনবোৰলৈ। কিন্তু পাহৰিব খুজিও পুতুলীয়ে আকৌ এবাৰ মনত পেলাবলৈ বাধ্য হ'ল আজিৰ দিনটোত। ঘৰখনত এক উখল মাখল পৰিৱেশ। ৰভাতলী মানুহেৰে ভৰি পৰিছে। ৰাস্তাৰ বহু দূৰলৈকে শাৰী শাৰী ধুনীয়া গাড়ী বোৰ, এফালে টেপ, একালে বেণ্ডপাৰ্টিৰ মাত কোনটো শুনিবগৈ। জাউ ৰয়ে জাউৰিয়ে বিয়া নাম তাৰ মাজতে গাভৰু ছোৱালী জাকৰ হাঁহি খিকিন্দালি। ৰভাৰ এচুকত কইনাৰ বিতোপন সাজেৰে বহি আছে আইজনী। পুতলীৰ আজিৰ এই দিনটো যেন এক অভিশাপৰ দিন। পুতুলীও এদিন ভাবিছিল তাইও এদিন কইনাৰ সাজেৰে ওলাই যাবগৈ এখন নতুন ঘৰলৈ। সৰুকৈ হলেও এখন সুখৰ সংসাৰ পাতিব। কিন্তু নিয়তিৰ কি পৰিহাস! যৌৱনৰ প্ৰথম দুৱাৰ দলিতেই তাইৰ গাভৰু জীৱনৰ সকলো আশা আকাংক্ষা ধুলিস্মাৎ হৈ গ'ল। আইজনীতকৈ হয়তো পুতুলী দুই তিনিবছৰৰ হে ডাঙৰ হব। আইজনীয়ে মাজে মাজে কৈছিল— পুতুলীবাই তোৰতো বয়স উকলি যোৱা নাই আমি যদি তোক কৰবাত আকৌ নতুনকৈ ঘৰ এখন পাতি দিও তই বেয়া পাবিনেকি? আগেয়ে যি হৈ গ'ল গ ল পতুলীবাই সেইবুলি তই আৰু গাভৰু জীৱনটো এনেদৰে কটাবিনে? তাৰ উত্তৰত পুতুলীয়ে কৈছিল অইন যিয়েই নকওঁক কিয় তাইক যেন আৰু বিয়াৰ কথা কেতিয়াও নকয়। তাইৰ দীঘল হুমুনিয়াহ এটা ওলাই আহিল। যাৰ লগত পুতুলীয়ে ইমান দিনে সুখ দুখৰ কথা

এষাৰ পাতিছিল তাইও আজি পুতুলীক এৰি গুচি যাবগৈ। আজি এইখন ঘৰলৈ জোৱাই হৈ আহিব দীপক চলিহা। মাক দেউতাকৰ মতে হওঁতে আইজনীৰ বিয়াৰ বয়স তেনেকৈ হোৱা নাই তথাপি ও ভাল দৰা পাইছে যেতিয়া আপত্তি কৰিবলৈ কিটো? দীপক চলিহা এজন ডাঙৰ ইঞ্জিনিয়াৰ গতিকে আত্মীয় স্বজনেও বিয়াখনত বাৰুকৈয়ে জোৰ দিলে। ইমান ডাঙৰ চাকৰি কৰা লৰা এটা আইজনীৰ বাবে পাইছে সেইটো গৌৰৱৰহে কথা। তাৰ বাবে মাকে মনে মনে আইজনীক হিয়া উজাৰি আশীৰ্বাদ দিলে। পুতুলীয়ে লাহেকৈ মুখখন ঘূৰাই আইজনীলৈ এবাৰ চালে সেই একেই মৰমীয়াল এখন নিষ্পাপ মুখ, তাত কোনো কৃত্ৰিমতা নাই, নাই কলুষতা। আইজনীৰ এই নিষ্পাপ হৃদয় খনেৰে বাৰু দীপক চলিহাৰ কলুষতাক ধুই নিকা কৰিব পাৰিবনে? আৰু অলপ পিছতে দীপক চলিহাই এইখন ঘৰৰ একমাত্ৰ আদৰৰ ছোৱালী আইজনীক হোমৰ জুই সাক্ষী কৰি ধৰ্ম-পত্নী হিচাপে গ্ৰহন কৰিব, কিন্তু হোমৰ জুইৰ কাষত বহি দীপক চলিহাৰ বাক এবাৰলৈ মনত পৰিবনে এপাহি ফুলৰ দৰে নিষ্পাপ সেইজনী পুতুলীলৈ মনত পৰিবনে গোটেই জীৱন দীপক চলিহাৰ সাক্ষী বহন কৰি অহা দেৱ শিশু মুনুলৈ? পৰিবনে বাৰু মাত্ৰ এবাৰলৈ .... মনত? পুতুলীয়ে কোলাত থকা মুনুক সমস্ত শক্তিৰে বুকুৰ মাজত সাবটি ধৰিলে।



: পাচ টকীয়া বন্ধু :



# ঃ অব্যক্ত ৰিক্ততা ঃ

॥ দীপ্তি ৰায় চৌধুৰী ॥
প্ৰাক্তন সম্পাদিকা
আলোচনী আৰু তৰ্ক বিভাগ

আকাশত শাৰদীয়া চতুৰ্দশীৰ জোন। দেৱাল ঘড়ীটোৱে ছয় বজাৰ সঙ্কেত দিছিল। নিশা জোনাকৰ মৃদু পৰশত ফুলিব লৈ বহু আশাৰে বৈ থকা শেৱালীৰ অৰ্দ্ধ প্ৰস্ফুটিত কলিবোৰৰ এটি মিঠা সুবাস বতাহৰ মাজে মাজে ভাহি আহিছিল। গুৱাহাটী মহানগৰীৰ চৌদিশৰ লাইটবোৰ জ্বলিবলৈ তেতিয়া আৰু বাকী নাছিল। কি এক মনোৰম দৃশ্য! সন্ধ্যাৰ এই সময়ছোৱাত গুৱাহাটী মহানগৰীক এখন সপোনপুৰীৰ দৰেই লগা হয়। চাৰিও ফালে ব্যস্ত জনতা। মাথোন স্মৃতিৰ জোলোঙাক নিৰাশাৰ আৱৰণেৰে আবৰি লৈ বাৰান্দাৰ চেয়াৰত বহি আছে মণিকংকনা। ঘৰখনত তাইক উদ্দেশ্য কৰি পিছদিনা এটা শুভ কাম অনুষ্ঠিত হব। কিন্তু তথাপিও তাইৰ মন উদাসীনতাই আবৰি ধৰিছে। আজি যেন

মণিকংকনাৰ মনক কিছুমান উত্তৰহীন আৰু প্ৰত্যয় নিয়াব নোৱাৰা কথাই বাৰে বাৰে জুমুৰি দি ধৰিছে। ঘৰখনত দুই এটা আলহীও আহিছে। তদুপৰি তাইৰ মাক, একমাত্ৰ ভনীয়েক আৰু ভায়েকজনো আনদিনাতকৈ ব্যস্ত সমাগত নিশাটো পুৱালেই তাইক আঙুঠি পিন্ধাবলৈ আহিব। ল'ৰাজন ইঞ্জিনিয়াৰ। তাইৰ নিজৰে অন্তৰ্ধান হবলৈ মন গ'ল। আজি চাৰিটা বছৰে তাই মাক তথা আত্মীয় সকলৰ অনুৰোধ আওকান কৰি আহিছে। তেওঁলোকৰ অনুৰোধ, তাই বিয়াত মত দিব লাগে। কিন্তু তাইৰ মনৰ গতি অনাফালে বৈছিল। তাই মাথো সিহঁতক কৈছিল, "মই কাৰো বোজা হৈ থকা নাই, মই নিজৰ পথ নিজেই বাছি লৈছো।" তেওঁলোকে তেতিয়া মনে মনে ৰৈছিল। অৱশেষত মণিকংকনা মত দিব বাধ্য হৈছিল বৃদ্ধা মাকৰ মুখৰ পিনে চাই। কিন্তু তাই আজি বিষন্নমনা; সেইবুলি অসহায় হয়। এই বিষন্নতাৰ উৎস বিচাৰিব গৈ যে তাইৰ অতীতটোৰ ফালে ঘূৰি চাব লগা হ'ল।

গুৱাহাটী নিবাসী শ্ৰীযুত অনিৰ্বাণ চৌধুৰী আৰু শ্ৰীমতী অঙ্কিতা চৌধুৰীৰ প্ৰথম সন্তান আছিল মনিকংকনা চৌধুৰী। "মনি" বুলিয়ে পৰিচিত বেছি। মনিৰ তলত এটি ভায়েক অৰুনাভ আৰু ভনীয়েক উপাসনা। দেউতাক শ্ৰী চৌধুৰী নামজ্বলা কলেজ এখনৰ অধ্যক্ষ ৰূপে কাম কৰি শেষত অৱসৰ লৈছিল। মাকজনীও শিক্ষিতা ভদ্ৰ মহিলা। দিন বাগৰি যোৱাৰ লগে লগে সিহঁত তিনিওটি ক্ৰমে ডাঙৰ হৈ আহিল, মানে বহুত ডাঙৰেই হলগৈ। মনিয়ে অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ ওলাল। তেনে সময়তেই দেউতাক বেয়াকৈ হৃদৰোগত অক্ৰান্ত হয়। বাহিৰলৈ চিকিৎসাৰ বাবে নিয়া হৈছিল যদিও কোনো ফল নধৰিলে ঘৰ আহি পোৱাৰ পিছদিনাই শেষ নিশ্বাস এৰি ছিল। ঘৰখনে যেন এক অনিশ্চিত নিৰাপত্তাৰ অভাৱ অনুভৱ কৰিলে। অৰুনাভ তেতিয়া ইঞ্জিনিয়াৰিঙৰ ২য় বাৰ্ষিকৰ ছাত্ৰ; আৰু উপাসনাই কলেজত ভৰ্ত্তি হৈছিলহে। কিন্তু ঘৰৰ পৈতৃক সম্পত্তি যথেষ্ট আছিল, তদুপৰি বহু কেইটা ভাড়া ঘৰৰ টকাৰে মাকজনীয়ে ঘৰখন বৈচ ভালদৰেই চলাই নিছিল. কোনো অসুবিধা নোহোৱাকৈয়ে।

মণিকংকনাই ইতিমধ্যে দেউতাকৰ কলেজ খনতেই চাকৰি পাইছিল। লগতে বিয়াৰ কথা বতৰাও মাজে মাজে কাণত পেলাইছিল। এই সম্পৰ্কত কথা চলিছিল সপোন দুৱৰাৰ সৈতে। তেওঁক মণিয়ে তাৰ দুবছৰ আগতেই লগ পাই ছিল। ঘৰ গুৱাহাটীতেই। দুয়োখন ঘৰৰে এই ক্ষেত্ৰত পূৰ্ণ মতও আছিল বুলিব পাৰি। শ্ৰী দুৱৰাই স্নাতকোত্তৰ ডিগ্ৰী লৈ চাকৰিৰ ফালে মন নেমেলি ব্যৱসায়ত নামিছিল। দুয়োৰে বৃত্তি বিপৰীত মূখী যদিও মনৰ তথা

আদৰ্শৰ মিল আছিল প্ৰায়বোৰ দিশতে। পৰস্পৰে পৰস্পৰৰ ভৱিষ্যতৰ দুখ সুখৰ সমভাগী হোৱৰ আশা কৰিছিল।

মনিয়ে কলেজত জইন কৰাৰ পিছৰ বছৰৰ ঘটনা। কলেজৰ স্নাতক মহলাৰ ফাই নেল পৰীক্ষা। পৰীক্ষাগৃহত এজন লৰাই অসৎ উপায় অৱলম্বনেৰে প্ৰশ্নোত্তৰ লিখি আছিল। সেই কথাটো ধৰা পৰিছিল মনিৰ চকুত। লৰাজন আছিল সপোনৰ ভাগিন বিদ্যুৎ। তথাপি স্বাৰ্থহীন, নিৰ্ভীক মণিয়ে বিদ্যুৎৰ কাষলৈ গৈ কাগজৰ টুকুৰাবোৰ খুজিলে। বহী খন লব খোজাত সি টানি লৈ গ'ল। তেতিয়া তাই পুনৰ টনা আজোৰা কৰি কিবা প্ৰকাৰে বহীখন লৈ লগতে তাক লৈ অধ্যক্ষৰ ওচৰ পালেগৈ। বাকী ছাত্ৰ-ছাত্ৰীবোৰে দেখি থতমত খালে শেষত অধ্যক্ষই বিদ্যুৎক পৰীক্ষাগৃহৰ পৰা বহিস্কাৰ কৰিলে তিনিবছৰৰ বাবে। কিন্তু পৰীক্ষা শেষ হলত, ঘৰলৈ আহি থকা অৱস্থা তেই ৰাস্তাত বহুকেইজন ল'ৰাই মণিক নানান অশালীন ভাষাৰে গালি পাৰিলে আৰু চুলিত ধৰি "বৰ কাঢ়া ডিউটি দিবলৈ আহিছ" বুলি টানি মাটিত ঢকা মাৰি দিলে। তাই লুটিখাই পৰি গৈছিল। হাতৰ বেগ, কাগজ পত্ৰবোৰ চিটিকি পৰিছিল। সেই মস্তিষ্কৰ লৰা জাকৰ মাজত বিদ্যুৎতো আছিল; আৰু দুজন মান তাইৰ ছাত্ৰ আছিল তাত। বাটৰ কাষৰ মানুহবোৰে তথৰ মানি মাত্ৰ সেই দৃশ্য চাইছিল হে বাধাদ দিবলৈ কোনো আগবঢ়া নাছিল। মনি আঘাত পাইছিল হাত, ভৰি আদিত। কোনোমতে ৰিক্সা এখন লৈ ঘৰ পাইছিলহি। মাকে চকুপানী টুকিছিল এনে অৱস্থাৰ বাবে।

সন্ধিয়া সপোন আহিছিল মণিৰ ওচৰলৈ, ভাগিনৰ তেনে কামৰ বাবে নিজে ক্ষমা বিচাৰি। কিন্তু ক্ষমাদানেৰে মনি মহান হ'ব খোজা নাছিল। তেওঁলোক দুয়ো কথাৰ কটাকটি কৰি থাকোতেই সপোনৰ বায়েক অৰ্থাৎ বিদ্যুৎতৰ মাক আৰু সপোনৰ সৰু ভায়েকজনে আহি মণিক পুনৰ বেয়াকৈ অপমান কৰি গ'ল। অৰুনাভে প্ৰতিবাদ কৰিছিল যদিও মণিয়ে তাক মনে মনে থাকিব কৈছিল। এটা সময়ত সপোন ও ঘৰলৈ গৈছিল। কিন্তু বহুনিশালৈ উচুপি আছিল মণি। সেই উচুপনিয়েই যেন জীৱনজুৰি'লৈ গ'ল। লাহে লাহে সপোনৰো খবৰ মণিৰ বাবে দুৰ্লভ বস্তু হৈ আহিল। হয়তো পিছলৈ এই ঘটনাক লৈয়েই সপোনৰ আদৰ্শইও কিছু লুটিবাগৰ খাইছিল স্বাৰ্থজনিত ভাৱে। দুমাহমান পিছত তাই গম পাইছিল বান্ধৱীৰ মুখত সপোনে হেনো বন্ধু এজনৰ ভনীয়েকক বিয়া কৰাব ওলাইছে। পিছত বেলেগৰ হাতত পঠোৱা নিমন্ত্ৰনী পত্ৰও পাইছিল তাই। সেইদিনা নিমন্ত্ৰনী পত্ৰখন হাতত লৈ বহুসময় স্তব্ধ হৈ ৰৈছিল মণি। তাইৰ কল্পনা যেন উজাগৰী নিশাৰ সপোন হৈয়ে ৰল। মণিৰ মনাকাশ ঢাকিবলৈ এচপৰা

কলা ডাৱৰ নামি আহিল। তাই নিজকে কেতিয়াবা প্ৰশ্ন কৰে, তাইৰ জীৱনৰ এই অমানিশা আতৰাবলৈ পূৰ্ণিমা জানো কাহানিও নাহিব ? মাকে ঘাৰে বাৰে চাকৰিটো বাদ দিবলৈ কৈছিল। কিন্তু তাই অলৰ অচৰ। কাৰণ সময়ৰ নিষ্ঠুৰ আচোঁৰেও তাইৰ ন্যায় নিষ্ঠতাক মোহাৰি পেলাব পৰা নাছিল। যিটো আজিও পৰা নাই। সত্যপথত থাকি কাৰো ৰঙা চকুলৈ ভয় কৰাৰ পক্ষপাতি তাই নাছিল।

কিন্তু তথাপিও সেই দৃঢ়মনা মণিককেনা আজি যেন দুৰ্বল হৈ পৰিছে। মাকে জোৰেৰে ভিতৰৰ পৰা চিঞৰিলে— "মণি অকমান এই পিনে আহি যাচোন!" "গৈছো মা!" বুলি উঠিব খোজোতেই অনুভৱ কৰিলে দুচকুৰে হিয়া ভাগি পৰা নৈ খনিয়ে দেখোন হাত দুখন বুৰাই পেলাইছে॥



## ঃ কবিতাগুচ্ছ ঃ



# ঃ প্ৰাত্যহিক ঃ




। জ্যোতি প্ৰসাদ শৰ্মা।
প্ৰাক্তন সম্পাদক,
আলোচনী বিভাগ।


'ভাজিখন নমাই থৈয়েই মনিয়ে অর্থনিয়ে পৰা লেতেৰা হৈ থকা বাচনবোৰ সামৰি কুঁৱাৰ পাৰৈল লৈ গ'ল।'

'মনি, ভাত হ'লনে ?' পলাশে আনটো ৰুমৰ পৰা চিঞৰি সুধিলে । 'অ' হৈছে ৰ বাচন কেইটা ধুই লৈ গৈ তোক ভাত দিম।' মনিয়ে বাচন কেইটা চেলফ্‌টোৰ ওপৰত থৈ টেবুলখন মচি ললে। ভাত কেইটা বাঢ়ি তাই পানীৰ জগটোত পানী অলপ ভৰাই দিলে।

'দাদা, ভাত দিছো খাহি।'

হাতখন অখালি লৈ পলাশ ভাতৰ পাতত বহিল। মনি ···· ঐ মনি ····

আৰুনো কি হ'ল ইমানকৈ টেটুফালি চিঞৰি-বলে। এই ঠাণ্ডা পানীসোপা কিয় দিছ। এনেয়ে কাহত মৰিছো আৰু তই এই ঠাণ্ডা পানীসোপা

খুৱাই মাৰিব খুজিছ। অলপো কমনচেন্স নাই নহয়। অলপ গৰম পানী দে। মগটোত দেখোন এইসোপা গৰম পানী থৈয়েই গৈছোঁ। তই বোধহয় চোৱাই নাই; আৰু কিবা লাগিব নেকি?

নেলাগে, যা।

ভাত খাই উঠি পলাশে জোতাযোৰ ব্ৰাছ ডালেৰে অলপ চাফা কৰি ললে।

দাদা, এয়া তামোল। দাদা ...

কি হ'ল আকৌ?

বিশটামান টকা দিবি? কলেজৰ পৰা আজি বাহিৰে বাহিৰে বজাৰলৈ গৈ অলপমান ৰুমালৰ কাপোৰ আনিম বুলি ভাবিছিলোঁ।

মোৰ লগত মাত্ৰ পঁচিশ টকাহে আছে। তাৰে তোক বিশ টকা দিলে মোৰ পিনে দেখোন ধুই পানী খাবলৈকো নাথাকিব। তইনো ইমান সোপা ৰুমাল চিলাই কি কৰিবি? যিবোৰ হে ৰুমাল বনাইছ ভালকৈ মুখখনেই মচিব নোৱাৰি। এই পোন্ধৰ টকাকে ল। তাৰেই যি কৰ কৰিবি। চাবি বজাৰৰ পৰা আহোঁতে ৰাতি যাতে নকৰ। মা অকলে থাকিব লগা হ'লে দিম সেকাটো!

ৰাতি নকৰোঁ দে। সোনকালেই আহিম।

তই লাইট গ্ৰীন কালাৰৰ কাপোৰ আনিব লাগিছিল।

মণি। পিংক কালাৰৰ ৰুমালনো কিমান চিলাব। এই .... দাদা:ৰ কৰবাত লৰা চাইছে নেকি অ'? খুউব ৰুমাল চিলাবলৈ লৈছ যে। নে তই আৰু কাৰোবাক দিম বুলি ভাবিছ? এই জুলি, কথা বেয়া হব দেই। মই ৰুমাল বনালেই তোৰ হিংসা লাগে। কিন্তু তই জয়ন্তক কেইখন ৰুমাল দিলি তাৰ খবৰ কোনে ৰাখিছে? মনি, বল আমাৰ ঘৰলৈ যাওঁ মই থৈ আহিম বল। নাই ভাই নাযাও আজি দাদাই খং কৰিব। নকৰে বল না। মই পলাশ দাক কম। জুলীয়ে মণিক জোৰ কৈয়েই সিহঁতৰ ঘৰলৈ লৈ গ'ল।

সন্ধিয়া সাতমান বজাত পলাশ ঘৰলৈ উভতিলে। কাপোৰ কানি সলাই সি হাত মুখ ধুবলৈ গ'ল।

পল. তই কাপোৰ সলালি নেকি?

কিয় মাঁ?

মণি দেখোন এতিয়ালৈ অহা নাই। তই এপাক চাই আহগৈ যা।

কি! মণি অহা নাই!! মই তাইক সোন কালে আহিবলৈ কলোঁ কাৰণে তাই ৰাতি কৰিলে। আজি আহক ৰ, দিম মজাটো।

মণিৰ ওপৰত পলাশৰ ভীষণ খং উঠিল সি পেন্ট চাৰ্ট যোৰ পিন্ধি টৰ্চটোত বেটাৰী যোৰ ভৰাই ললে। মণিক বিচাৰি বাৰান্দালৈ ওলওঁতেই মণি আহি পালে। মণিক দেখি পলাশৰ খং দুগুনে চৰিল। খঙৰ ভমকতে সি

মণিক যি পাৰে তাকেই ক'লে। মণিয়ে পলৰ গালি সহ্য কৰিব নোৱাৰি মুখ মেলিলে। দুয়োৰো মাজত লাহে লাহে এখন খণ্ডযুদ্ধয়েই লাগি পৰিল। পলাশে শেষত মণিৰ গালত এটা প্ৰচণ্ড চৰ বহুৱাই দিলে।

পল, এইদৰে কাজিয়া কৰাৰ সময় তহঁতৰ এতিয়াও আছেনে? ঘৰখনত এহালেই মাথো ল'ৰা ছোৱালী, তহঁতৰ পৰাও মোৰ শান্তি নাই। এই ৰাতিখন তই তাইক কিয় চৰটো মাৰিব লাগে। সদায়তো তাই দেৰি নকৰে। জুলীয়ে মাতি নিয়া বাবেহে তাইৰ দেৰি হ'ল। তয়ো দেখোন ৰাতিয়ে দিনে ফুৰি ফুৰ। তাই জানো তোক কিবা কৈছে? এজনী মাথোন ভনী তাইকো তই মৰম নকৰ। মই মৰিলে তহঁতে দেখোন কাজিয়া কৰি মৰিবি অ'।

সিদিনাখন ৰাতি কাৰো ভাত খোৱা নহ'ল। মণিয়ে যি আহি বিচনাত পৰিলে তাই আৰু নুঠিলে। কেঁকুৰী ফেঁকুৰী শুই থাকিল। পলাশেও ভোক নাই বুলি ভাত নেখালে। মাকে ইমানকৈ কলে, বুজালে তথাপিও সি ভাতৰ পাতত নবহিল। মণিয়ে ভাত নেখালে; পলাশেও নেখালে মাকে নো কি সুখত ভাত খাব? মাকোৰো খোৱা নহ'ল।

পিছদিনা খন পলাশে মণিক মাতিছে যদিও তাৰ মনটো ভাল লগা নাই। মণিক চৰাটো মাৰি তাৰো বেয়া লাগিছে। আজি আবেলি সেইবাবে সি ওলাই যোৱা নাই। বিচনাখনত চকু দুটা মুদি এনেয়ে কিবা কিবি বোৰ ভাবি আছে।

ঐ পল, এই অসময়ত শুবলৈ তোক কিহে পাইছে কি হ'ল; শান্তিৰ লগত কিবা অশান্তি হ'ল নেকি?

নাই সেইবোৰ একো নহয়। এনেয়েই পৰি আছোঁ। মনটোৱেই কিবা ভাল লগা নাই। মনটো ভাল লগা নাই মানে? মনৰ বেমাৰ নে গাৰ বেমাৰ? শান্তিৰ বিষয়ে কোনোবাই কিবা তোক বেয়াকৈ কলে নেকি?

নহয় অ' সেইবোৰ। যোৱাৰাতি মণিৰ লগত লাগি তাইক এচৰ মাৰিলোঁ। সেই বাবেই মনটো কিবা ভাল লগা নাই।

অ' কাৰণটো কৰবাত। একো নহয় দে ভনীয়েৰক হে মাৰিছ অইনক মৰা নাই নহয়। ককায়েক-ভনীয়েকৰ মাজত মাজে মাজে লাগেই আৰু। তাতেনো ইমান চিৰিয়াচ হব লাগেনে? বল উঠ অলপ ফুৰি আহোঁ, ভাল লাগিব। আজিৰ পৰা আকৌ মণিক নামাৰিবি বুজিছ। তায়ো ডাঙৰ হৈছে নহয়; লাজ পায়।

উঠ এতিয়া সোনকালে, এঠাইলৈ ফুৰিবলৈ যাওঁ বল।

চাহ নাখাও জানো? তই অকনমান বহ মই মুখ ধুই আহোঁ।

মণ্টুক বিচনাৰ ওপৰতে বহুৱাই থৈ পলাশ মুখ ধুবলৈ গ'ল।

মণি চাহ দুকাপ কৰ। মণ্টু আহিছে। কুৰাৰ পাৰলৈ যাওঁতে পলাশে মণিক চাহৰ অৰ্ডাৰ দি গ'ল।

কালি হবলা চৰ খালা সেইবাবে গাল খন এনেদোনমান হৈ আছে। কিবা ইকাল-সিকাল কৰিছিলা কিজানি। মণ্টুৱে মনিক ধেমালি কৰি সুধিলে।

মণ্টু দা, আজি আকৌ খং তুলাই নলবা কিন্তু। কথা বেয়া হব। চাহৰ ট্ৰেখন ধৰি ধৰিয়েই মণিয়ে মণ্টুক খং কৰা যেন দেখুৱাই ক'লে। চাহ কাপ আকৌ খঙতে কাঢ়াকৈ বনাই তিতা কৰা নাইতো। এই মণি, চাহ কাপ অলপ বেছি মিঠা কৰি দিয়ানা।

অলপ ৰবা, চেনীৰ বৈয়ামটো লৈ আনোগৈ। চেনীৰে নহয় অ মণি। তোমাৰ অকনমান মৰম দি দিলেই চাহ একদম্ মিঠা হৈ যাব। মণিয়ে টেবুলৰ ওপৰতে চাহৰ ট্ৰেখন থেকেচা মাৰি মণ্টুলৈ ঘোপাকৈ চাই পাক ঘৰাই লৰ দিলে।

চাহ খাই দুই বন্ধু ফুৰিবলৈ ওলাল। মণ্টুৱে ঘোৰাকালি চাই অহা ভ্ৰাম্যমান নাট এখনৰ বিষয়ে পলাশক কৈ গৈ আছে। ঐ পল, আগলৈ চাচোন কোন আহিছে ক'তা?

সেইৱা। বাহ আজি শান্তি একদম্ বেলেগ হৈ আহিছেদেই। হালধীয়া শাৰীখনেৰে শান্তিক খুউব ধুনীয়া লাগিছে পল। আজি কালি শান্তিয়ে বৰ চখ্ কৰে ন পল?

মই কি জানো! ধনী মানুহৰ ছোৱালী পিন্ধিবই কিনো অভাৱ আছে সিহঁতৰ। তোৰ, মোৰ দৰে ভাল দৰিদ্ৰবোৰৰ হে সমস্যা।

শান্তি পাৰ হৈ সিহঁতৰ কাষেৰে গুছি গল। যাওঁতে মাথো পলাশৰ চকুৱে চকুৱে এবাৰ চালে। কিন্তু কোনেও কাকো একো নক'লে। শান্তিক নামাতিলি কিয় পল?

এনেয়ে।

কাৰণটো কি?

কাৰণ একো নাই। তাইও নামাতে; মইো সেইবাবে নামাতো। সকলো কথা প্ৰকাশ কৰিব নোৱাৰি মণ্টু। বল, বল, আৰু নুকুৰাঁ গধুলি হ'ল।

বল। মণ্টুৱে স্কাৰ্ফখন ভালদৰে মেৰিয়াই লৈ পলাশৰ সৈতে ঘৰলৈ উভতি আহিল।

[ ৫০ ]

# সম্পাদকীয়

বৰ্তমান অসমত আৰ্থিক দুৰৱস্থা, ৰাজনৈতিক অস্থিৰতা, অদূৰদৰ্শীতা, সামাজিক বৈষম্য দূৰ বাটি উঠি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। তাৰ বাবেই হয়তো গ্ৰাম্য যুৱক-যুৱতীৰ কোনো আৰু বাঁধাৰ বশৱৰ্তী হৈ পৰিছে যে ভাৰতৰ প্ৰচলিত গণতন্ত্ৰৰ দ্বাৰা অসমৰ সমস্যা কাহানিও সমাধান নহ'ব। ইয়াৰ পৰা ক'ব পাৰি যে গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি আস্থাহীন লোক সকলেই সশস্ত্ৰ সংগ্ৰামত ব্ৰতী হৈছে। তাৰ ফলত হয়তো দুষ্ট সমাজত চোৰ ডকাইতৰ সংখ্যা বৃদ্ধি হৈ উশৃংখল জীৱনৰ প্ৰতি বেছি আসক্ত হৈছে। লগতে শিক্ষিত যুৱক-যুৱতীক কৰ্ম সংস্থান চৰকাৰে দিব নোৱাৰাৰ বাবেও নিৱনুৱাৰ মনোভাৱেৰে নিজকে জলাঞ্জলি দিছে।

ৰাষ্ট্ৰৰ দুৰ্নাম হৈছে ধনী শ্ৰেণীৰ অস্ত্ৰ। বৰ্তমান চৰকাৰত ধনী শ্ৰেণীৰ আধিপত্য দেখা যায়। ই দৰিদ্ৰ জনসাধাৰণৰ বাবে মোটেই যেন অনুভৱ হয়। সেয়েহে মই মোৰ ছাত্ৰ বন্ধু সকলক পৰিস্থিতি সাপেক্ষে ভেটিলোকৰ কৰ্তব্যত উৎসৰ্গিত হ'বৰ বাবে অনুৰোধ জনাইছোঁ।

বিকালী মহাবিদ্যালয় এখন মহান অনুষ্ঠান। ইয়াত বহু ছাত্ৰ-ছাত্ৰী ছাত্ৰ-ছাত্ৰীক সৰ্বজনীন ভাৱে ১৯৮২ ইং চনৰ পৰা শিক্ষাত ব্ৰতী হৈ আহিছে। আমি মহাবিদ্যালয়ৰ উন্নতিৰ বাবে, দেশৰ উন্নতিৰ বাবে এই অনুষ্ঠানৰ পৰাই নিষ্ঠাবান হ'ব লাগিব বুলি মোৰ বিশ্বাস। যেনেকৈ এক বৈজ্ঞানিক দৃষ্টিভংগী আৰু এক সাহিত্যৰ এক বিশিষ্ট ধাৰা আৰু তাৰ সমালোচনা এক প্ৰধান হ'ব নোৱাৰে। আমি যেনেকৈ এক অসাম্প্ৰদায়িক ৰাজনৈতিক দৃষ্টিভংগীৰ অধীনৰ হ'ব লাগে যেনেকৈ মহাবিদ্যালয়ৰ শিক্ষাত জোৰ উচিত।

সাহিত্যই হৈছে জাতিৰ দাপোণ। মোৰ ছাত্ৰ-ছাত্ৰী সকলক জ্ঞাত কৰা যে এটা কবিতা, গল্প লিখিবলৈ আৰু কিছু কথা কোৱাটো দুৰূহ। জাতীয় জীৱনৰ জ্ঞান অথবা সাহিত্যত একান্ত ভাৱে মনোনিবেশ কৰিলেহে সাহিত্যত আত্মনিয়োগ কৰিব পৰা যায়। বৰ্তমান অসমৰ পৰিস্থিতিত সাহিত্য সম্পৰ্কে জাতীয় দৃষ্টিভংগী অতি প্ৰয়োজনীয়। ছাত্ৰ-ছাত্ৰী সকলৰ লিখনি সমূহ এখন

আলোচনী প্ৰকাশৰ বাবে উন্নত মানবিশিষ্ট নোহোৱাৰ কাৰণো হয়তো আছে। তাৰ বাবে আগলৈ তেওঁলোকে প্ৰগতিশীল মনোভাবেৰে গল্প, কবিতা, প্ৰৱন্ধ আদি লিখি আলোচনীখন মূল্যবান দলিল স্বৰূপে গঢ়ি তুলিব বুলি মোৰ দৃঢ় বিশ্বাস থাকিল।

মোক সম্পাদকৰ পদত নিৰ্ব্বাচন কৰি যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই গুৰু দায়ীত্বৰ ভাৰ দিছিল তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, আৰু লগতে তত্বাৱধায়ক প্ৰবক্তা শ্ৰীমতী আল্পনা সৰকাৰ, শ্ৰীমতী তনুজা হাজোৰাৰী, শ্ৰীমতী মনালিছা ৰায় চৌধুৰী বাইদেউ সকলক সহায় কৰাৰ বাবে সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে আলোচনী খন প্ৰকাশ কৰাৰ দায়িত্ব বহন কৰি প্ৰতিটো দিশ আঙুলিয়াই দিয়া বাবে পৰম শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় শ্ৰীযুত দেৱ প্ৰসাদ শইকীয়া দেৱৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলো আৰু পাণ্ডুলিপি লিখি দিয়া বাবে মস্তাগ গনিলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ত অভাৱ অভিযোগ নথকা নহয় অভাৱবোৰ আমাৰ অধ্যক্ষ মহোদয়ে সোনকালে পুৰণ কৰিব বুলি আশা ৰাখিলো। সদৌ শেষত যিবোৰ জ্ঞাত-অজ্ঞাত লোকে দেশৰ বাবে শ্বহীদ বৰণ কৰিলে তেখেত সকললৈ শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ। লগতে বিহালী মহাবিদ্যালয় আৰু আলোচনী খনৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে অন্ত কৰিছোঁ।।

*: জয়তু বিহালী মহাবিদ্যালয় :*

শ্ৰী ৰবীন হাজোৰাৰী
সম্পাদক, আলোচনী আৰু তৰ্ক বিভাগ
বিহালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদন

ইংৰাজী ১৯৯২-৯৩ বছৰটোৰ বাবে বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্ব্বাচন কৰি ছাত্ৰ বন্ধুসকলৰ প্ৰতি কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট আটাইলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বাবে ছাত্ৰ জিৰণি কোঠাৰ ভূমিকা উলাই কৰিব পৰা বিধৰ নহয়। ছাত্ৰ জিৰণি কোঠাৰ অভাৱ অভিযোগৰ কথা উল্লেখ নকৰি, প্ৰায় ছয়শ ছাত্ৰৰ অৱসৰ বিনোদনৰ উপযোগীকৈ পৰিবেশ, খেলাধূলা আৰু অধ্যয়নৰ নিতান্ত লাগতিয়াল সামগ্ৰী নিয়মিত যোগান ধৰি উক্ত কোঠাৰ অবস্থিতি আৰু প্ৰয়োজনীয়তা সাৰ্থক কৰি তুলিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে টানি অনুৰোধ জনালোঁ।

ইং ১৯৯২-৯৩ চনৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহ ৫ জানুৱাৰী '৯২ৰ পৰা ১০ জানুৱাৰী '৯২ লৈ ছদিনীয়া কাৰ্য্য-সূচীৰে অনুষ্ঠিত হয়। পৰম্পৰাগত ভাবে চলি অহা ছাত্ৰ জিৰণি কোঠাৰ অধীনৰ প্ৰতিযোগিতা সমূহ এইবেলি তত্বাৱধায়ক হিচাপে পৰিচালনা কৰে অৰ্থ বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীযুত দীনবন্ধু কলিতা দেৱে। তেখেতৰ নিষ্ঠাপূৰ্ণ সহায়ৰ বাবে এই ছেগতে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ।

মই প্ৰত্যক্ষ কৰিলোঁ যে মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত প্ৰতিযোগী সকলে নাম দাখিল কৰিয়েই ক্ষান্ত থাকে। সময়ত উপস্থিত হবলৈ বহুতে অনীহা প্ৰকাশ কৰে। ফলত প্ৰকৃত প্ৰতি-যোগীৰ সংখ্যা তাকৰ হৈ পৰে। গতিকে এই প্ৰতিবেদনৰ যোগেদি ছাত্ৰ বন্ধুসকলক অনুৰোধ জনাওঁ যে সৰহ সংখ্যক প্ৰতিযোগীৰ সক্ৰিয় অংশ গ্ৰহণেৰে মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ আয়োজন সফল কৰি তোলে।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে খেলাৰ সামগ্ৰী তেনেই কম। সেয়ে খেলৰ সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত আৰু যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক মই টানি অনুৰোধ জনাইছোঁ। বিগত কাৰ্য্যকালৰ ভিতৰত মই কি কৰিলোঁ, কি নকৰিলোঁ সেইটো আপোনা-লোকৰ বিচাৰ্য। মোৰ ফালৰ পৰা চেষ্টাৰ অকনো ত্ৰুটি কৰা নাছিলোঁ। মোৰ কাৰ্য্যকালত বিশেষভাৱে সহায় কৰা আতোৱাৰ ৰহমান, নৃপেন মেধি, জাকিৰ হুছেইন প্ৰমুখ্যে বন্ধুসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। পূজনীয় শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ কৃতজ্ঞতা নিবেদন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বিকালী মহাবিদ্যালয়
জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

শেখ আব্দুল মান্নান
সম্পাদক ছাত্ৰ জিৰণি কোঠা
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

## : ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভণিতে বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯২-৯৩ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত নিৰ্ব্বাচন কৰি মহাবিদ্যালয় খনক এধানি মান সেৱা কৰাৰ সুযোগ কণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহনৰ কেইটিমান দিনৰ পিচতে মহাবিদ্যালয়ৰ আকৰ্ষনীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা আগবঢ়োৱা বিভিন্ন প্ৰতিযোগিতাৰ বিষয় সমূহ হল — ভাৰতীয় সাজপাৰ, হাতে কৰা চিলাই, বোৱা কটা, বিয়া নাম, পুষ্প সজ্জা। আন বছৰতকৈ এই বাৰৰ প্ৰতিযোগিতাবোৰত যোগদান কৰা ছাত্ৰীৰ সংখ্যা মধ্যমিয়া আছিল যদিও প্ৰতিযোগিতা উচ্চ মানদণ্ডৰ হৈছিল।

ছাত্ৰী জিৰণি কোঠা এটা ছাত্ৰীসকলৰ বাবে কিমান প্ৰয়োজনীয় কোৱা নিষ্প্ৰয়োজন। মহাবিদ্যালয় খনৰ ছাত্ৰীৰ সংখ্যালৈ চাই বৰ্ত্তমানৰ ছাত্ৰী জিৰণি কোঠাটো তেনেই সৰু হৈছে। আশা ৰাখিছো মহাবিদ্যালয় কৰ্ত্তৃপক্ষই ছাত্ৰী সকলৰ এই বহুদিনীয়া অসুবিধাবোৰ অনতি পলমে দূৰ কৰাৰ ব্যৱস্থা হাতত লব।

মোৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰতে ছাত্ৰী বান্ধৱী সকললৈ মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ সৌজন্যত ড্ৰেচিং আইনা আদিৰ দৰে দুই এপদ বস্তু উপহাৰ দিবলৈ পাই মই সুখী হৈছো।

মোৰ কাৰ্য্যকালৰ কৃতকাৰ্য্যতাৰ ভাৰ সংশ্লিষ্ট সকলৰ। মোৰ কাৰ্য্য সম্পাদনত দিহা পৰমৰ্শৰ দ্বাৰা সহায় কৰা বাবে, বিভাগীয় ভাৰপ্ৰাপ্ত প্ৰবক্তা মাননীয়া শ্ৰীবন্তি বৰদলৈ বাইদেউলৈ মোৰ অকৃত্ৰিম সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছো। লগতে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীয়ে বিগত সময় ছোৱাত মোক বিভিন্ন প্ৰকাৰে সহায় আগবঢ়াইছিল তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

অৱশেষত বিগত সময়ছোৱাত মোৰ অজ্ঞাতে হোৱা ভুল ক্ৰুটিৰ বাবে সহৃদয় সকলৰ ওচৰত ক্ষমা বিচাৰি বিকালী মহাবিদ্যালয় খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰীৰুমা পাটগিৰী
সম্পাদিকা. ছাত্ৰী জিৰণি কোঠা
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# লঘুক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

১৯৯২-৯৩ শিক্ষাবৰ্ষৰ বাবে বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ লঘুক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক মনোনীত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ। মোৰ কাৰ্য্যকালত যথেষ্ট কৰিবলগীয়া থকা স্বত্বেও আশানুৰূপ ভাবে কৰিব নোৱাৰিলোঁ। কাৰণ মহাবিদ্যালয় খন তেনেই চালুকীয়া বাবে নানা আলৈ আহুকাল থাকিবই। 'মহাবিদ্যালয় সপ্তাহ' চলি থকা সময়তহে কেৱল লৰা ছোৱালীয়ে খেলা ধূলা সমূহৰ অনুশীলন কৰে। তেনেক্ষেত্ৰত খেলাৰ মানদণ্ড নিম্ন হোৱাটো স্বাভাবিক। অৱশ্যে মহাবিদ্যালয় সপ্তাহৰ বাহিৰে অন্য সময়ত অনুশীলনৰ ক্ষেত্ৰাভাৱত অনুশীলন নহয় যেন লাগে কাৰণ এই বিভাগৰ প্ৰায়বোৰ খেল আভ্যন্তৰিণ। উল্লেখনীয় যে খেলাৰ সামগ্ৰী আৰু ক্ষেত্ৰাভাৱৰ বাবে বহু গুৰুত্বপূৰ্ণ খেল যেনে— ল'ন টেনিচ, টেবুল টেনিচ, বাস্কেট বল আদিৰ প্ৰচলনেই এতিয়ালৈ মহাবিদ্যালয়ত হোৱা নাই। সেয়ে এই মহাবিদ্যালয়ত লঘুক্ৰীড়া বিভাগৰ পৰিসীমা বৰ ঠেক গণ্ডীৰ ভিতৰতে সীমিত। মোৰ কাৰ্য্যকালত লৰা আৰু ছোৱালীৰ শাখাত কেৱল বেডমিণ্টন, কেৰম, লৰাৰ শাখাত ভলীবল, ছোৱালীৰ শাখাত ৰিং (অপ্ৰচলিত?) আদিহে পতা হয়। কলেজ সপ্তাহৰ সময়ত মোক সকলো দিশৰ পৰা লঘুক্ৰীড়া বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মঃ আব্দুল হক আহমেদে সহায় সহযোগিতা আগবঢ়োৱা বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞ। কেইজন মান ছাত্ৰ বন্ধু শ্ৰীমনীন্দ্ৰ ভট্টাচাৰ্য্য, নৃপেন মেধি জুমৰ আলী, ইনামুল আহমেদ, আমানুৰ ৰহমান আৰু আনোৱাৰ হুছেইন আদিয়ে মোক সহায় কৰা বাবে তেওঁলোককো মোৰ কৃতজ্ঞতা জনালোঁ।

এই সুযোগতে মই মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত মোৰ নিবেদন ৰাখিব খুজিছো· মহাবিদ্যালয়ত টেবুল টেনিচ, বাস্কেট বল আৰু লন টেনিচৰ ব্যৱস্থা কৰাৰ লগতে সকলো খেলাৰ সামগ্ৰী যোগান ধৰিলে ছাত্ৰ-ছাত্ৰী সকলে নিয়মিত অনুশীলন কৰিব পাৰিব আৰু তেতিয়া নিশ্চয় কলেজৰ খেলাৰ মানদণ্ড উন্নত হ'ব বুলি আশা কৰিব পাৰি। অৱশেষত মোৰ অনুজ সম্পাদক গৰাকী যাতে নেৰা নেপেৰাকৈ এই বিভাগৰ পৰিসীমা বৃদ্ধিৰ বাবে লাগি থাকে তাৰ বাবে অনুৰোধ ৰাখি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। জয়তু বিকালী মহাবিদ্যালয়। ধন্যবাদেৰে—

মঃ আৰুছৰ আলম
সম্পাদক, লঘুক্ৰীড়া বিভাগ
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ।। গুৰুক্ৰীড়া বিভাগৰ প্ৰতিবেদন ।।

প্ৰতিবেদনৰ পাতনিতে বিকালী মহা বিদ্যালয় ১৯৯২-৯৩ ইং চনৰ গুৰু ক্ৰীড়া বিভা গৰ সম্পাদক হিচাপে নিৰ্ব্বাচন কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যা লয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ ধন্যবাদ জনাইছোঁ।

সাম্প্ৰতিক কালত অধ্যয়নৰ লগতে খেলা ধূলাৰ প্ৰয়োজনীয়তা মানব জীৱনৰ এক অবি চ্ছেদ্য অংগ হৈ পৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ সু-স্বাস্থ্য আৰু সুস্থ মানসিকতা গঢ়াত খেল ধেমালিৰ অৰিহনা অধিক গুৰুত্বপূৰ্ণ। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে খেলা-ধূলাৰ প্ৰতি ধাউতি ৰখাটো নিতান্ত প্ৰয়োজন। এই ক্ষেত্ৰত সংশ্লিষ্ট সকলো প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰাৰ লগতে খেলাৰ পৰিবেশ সৃষ্টিৰ যাৱতীয় ব্যৱস্থা গ্ৰহন কৰা আৱশ্যক।

কাৰ্য্যভাৰ লৈয়ে যেতিয়া 'মহাবিদ্যালয় সপ্তাহ' আৰু অন্যান্য খেলাৰ দায়িত্ব লৈছিলো তেতিয়াই মহাবিদ্যালয় খনে বহুবছৰ ধৰি খেলা ধূলাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা সমূহ উপ লব্ধি কৰিছিলোঁ। কাৰ্য্যকালৰ সময় ছোৱাত খেল-ধেমালিৰ প্ৰসাৰ ঘটাব বিচাৰিছিলোঁ যদিও সীমিত সা-সুবিধা আৰ্থিক অনাটনৰ ফলত বিশেষ একোকে কৰিব নোৱাৰিলোঁ। গতানুগতিক ভাৱে মোৰ কাৰ্য্যকালত 'মহা-বিদ্যালয় সপ্তাহ' পালন কৰা হৈছিল। মহা বিদ্যালয় সপ্তাহ'ৰ সময়ত ছাত্ৰ-ছাত্ৰী খেলুৱৈ সকলৰ মাজত অনুশীলনৰ অভ্যাস কম হোৱা চকুত পৰিছিল। কাৰণ- মহাবিদ্যালয় সপ্তাহ টোত মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীয়ে খেলা ধূলাত যোগ দান কৰিছিল আৰু খেলাৰ মানদণ্ডও তেনেই নিম্নমানৰ আছিল। মহাবিদ্যালয় সপ্তাহটো প্ৰতিযোগিতাৰ পৰিবৰ্ত্তে অনুশীলনৰ সপ্তাহ যেন অনুমান হৈছিল। উপযুক্ত খেল পথাৰ থকা স্বত্বেও ক্ৰীড়া সামগ্ৰীৰ অভাৱ, খেলুৱৈৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো।

নতুনকৈ কাৰ্য্যভাৰ লোৱা আমাৰ অধ্যক্ষ মহোদয়ে খেলা ধূলাৰ দিশত থকা সমস্যাৰাজী সমাধান কৰি কৰ্ত্তৃপক্ষ, শিক্ষক তথা ছাত্ৰ ছাত্ৰী সকলৰ মিলিত প্ৰচেষ্টাত খেলাৰ এক নতুন

পৰিৱেশ গঢ়ি তুলিব বুলি মোৰ দৃঢ় বিশ্বাস।

দায়িত্বত থকা সময়ছোৱাত দিহা পৰা মৰ্শৰে সহায় সহযোগিতা আগবঢ়োৱা বাবে বিভাগীয় অধ্যাপক শ্ৰী এম, গোপাল সিংহৰ এইখিনিতে শলাগ লৈছোঁ। তদুপৰি মোক সহায় সহযোগিতা আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা ছাত্ৰ-ছাত্ৰী সকলৈ কৃতজ্ঞতা জনাই কাৰ্য্যকালত কৰি অহা ভুল ত্ৰুটিৰ মাৰ্জ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো। শেষত বিকালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ প্ৰগতি কামনা কৰিছোঁ। জয়তু বিকালী মহাবিদ্যালয়।

শ্ৰীকিশোৰ কুমাৰ দাস
সম্পাদক, গুৰু ক্ৰীড়া বিভাগ
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

---

ৰূপে নাৰীক অহংকাৰী কৰে; গুনে প্ৰশংসনীয় কৰে; সৰলতাই নাৰীক দেবীতুল্য কৰে।

— মাৰ্চেল

সাগৰত বুৰি যিমান মানুহ মৰিছে, মদৰ গিলাছত বুৰি তাতকৈ বেছি মানুহ মৰিছে।

— চেবেষ্টাইন ফ্ৰেনৰিছ।

অকনমান সাহসৰ অভাৱতেই পৃথিবীত বহুত প্ৰতিভাৰ অপচয় ঘটে।

—ছিদনী স্মিথ



# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

এখন শিক্ষানুষ্ঠান সৰ্ব্বাঙ্গ সুন্দৰকৈ গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন প্ৰকাৰে অৰদান আগবঢ়াব পাৰে। ১৯৯২ চনত মই বিকালী মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেনীত নামভৰ্ত্তি কৰি মই মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ ইচ্ছা কৰিছিলোঁ। মোৰ এই ইচ্ছা পূৰণৰ কাৰণে ১৯৯২-৯৩ চনত মই সমাজ সেৱা সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈছোঁ। মোৰ এই জয়ৰ কাৰণে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

সমাজসেৱা বিভাগৰ দায়িত্ব আন আন বিভাগতকৈ সৰ্ব্বাধিক বুলি কলে বঢ়াই কোৱা নহব। এই বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ বছৰেকীয়া উৎসৱ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে এদিন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ চাফাই কৰোৱা হয়। চাফাই কামত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰী সকলৈ বটা বিতৰণী সভাৰ দিনা সমাজ সেৱক হিচাপে প্ৰমান পত্ৰ দিয়াৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰোপৰি মহাবিদ্যালয় সপ্তাহ উপলক্ষে মঞ্চ নিৰ্ম্মান আৰু মঞ্চ সজোৱাৰ বাবে আৱশ্যকীয় সামগ্ৰী যোগান দিয়াৰ ব্যৱস্থাও কৰা হৈছে।

মোৰ কাৰ্য্যকাল চলি থকা সময়ত মহাবিদ্যালয়ত শ্ৰীশ্ৰীপঞ্চমী পূজা, শ্ৰীমন্ত শংকৰ দেৱৰ তিৰোভাৱ তিথি আৰু ফাতেহা-ই-দোৱাজ দাহম আদি ধৰ্মীয় তিথি উদ্‌যাপন কৰা হয়। এই তিথি তিনিটাৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিত শ্ৰীমন্ত শংকৰ দেৱৰ ওপৰত আলোচনা চক্ৰ, জীৱনী ৰচনা প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ফাতেহা-ই-দোৱাজ দাহম উপলক্ষে আলোচনা চক্ৰ পতা হয়। এই বিলাক অনুষ্ঠানে ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশত যথেষ্ট উপকাৰ সাধন কৰে।

সমাজ সেৱা বিভাগৰ দায়িত্ব পালন কৰা কালছোৱাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত হজৰত আলী আহমেদ

দেৱ আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ছৈয়দ আলী আহমেদদেৱে যি গঠনমুলক দিহা পৰামৰ্শ দি সহায় কৰিলে, তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। সমাজ সেৱা বিভাগৰ দায়িত্ব পালন কৰাত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক সহায় সহযোগিতা আৰু পৰামৰ্শ আগবঢ়াইছিল তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

শেষত মোৰ দায়িত্ব পালন কৰা সময়ত অজানিতে হৈ যোৱা ভুলত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু বিকালী মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি সামৰিছোঁ। ইতি –

শ্ৰীমুকুট কলিতা
সম্পাদক, সমাজ সেৱা বিভাগ।

---

ছাত্ৰ জীৱনত সত্যক চিনি নাপালে সংসাৰী হৈ সত্য নিষ্ঠ হোৱা টান।'

স্বামী বিবেকানন্দ

স্থিৰ সিদ্ধান্তত উপনীত হব নোৱাৰা স্বভাৱৰ লোকতকৈ দুৰ্ভগীয়া আন কোনো নাই।

ডব্লিউ জেম্‌চ

ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰা শিক্ষাৰ মূল উদ্দেশ্য।

চক্ৰেটিছ।

চিন্তা বিহীন শিক্ষা বৃথা পৰিশ্ৰম, শিক্ষা বিহীন চিন্তা বিপদজনক।

কনফুচিয়াচ



# ঃ সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে যি সকল ছাত্ৰ ছাত্ৰীয়ে মোক ১৯৯২-৯৩ ইং চনৰ বাবে বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্ব্বাচন কৰি সেৱা আগবঢ়োৱাৰ সুযোগকণ দিছিল সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ অফুৰন্ত কৃতজ্ঞতা আৰু অকৃত্ৰিম ভাল পোৱা যাচিছোঁ। লগতে যি সকল জ্যেষ্ঠ উদ্যোক্তা তথা মোৰ চিৰ নমস্য অধ্যাপক অধ্যাপিকাই মোৰ প্ৰতিটো কামতেই দিহা পৰামৰ্শেৰে আগবঢ়াই নিছে সেই সকললৈও মোৰ আন্তৰিক সেৱা আগবঢ়াইছোঁ। বিকালী মহাবিদ্যালয়ৰ নিচিনা এটি মহান উচ্চ শিক্ষানুষ্ঠান স্থাপন কৰাত যি সকল উদ্যোক্তাই তেওঁলোকৰ অকৃত্ৰিম বৰঙনি আগবঢ়াই আহিছে সেই সকললৈও মোৰ ভক্তি ভৰা অঞ্জলী জনাইছোঁ।

প্ৰখ্যাত কথা সাহিত্যিক চাৰ বেনেটে কৈছিল, "সংস্কৃতি হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। য'ত এটা জাতিয়ে নিজৰ প্ৰতিবিম্ব নিখুঁত ভাবে দেখা পায়।" এখন মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাটত সাংস্কৃতিক দিশৰ অৱদান নুই কৰিব নোৱাৰি। সেই ফালৰ পৰা আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক দিশ তেনেই চালুকীয়া আৰু পিছপৰা। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই যথোপযুক্ত কানসাৰ দিয়া নাই বুলি কলেও ভুল কোৱা নহব কিজানি। বিকালী মহাবিদ্যালয়ে আজি এঘাৰ বছৰৰ দেওঁনা পাৰ হবলৈ ওলাইছে। এই এঘাৰ বছৰত এইখন মহাবিদ্যালয়ে যিমানখিনি ব্যাহ্যিক ভাবে উন্নতি লাভ কৰিলে তাৰ তুলনাত আভ্যন্তৰিক উন্নতি তেনেই নগন্য। আমি সঘনাই অনুভৱ কৰি অহা সাংস্কৃতিক বিভাগৰ কিছুমান অভাৱ তথা অসুবিধা এনে ধৰণৰ —

১। প্ৰেক্ষাগৃহৰ অভাৱ— মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সমূহ পৰিবেশন কৰিবলৈ এটি প্ৰেক্ষাগৃহ নিতান্তই আৱশ্যক। আমাৰ মহাবিদ্যালয়ত এটি প্ৰেক্ষাগৃহৰ প্ৰয়োজন আমি বাৰুকৈয়ে অনুভৱ কৰি আহিছোঁ। মহাবিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ বাবে এটি স্থায়ী প্ৰেক্ষাগৃহ নিৰ্ম্মান কৰিলে ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট উপকাৰ কৰা হব।

২। বাদ্যযন্ত্ৰৰ অভাৱ— আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক বিষয়ৰ বাদ্যযন্ত্ৰ নিচেই তাকৰ আৰু যি আছে সেয়াও পুৰনিকলীয়া। মহাবিদ্যালয়ৰ সাংস্কৃতিক কাৰ্য্যসূচীবোৰ চলাই নিবলৈ আমাৰ মহাবিদ্যালয়ে সদায়ে আনৰ

পৰা ধাৰ কৰি অনা বাদ্যযন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই বিষয়ে বিভাগীয় কৰ্তৃপক্ষক প্ৰতি বছৰে সোঁৱৰাই দি অহা হৈছে যদিও কোনো ধৰণৰ সঁহাৰি পোৱা হোৱা নাই। আশা কৰোঁ কৰ্তৃপক্ষই এই বিষয়টো সহানুভূতিৰে বিবেচনা কৰিব।

৩। আঁৰ কাপোৰৰ অভাৱ— আঁৰ কাপোৰৰ বেলিকাও আমি সদায় পৰমুখাপেক্ষী। এখন মঞ্চ সজাব পৰাকৈ নিম্নতম কাপোৰখিনিও আমাৰ নাই। এই বিষয়ে কৰ্তৃপক্ষ অৱগত যদিও কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই। কৰ্তৃপক্ষই এনেবোৰ অভাৱৰ প্ৰতি মনোযোগ দিলে যথেষ্ট উপকাৰ হয়।

এবছৰীয়া কাৰ্য্যকালত মই মহাবিদ্যালয়ৰ বাবে কি সেৱা আগবঢ়াইছো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ হাতত। মোৰ কাৰ্য্যকালত মোৰ অজ্ঞাতে হোৱা ভুল দোষ বোৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ক্ষমাৰ চকুৰে চালে মই নথৈ আনন্দিত হম।

সদৌ শেষত মোৰ সকলো ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ ছাত্ৰী সকললৈ মোৰ মৰম আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াই মোৰ চমু প্ৰতিবেদনৰ যৱনিকা পেলাইছোঁ। জয়তু বিকালী মহাবিদ্যালয়।

শ্ৰীঅৰ্পণ কুমাৰ শৰ্ম্মা।
সম্পাদক, সাংস্কৃতিক বিভাগ।
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

---

তোমালোকৰ মাজত কোনো সৰু বা ডাঙৰ নাই। তোমালোকৰ এজন আন জনৰ ভাই। আটাইয়ে ঐক্যবদ্ধ হৈ গৌৰব অৰ্জ্জনত ব্ৰতী হোৱা।

—ঋগ্বেদ।

তোমালোক পৰনিন্দাৰ পৰা বিৰত থাকিবা। কাৰণ পৰনিন্দা ব্যভিচাৰতকৈ কঠিনতৰ। মানুহে ব্যভিচাৰ কৰি অনুতাপ কৰিলে ঈশ্বৰে মাৰ্জ্জনা কৰে। পৰনিন্দা কাৰীতাই কিন্তু যেতিয়ালৈকে যাক নিন্দা কৰে তেওঁ যদি ক্ষমা নকৰে তেতিয়ালৈকে ঈশ্বৰে তাক ক্ষমা নকৰে।

—হজৰত মহম্মদ

# ॥ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ শাৰীৰিক, আৰ্থিক আৰু কঠোৰ মানসিক প্ৰচেষ্টাৰ ফলত এনেহেন মহান উচ্চ শিক্ষানুষ্ঠানটি গঢ়ি উঠিছে ; তেওঁলোকলৈ যাচিছো মোৰ আন্তৰিক কৃতজ্ঞতা। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ ওপৰত ভৰষা ৰাখি বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক পদলৈ মোক নিৰ্ব্বাচিত কৰি মোক সহানুভূতি দেখুৱালে ; তেখেত সকললৈও মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

মই সহকাৰী সম্পাদকৰ পদত অধিষ্ঠিত হৈ কাৰ্য্যভাৰ গ্ৰহন কৰাৰ দিনৰে পৰা শেষ মুহূৰ্ত্তলৈ সাধাৰণ সম্পাদক তথা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ সদস্যক কাৰ্য্য পৰিচালনাত কিমানখিনি সহায় সহযোগিতা আগবঢ়াব পাৰিলো সেয়া ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ বিচাৰ্য্য।

কাৰ্য্যকালৰ শেষ প্ৰান্তত প্ৰতিবেদন লিখিবলৈ গৈ আজি স্মৰণ কৰিছো, যোৱা বছৰটোত কি কি উন্নতি মূলক কাম কৰিলোঁ। অৱশ্যে সফলতাৰ মাজতে বিফলতা থাকেই। গতিকে আমাৰ সফলতাৰ মাজত বিফলতা থকাটো তেনেই স্বাভাৱিক।

আমাৰ কাৰ্য্যকালতেই মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া দেৱক নৱাগত আদৰণি সভাত আনুষ্ঠানিক ভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। তেখেতে আমাক মহাবিদ্যালয়ৰ উন্নতিৰ হকে মহাবিদ্যালয়ৰ পুঁজিলৈ নগদ ২, ০০, ০০০ টকা আগবঢ়ায় আৰু ধূপধৰাৰ ৩৭নং ৰাষ্ট্ৰীয় পথৰ পৰা মহাবিদ্যালয়ৰ চৌহদলৈ যোৱা ৰাস্তাটোও পকী কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ উপৰিও ছাত্ৰী বাস ভৱন দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। উক্ত সভাত শ্ৰীশইকীয়া দেৱৰ লগতে শ্ৰীযুত জগত পাটগিৰী, মঃ দিলদাৰ ৰেজ্জা, মোঃ জেহিৰুল ইছলাম মন্ত্ৰী ডাঙৰীয় সকলো উপস্থিত আছিল।

মোৰ কাৰ্য্যকালত বিভিন্ন বহুমুলীয়া দিহা পৰামৰ্শ তথা সহায় সহযোগিতা অকুণ্ঠিত ভাবে আগবঢ়াই অহা শিক্ষাগুৰু তথা তত্ত্বাৱধায়ক অধ্যাপক মহোদয় শ্ৰীযুত প্ৰশান্ত চক্ৰৱৰ্ত্তী আৰু মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত দেৱ প্ৰসাদ শইকীয়া দেৱক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সময়তে মোৰ কাৰ্য্য পৰিচালনাত সততে পৰামৰ্শ দি থকা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী মোঃ আলতাফ হুছেইন ( সাঃ সম্পাদক ), মোঃ আতোৱাৰ ৰহমান, পবিত্ৰ কলিতা, পৰেশ কলিতা, দামোদৰ চৌধুৰী, উদ্ধৱ দাস, হিমাংশু কলিতা আৰু বিকালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত আজীৱন কৃতজ্ঞ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ মাৰ্জ্জনা বিচাৰিছো আৰু বিকালী মহা বিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি আটাই লৈ শুভেচ্ছা যাচি সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো ।

'বিকালী মহাবিদ্যালয় যুগে যুগে শিক্ষাৰ পোহৰ বিলাই সু-শিক্ষাৰ কেন্দ্ৰস্থল হৈ পৰক এই কামনাৰে ধন্যবাদ ।

ঃ জয়তু বিকালী মহাবিদ্যালয় :

শ্ৰীউপেন্দ্ৰ কলিতা
সহকাৰী সাধাৰণ সম্পাদক
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

---

হৃদয়ত যি আছে সেয়া মন্দিৰতো নোপোৱা, মছজিদতো নোপোৱা। যি হৃদয়ত একো নাই, তেওঁ জানিবা কতোৰেই একোৰেই নাই।

– জাফৰ

আমি অনুভৱ কৰিব পৰা আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ৰহস্য। সকলো প্ৰকৃত কলা আৰু বিজ্ঞানৰ ইয়েই হ'ল উৎস।

–আইন ষ্টাইন

শত্ৰুক ভাল পাবলৈ শিকা।

– যীচুখ্ৰীষ্ট

# ।। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ।।

প্ৰতিবেদনৰ পাতনিতে অসম মাতৃৰ উজ্বল মুখ চোৱাৰ হাবিয়াসেৰে মৃত্যু বৰণ কৰা মৃত্যুঞ্জয়ী শ্বহীদ সকলৰ পৱিত্ৰ সোঁৱৰণত অশ্ৰু অঞ্জলি যাচিছো। ১৯৯২-৯৩ ইং চনৰ সাধাৰণ সম্পাদকৰ পদৰ বাবে বলিষ্ঠ প্ৰতিদ্বন্দ্বিৰ মাজৰ পৰা মোক জয়যুক্ত কৰি মহা বিদ্যালয়ৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মই বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে ১১-১২ ৯২ ইং তাৰিখৰ দিনা শপত গ্ৰহন কৰোঁ আৰু কাৰ্য্যভাৰ হাতত লওঁ। কাৰ্য্যভাৰ দিয়াৰ দিনাখন ভাৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক, ছাত্ৰ-একতা সভাৰ সদস্যসকলে দিয়া বহুমূলীয়া পৰামৰ্শ সাৰোগত কৰি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে কৰা সহায় সহযোগীতাত কিমানখিনি কাৰ্য্যকৰী কৰিব পাৰিলো বা কৰি আছো তাৰ বিচাৰ বিশ্লেষণ আপোনালোকেই কৰিব।

**মহাবিদ্যালয় সপ্তাহ** —

